
# কাঁনৈয়ান

৫৯ তম সংখ্যা ঃ ২০০৭-০৮




সম্পাদক ঃ নয়নমণি সোনোৱাল

# কানৈয়ান

## ৫৯ তম সংখ্যা ঃ ২০০৭-০৮ খ্ৰীষ্টাব্দ

# KANOIAN

## Vol. 59 : 2007-08 AD

প্ৰতি,

--------------------------------------------------

--------------------------------------------------

সম্পাদক ঃ ......................................

**KANOIAN** : The 60th Annual Journal of D.H.S.K. College of the session 2005-05, edited by Nayan Moni Sonowal, Published by D.H.S.K. College Student Union Society and Printed at Dibru Offset, D.D.A. Market, Chowkidingee, Dibrugarh - 1.

## সম্পাদনা সমিতি

তত্ত্বাৱধায়ক অধ্যাপক ঃ
ড° মহেশ্বৰ হাজৰিকা

উপদেষ্টা ঃ
ড° ঊষাৰাণী বৰুৱা
ড° ভাৰতী দত্ত
ড° মধুমিতা পুৰকায়স্থ

সম্পাদক ঃ
নয়নমণি সোনোৱাল

সদস্য/সদস্যা ঃ
পাৰ্থপ্ৰতীম গগৈ
বন্তী দে
সুভাশীষ গগৈ
সৌৰভ গগৈ

প্ৰচ্ছদ আৰু অলংকৰণ ঃ মৃদুল শৰ্মা

আৰ্হি পাঠক ঃ মৃদুল শৰ্মা

প্ৰকাশক ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ছ'চাইটি ২০০৭-০৮ বৰ্ষ

মুদ্ৰক ঃ ডিব্ৰু অফছেট, ডি ডি এ মাৰ্কেট কমপ্লেক্স, চৌকিডিঙি চাৰিআলি, ডিব্ৰুগড় - ১

GRAM : KANOCOL
✆ : (0373) 2324105

OFFICE OF THE PRINCIPAL

**Dibrugarh H. S. Kanoi College**

P. O. DIBRUGARH - 786 001 (ASSAM)

*Ref. No. DHSK /* .......................................... *Date*...........................

# অধ্যক্ষৰ মেজৰ পৰা



উজনিৰ অন্যতম উচ্চ শিক্ষাৰ কেন্দ্ৰ ডিব্ৰুগড় হনুমান বক্স সুৰযমল কানৈ কলেজ প্ৰতিষ্ঠা ক্ষণৰে পৰা এক বৃহৎ সামাজিক দায়বদ্ধতা পালন কৰি আহিছে আৰু তাৰেই বিলাই কানৈ কলেজ পৰিয়ালৰ অনেক সদস্যই দেশে-বিদেশে উন্নত শিৰে ঘোষণা কৰিছে ‘Knowledge is power’

বছৰৰ লেখত কানৈ কলেজ চৌষষ্ঠী বছৰীয়া। মানুহ হোৱা অৱসৰৰ বয়স পাৰ কৰিলেহেঁতেন। পিছে যথা নিয়তভাৱে এজাক ‘বিউটিফুল পিপল্’ৰ দপদপনিত চিৰতৰুণ কানৈ কলেজৰ পৰিৱেশ দিয়া আৰু লোৱাৰ সুগন্ধৰে আমোদিত। এই দিয়া আৰু লোৱা পবিত্ৰ জ্ঞানৰ সাধনাৰে পৰিগৰ্ভিত।

এই জ্ঞানৰ সাধমাৰে অন্যতম অঙ্গ ৰূপে পৰিগণিত হৈ আহিছে কলেজৰ মুখপত্ৰ খনি। অনেক অচিনাক্ত প্ৰতিভাৰ আত্মপ্ৰকাশৰ প্ৰথম সপোন ই। পূৰ্বৰ বছৰবোৰৰ দৰে এইবাৰো কানৈ কলেজৰ মুখপত্ৰ ‘কানৈয়ান’ সাজিপাৰি ফুল কলিটিৰ দৰে সাজু হৈছে। সমূহ ছাত্ৰ-ছাত্ৰীৰ আশা-আকাংক্ষা, প্ৰতিভা আৰু শ্ৰেষ্ঠত্ব, বিচক্ষণতা আৰু মেধা প্ৰতিফলিত কৰি এইবাৰৰ কানৈয়ানো জিলিকি উঠিব।

ছেক্সপীয়েৰে কৈছিল — “Ignorance is the curse of God, knowledge the wing wherewith we fly to Heaven.”

অজ্ঞানতাৰ অন্ধকাৰ দূৰ কৰি জ্ঞানৰ পবিত্ৰ আলোকত আলোকিত হৈ উত্তৰণৰ প্ৰত্যাহিক ধাৰা অব্যাহত ৰখাৰ অঙ্গীকাৰ আৰু প্ৰতিশ্ৰুতি যেন আমাৰ আকাংক্ষিত পাথেয় হয় সেই আশাৰে।

কানৈ কলেজক প্ৰতিনিধিত্ব কৰা মুখপত্ৰ কানৈয়ান দীৰ্ঘজীৱী হওক।

ড° জয়কৃষ্ণ মহন্ত


(ড° জয়কৃষ্ণ মহন্ত)

অধ্যক্ষ

কানৈ কলেজ, ডিব্ৰুগড়

# অনুক্ৰমণিকা


| | | |
|---|---|---|
| সম্পাদকৰ একলম | | ৫ |
| হিংসা আৰু অহিংসা এক তুলনামূলক বিশ্লেষণ | সাৰঙ্গপাণি ৰাজকোঁৱৰ | ৭ |
| বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ, জনসাধাৰণ, চৰকাৰ আৰু গণ সংগঠনৰ দায়িত্ব আৰু ভূমিকা | মিঠু দাস | ১০ |
| ভাৰতীয় আৰ্যভাষাত এভুমুকি ঃ অসমীয়া ভাষাৰ উদ্ভৱ | লক্ষ্যজ্যোতি ফুকন | ১২ |
| অসমীয়া ৰামায়ণী সাহিত্যত আদি কবি মাধৱ কন্দলি | শ্যামলী চুতীয়া | ১৪ |
| বৈজ্ঞানিক যুগত দৰ্শনৰ প্ৰয়োজনীয়তা | লক্ষ্মী ছেত্ৰী | ১৭ |
| অপৰাধী কোন? | ৰিণ্টু চেতিয়া | ১৮ |
| অভিমন্যু | প্ৰদীপ বড়া | ২১ |
| ৰাখী বন্ধন | পল্লৱ শৰ্মা | ২৪ |
| অশৰীৰী অস্তিত্ব | বেঞ্জামিনা বুঢ়াগোহাঁই | ২৬ |
| ৰত্ন মাষ্টৰৰ খং | মানসপ্ৰতীম চুতীয়া | ২৮ |
| নীৰৱ আৰণ্যিকা | সন্ধ্যা চেতিয়া | ৩০ |
| অংকৰ যাদুকৰ শ্ৰীনিবাস ৰামানুজৰ আয়েংগাৰ | নিলোৎপল দাস | ৩৩ |
| গঙা চিলনীৰ পাখিত গাঁথি দিলোঁ ... | কুমাৰ প্ৰদীপ | ৩৪ |
| কানৈয়ানৰ ডাকত এটি প্ৰেমৰ অনুভৱ | সৌৰভজ্যোতি গগৈ | ৩৬ |
| সূৰ্যাস্ত | মাইনুল হুছেইন | ৩৭ |
| তুমি আহিবাচোন এবাৰ, জোনাকৰ স্বৰলিপি | দিপশিখা কটকী, পলাশজ্যোতি শৰ্মা | ৩৯ |
| বিষাদ, চিগাৰেট | যোগানন্দ বৰগোহাঁই, পলাশজ্যোতি শৰ্মা | ৪০ |
| বৰ্ষামুখৰ ৰাতি, স্মৃতি, বৰ্তমান নে স্মৃতি | কৰবী গগৈ, পপী দুৰৰা, পলাশজ্যোতি শৰ্মা | ৪১ |
| হিয়াৰ উত্তপ্ত জুই, সপোন | জিতু গগৈ, অৰ্পণা গগৈ | ৪২ |
| তুমিআহিবা হৃদয়লৈ | প্ৰদীপ বড়া | ৪৩ |
| নতুনৰ আহ্বান, সন্মতি দিব নোৱাৰিলোঁ | স্বৰ্ণমণি দিহিঙীয়া, তিলক ডেকা | ৪৪ |
| যোৱা ৰাতি বৰষুণৰ কবিতা | ৰিণ্টু চেতিয়া, স্বৰ্ণমণি দিহিঙীয়া | ৪৫ |
| Narasima as depicted in the Bhagavata Pyrana | Kalyani Das | ৪৬ |
| Johan Donne as a 17th Century Poet | Palashjyoti Sarmah & Souravjyoti Borah | ৪৯ |
| Concept of Maya of Samkaracharya | Dreamsea Das | ৫২ |
| Singing the 'Other' : Langston Hughes as the Representative African-American Poet | Jabeen Yasmeen, Samprity Borpujari | ৫৬ |
| Marriage and its significance | Urbashi Kachari | ৬০ |
| Human mind acquaited in creativy and Science | Runjan Dutta | ৬৬ |
| NCC - Preparing youth for the future | Papu Thakur | ৬৮ |
| The Ozone Layer Depletion | Biraj Bhattacharjee | ৬৯ |
| Awarness of AIDS control and Sexual behaviour of Youth in Assam Atate | Nabanita Dey | ৭২ |
| Constitutional Provision of S.C. and S.T. with Regarding to the Special Problems | Monalisha Gogoi | ৭৪ |
| Health | Souravjyoti Neog | ৭৭ |
| Detergents & Soaps | Eramoni Saikia | ৭৯ |
| India of my dream | Sanjib Das | ৮২ |
| Love only needs an open heart | Winkle Narzary | ৮৪ |
| Positive Thinking | Sumit Thapa | ৮৬ |
| Never so wrong, Memories | Pranab Hazarika, Jai Prakash Das | ৮৭ |
| Her Thought | Rimpu Gogoi | ৮৮ |
| What is love, My Dream | Minalisha Borthakur, | ৮৯ |





# সম্পাদকৰ একলম


মহাবিদ্যালয় একোখনি একোজন বিদ্যাৰ্থীৰ তিতিক্ষাৰূপী এজোপা বিশাল বটবৃক্ষ; যাৰ ছাঁয়াই যুগে যুগে কঢ়িয়াই আনিছে সাধনাৰ অবিৰত যাত্ৰা। জ্ঞান-বিজ্ঞানৰ নৱতম মালিতা গভীৰ আন্ধাৰ ভেদি হৃদয়ত নৱতম আলোকৰ সম্ভেদ দিয়া শ্ৰদ্ধাৰ মহাবিদ্যালয়খনিলে প্ৰথমেই জনাইছোঁ মোৰ শ্ৰদ্ধেয় প্ৰণিপাত। উজনি অসমৰ প্ৰসিদ্ধ চহৰ ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় অসমৰ ৰাজনৈতিক, সামাজিক সাংস্কৃতিক তথা শিক্ষাৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। স্বনামধন্য কবি সাহিত্যিক কঠিয়াতলী হিচাপে এই মহাবিদ্যালয়খনি গৌৰবান্বিত।

এজন ইংৰাজ সাহিত্যিকে মন্তব্য কৰিছিল যে "" যেনেকৈ দাপোনৰ আগত বৈ দিলে নিজৰ প্ৰতিবিম্ব দেখা যায়। ঠিক সেইদৰে সাহিত্য চৰ্চা কৰিলে সমাজ এখনৰ সামাজিক জীৱনৰ আভাস পোৱা যায়। আলোচনী হৈছে সাহিত্য চৰ্চা কৰাৰ এক মাধ্যম। এখন মহাবিদ্যালয়ৰ দাপোন হৈছে ইয়াত প্ৰকাশ পোৱা আলোচনীখন য'ত প্ৰতিফলিত হয় সেই মহাবিদ্যালয় সংস্কৃতি, শিক্ষা ব্যৱস্থা আৰু ঐতিহ্য আৰু লগতে প্ৰকাশ পায় ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ ৰূপত লুকাই থকা সুপ্ত প্ৰতিভা আৰু তেওঁলোকৰ সামাজিক দিশত থকা কিছুমান দায়িত্ব আৰু বহুত ধৰণৰ কথা ডাঙি ধৰিব পৰা থল হৈছে মহাবিদ্যালয়ৰ আলোচনীখন।

আলোচনী এখনৰ বাবে সম্পাদকীয় শিতান এটা আৱশ্যকীয় গতানুগতিক ধাৰা।

আনহাতে ইয়াক আলোচনীখনৰ অভিন্ন অংশ বুলিও ধৰা হয়। কানৈ কলেজৰ দৰে এক ঐতিহাসিক মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰৰ সম্পাদক হ'বলৈ পায় মই গৌৰান্বিত। সেই গতিকে এই মহাবিদ্যালয়খনৰ বাৰ্ষিক মুখপত্ৰত মই সম্পাদকৰ কলমত অন্যান্য উল্লেখিত কথাত আলোকপাত কৰিবলৈ চেষ্টা কৰিছোঁ। ভুল হ'লে নিশ্চয় ক্ষমাৰ যোগ্য।

সাহিত্য সৃষ্টি সাধাৰণ কথা নহয়, ই সাধনাৰ ফল। সাধনাৰ আবিহনে সাহিত্য সৃষ্টি অসম্ভৱ। কথাতে কয়, "জুইশালত দিলেহে কমাৰশালত দিব পাৰি।" এজন মানুহক সু-সাহিত্যিক বা এজন সু-নাগৰিক হিচাপে গঢ়াত শিক্ষাগুৰুসকলে প্ৰধান অৰিহণা যোগায়। কিন্তু এই শিক্ষা কেৱল উন্নতিৰ শিখৰলৈ যোৱাৰ জখলা মাত্ৰ হ'লে নহয় বৰঞ্চ ই হ'ব লাগিব মন, বিদ্যা, চিন্তা বুদ্ধি আৰু অনুভূতিৰ নিয়ন্ত্ৰণ আৰু পৰিচালনা কৰাৰ আধাৰ তদুপৰি শিক্ষা মানে ডাঙৰ ডাঙৰ শব্দ লিখিব পৰাটোৱেই নহয়। এজন মানুহে নিজকে শিক্ষিত বুলি চিনাকি দিবলৈ হ'লে প্ৰথমে নিজৰ ব্যক্তিত্ব আৰু স্থিতি সম্পৰ্কে স্বজ্ঞান কৰি সমাজৰ উন্নতিৰ বাবে নিজকে সদায় প্ৰস্তুত ৰাখিব লাগিব কিন্তু বৰ্তমান ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকলৰ মাজত যি আন্তৰিক সম্বন্ধ সেই সম্বন্ধ একেবাৰে নোহোৱা হৈ পৰিছে। সেয়ে শিক্ষা গুৰুসকলে ইয়াৰ কেৰোণ ক'ত সেয়া চিন্তা কৰি ছোৱাৰ সময় আহি পৰিছে। অন্যথা ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলে এচিৰেই এক ভয়ঙ্কৰ বিপদৰ সন্মুখীন হ'ব লগাত পৰিব আৰু দেশৰ কৰ্ণধাৰ স্বৰূপ এই ছাত্ৰ সমাজে নিজৰ লগতে সমগ্ৰ দেশখনকে এক অন্ধকাৰ গহ্বৰলৈ ঠেলি নিব। সেয়ে আমি ছাত্ৰ সমাজ, অভিভাৱকসকল, শিক্ষাগুৰুসকল তথা প্ৰতিজন সচেতন নাগৰিকে ইয়াৰ সমাধানৰ পথ উলিয়াবলৈ অনতিপলমে চেষ্টা কৰা উচিত।



কানৈ মহাবিদ্যালয়ৰ আলোচনী বিভাগৰ সম্পাদক হিচাপে নিজকে চিনাকি দিবলৈ পাই মনে মনে গৌৰৱ অনুভৱ কৰিছিলোঁ আৰু মনতে স্থিৰ কৰিলোঁ যে এই বাৰ্ষিক মুখপত্ৰখনি অতি যত্নৰে গঢ়ি তুলিম আৰু বহুতো পৰিকল্পনা লৈ আলোচনীৰ কাম আৰম্ভ কৰিলোঁ। এই গধুৰ দায়িত্ব সুচাৰুৰূপে চলাবৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ছাৰলৈ আৰু সমূহ শিক্ষাগুৰু, ছাত্ৰ একতা সভাৰ প্ৰত্যেক গৰাকী সদস্য/সদস্যালৈ তেওঁলোকৰ সহায়ৰ বাবে মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত আলোচনীখনত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰি ইয়াৰ উন্নতিৰ কামনাৰে মোৰ সম্পাদকীয় এইখিনিতে সামৰিছোঁ।



# হিংসা আৰু অহিংসা এক তুলনামূলক বিশ্লেষণ

**সাৰংগপাণি ৰাজকোঁৱৰ**
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ।

**পটভূমি ঃ**

মানুহে সমাজপাতি বসবাস কৰিবলৈ লোৱাৰ লগে লগে মানৱ জাতিৰ স্বাৰ্থত কিছুমান ৰীতি-নীতি, কৰণীয়-অকৰণীয়, ভাল-বেয়া, বিচাৰ-বিবেচনা ইত্যাদিবোৰ স্বয়ংভাৱে আহি পৰিল। প্ৰাণীশ্ৰেষ্ঠ মানুহে প্ৰাপ্যবস্তু আদায়ৰ বাবে বিভিন্ন পন্থা অৱলম্বন কৰিব ধৰিলে। মানৱৰ ইন্দ্ৰিয় সমূহৰ ত্ৰুটিহীন বিচাৰ-বিবেচনাই মানুহক এফালে উচ্চৰ পৰা উচ্চলৈ, আনহাতেদি তললৈ অৱৰোহণ কৰালে। হিংসা আৰু অহিংসা একেটা মুদ্ৰাৰ দুপিঠি। এই হিংসা আৰু অহিংসাৰ সৃষ্টি হয় ইন্দ্ৰিয়সমূহৰ লগতে অনুভূতি সমূহৰ পৰিপক্কতাৰ ওপৰত। যিহেতু, হিংসা আৰু অহিংসাক বাদ দি কোনো জীৱই উন্নতি লাভ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে, সৃষ্টিৰ অনাদিকালৰ পৰাই এবিধ জীৱই আন এবিধ জীৱক ভক্ষণ কৰি জীয়াই আছে এনে নহয়, দ্বিতীয় বিধৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই আছে। কিন্তু জীৱ জগতৰ এই ৰহস্যক হিংসাৰ নাম দিব নোৱাৰি। এক অৰ্থত সভ্য মানৱে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় চাহিদাখিনি পূৰাবৰ বাবে যেতিয়াই স্বভাৱগত ইন্দ্ৰিয় আৰু অনুভূতিসমূহক একাষৰীয়া কৰি নিজ স্বাৰ্থ পূৰণৰ হাবিয়াস কৰে তেতিয়াই হিংসাৰ সূত্ৰপাত ঘটে। আনহাতে ইয়াৰ বিপৰীত অৰ্থটোকে অহিংসা বুলি কোৱা হয়। অৰ্থাৎ যিবিলাক সভ্য মানৱে জীৱনৰ প্ৰয়োজনীয় চাহিদাখিনি পূৰাবৰ বাবে নিজৰ স্বভাৱগত ইন্দ্ৰিয় আৰু অনুভূতিসমূহক বিচাৰ বুদ্ধিৰে খটাবলৈ লয় তেতিয়াই অহিংসাৰ সূত্ৰপাত হয়।

প্ৰত্যেকজন মানুহৰ অন্তৰত কিছুমান প্ৰবৃত্তি লুকাই থাকে। ইয়াৰে কিছুমান হয়তো ভাল প্ৰবৃত্তি আৰু কিছুমান হয়তো বেয়া প্ৰবৃত্তি। এতিয়া যিজন মানুহে নিজৰ সজ প্ৰবৃত্তিবোৰক জাগ্ৰত কৰি অসজ বৃত্তিবোৰক দমন কৰিব পাৰে তেঁৱে অহিংসাৰ এগৰাকী পূজাৰী হব পাৰে। আনহাতে, যিজনে নিজৰ সজ বৃত্তিবোৰক জগাই তুলিব নোৱাৰি ধ্বংসকামী হয় তেওঁ এগৰাকী হিংসাকুৰীয়া লোক হৈ পৰে।

**বিৱৰণ ঃ**

মহান শান্তিৰ দূত যীশুখ্ৰীষ্ট তথা গৌতম বুদ্ধৰ মতে - "অহিংসা পৰম ধৰ্ম"। আনহাতে জাতিৰ পিতা মহাত্মা গান্ধীৰ মতেও "অহিংসাই পৰম ধৰ্ম"। এই বাক্যশাৰীত বহুতো অন্তৰ্নিহিত তত্ত্ব সোমাই আছে। কিয়নো, এই অহিংসা শব্দটো ইমান শক্তিশালী যে ই এজন অশুদ্ধ মানুহৰ অন্তৰো নিকা কৰি পেলাব পাৰে। উদাহৰণস্বৰূপে, মহাত্মা গান্ধীয়ে যেতিয়া অসৎ সংগত পৰি বিভিন্ন ধৰণৰ কু-কৰ্মত লিপ্ত হৈছিল অৰ্থাৎ চিগাৰেট, মাছ-মাংস আৰু মদ্যপান কৰিছিল তেতিয়া তেওঁ অনুতাপ কৰিছিল যে তেওঁলোকৰ ৰীতিৰ মাজত এই কাৰ্যবিলাক কৰাৰ কোনো নিয়ম নাই। তেওঁ যে ভুল কৰিছিল সেয়া মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। কিন্তু বহুদিনলৈকে এই কথা পিতৃ-মাতৃক অৱগত কৰিব পৰা নাছিল। কিন্তু যেতিয়া কোনো লোকে জানি-বুজি ভুল কৰে তেতিয়া তেওঁৰ আত্মাক বাৰে বাৰে কৈ থাকে যে তেওঁ সঁচাকৈয়ে কিবা ভুল কৰিছে। মহাত্মা গান্ধীৰ ক্ষেত্ৰতো সেয়াই হ'ল। তেখেতে আৰু নিজৰ ভুল বুজি পালে, হ'লেও তেখেতে পিতাকক

পোনপটীয়াকৈ কবলৈ সংকোচবোধ কৰিলে আৰু সেয়ে তেওঁ চিঠি এখনত সকলো কথা আদিৰ পৰা অন্তলৈকে লিখি পিতাকক দেখুৱালে। পিতাকে যেতিয়া গান্ধীজীক গালি নেপাৰি বুজালে যে যিবিলাক কাৰ্য মানুহৰ ৰীতিৰ ভিতৰত নহয় সেইবিলাক কাৰ্য কৰি নিজে মনোকষ্ট পোৱাতকৈ নকৰাই ভাল। কিয়নো এনে কাম কৰিলে হয়তো পৰিয়ালে তেওঁক ঘৃণা কৰিব, হয়তো কেতিয়াবা তেওঁ ইয়াতকৈ অধিক গুৰুতৰ শাস্তিৰ পাত্ৰ হৈ পৰিব পাৰে। গতিকে সদায় নিজৰ মনক দমন কৰি খোজ দিব লাগে। এই ঘটনাটোৰ পিছৰ পৰাই মহাত্মা গান্ধীয়ে অহিংসাৰ পথত খোজ দিবলৈ ধৰিলে। ইয়াৰ পৰাই বুজিব পাৰি যে অহিংসাই কিদৰে মানুহৰ অন্তৰ নিকা কৰি পেলাব পাৰে। মহাত্মা গান্ধীয়ে নিজা ৰাজনৈতিক জীৱনতো বহুতো হিংসাত্মক কাৰ্য দেখিবলৈ পাইছিল। ব্ৰিটিছৰ শাসনকালত মহাত্মা গান্ধীয়ে তেওঁলোকৰ বিৰুদ্ধে অসহযোগ আন্দোলন চলাইছিল। তেখেতে এই আন্দোলনৰ যোগেদি ব্ৰিটিছৰ বিভিন্ন কুটাঘাতমূলক কাৰ্য, বিভিন্ন দাবী আদিৰ প্ৰতি বিৰোধিতা কৰিছিল। গান্ধীজীয়ে ব্ৰিটিছে শাসন কৰাৰ সময়ত জাৰি কৰা বিভিন্ন কাৰ্যবিলাক বৰ্জন কৰিবলৈ লৈছিল আৰু দেশ তথা জাতিৰ হকে বিভিন্ন উন্নয়নমূলক কাম কৰিবলৈ মন মেলিছিল। অহিংসাই যে পৰম ধৰ্ম এই কথা গান্ধীজীয়ে সত্য বুলি প্ৰমাণিত কৰিবলৈ আৰু বহুতো আন্দোলন চলাইছিল। অহিংসাইযে সকলোতকৈ শ্ৰেষ্ঠ তাক প্ৰমাণ কৰিবলৈ আনকি অনশন আন্দোলনো চলাইছিল। এই আন্দোলনবিলাকৰ ভিতৰত স্বায়ত্ত আন্দোলন উল্লেখযোগ্য আছিল। ১৯১৪ চনত সুদীৰ্ঘ ২০ বছৰ কাল আফ্ৰিকাত কটোৱাৰ পাছত মহাত্মা গান্ধীয়ে যেতিয়া স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে সেই সময়ত অহিংস নীতিৰ কথা গোটেই ভাৰতত বিয়পি পৰিছিল। ১৯১৪ চনত প্ৰথম বিশ্বযুদ্ধ আৰম্ভ হ'ল। সেই সময়ত ব্ৰিটিছ চৰকাৰে ভাৰতক এইবুলি প্ৰতিশ্ৰুতি দিছিল যে, "যদি ভাৰতে যুদ্ধত ব্ৰিটিছক সহায় কৰে, তেন্তে ভাৰতক স্বায়ত্ব শাসন দিয়া হব।" যুদ্ধত ভাৰতে ব্ৰিটিছক সহায় কৰিলে কিন্তু ব্ৰিটিছে তেওঁলোকৰ কথা নাৰাখিলে। এনে বিশ্বাসঘাটকতাত মহাত্মা গান্ধীয়ে বৰ দুখ পালে আৰু দেশব্যাপী আন্দোলনৰ আহ্বান জনালে। কৰোহু য়া মৰুহু। গান্ধীজীৰ এই বাণীৰ তৰংগ মালাত ব্ৰিটিছ চৰকাৰৰ সিংহাসন কঁপি উঠিল। তেওঁলোকে ভাৰতক স্বাধীনতা দিবলৈ বাধ্য হ'ল আৰু এইদৰে পুনৰ গান্ধীজীৰ নেতৃত্বত অহিংসাৰ জয় হল।

আনহাতে, ছাত্ৰ জীৱনতো হিংসাৰ বহুল প্ৰভাৱ পৰে। এগৰাকী ছাত্ৰ বা ছাত্ৰীৰ অধ্যয়ন যেতিয়া ভাল হয়, ব্যৱহাৰ পাতিও ভাল হয়, তেতিয়া আন এগৰাকী ছাত্ৰ বা ছাত্ৰী বা সহকৰ্মীয়ে তেওঁলোকক চেৰ পেলাবলৈ নিজৰ ভুলবোৰ শুধৰাবলৈ যত্ন নকৰি বিভিন্ন বেয়া কাম কৰি তেওঁলোকৰ মনোযোগ ভাঙিবলৈ চেষ্টা কৰে। উদাহৰণস্বৰূপে আমাৰ দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি শ্ৰী ওঃ আব্দুল কালাম জয়নাল আবেদীন আব্দুল কালাম যিসময়ত গ্ৰাউণ্ড ইকুইপমেন্ট মেচিন (J. E. M.) প্ৰতিষ্ঠানটোৰ প্ৰজেক্ট এটাত নিযুক্ত আছিল তেতিয়া সেই সময়ৰ প্ৰতিৰক্ষা মন্ত্ৰী ভি. কে. কৃষ্ণমেনন আৰু সহকৰ্মীসকলে (J. E. M.) ৰ ওপৰত কৰা পৰীক্ষা-নিৰীক্ষাত সন্তুষ্ট নহৈ গাঁৱলীয়া ভূত বুলি তেওঁলোকক ইতিকিং কৰিছিল। কিন্তু শেষত সত্যৰূপী অহিংসাৰ জয় হল। সেই প্ৰজেক্টত তেওঁ সফলতা লাভ কৰিলে। তেওঁ ভাৰতৰ মিছাইল মানৱ ৰূপে আখ্যা পোৱাৰ লগতে এখন দেশৰ ৰাষ্ট্ৰপতিৰ দৰে এটা মহান পদৰ অধিকাৰী হ'ল।

সাম্প্ৰদায়িকতা হিংসাৰ অন্য এটি ৰূপ। পুৰণি কালৰ পৰাই সাম্প্ৰদায়িকতাৰ ভিত্তিত বিভিন্ন ধৰণৰ কন্দলৰ সৃষ্টি হৈ আহিছে। বিশেষকৈ হিন্দু-মুছলমান, অসমীয়া-বিহাৰী, মুছলমান-শিখসকলৰ লগত হোৱা কন্দল উল্লেখযোগ্য। শেহতীয়াভাৱে অসমীয়া-বিহাৰীৰ মাজত হোৱা কন্দলখনে উভয় ৰাজ্যৰ চৌদিশ কঁপাই তুলিছিল। ৰেলৰে পৰীক্ষাত নিযুক্তিৰ বাবে উভয় ৰাজ্যৰ মাজত কন্দল হৈছিল।

বৰ্তমানে বহুতো সভ্য লোকে কলমক অস্ত্ৰ হিচাপে লৈ অহিংসাৰ সপক্ষে মতপোষণ কৰিছে। কলমেৰে নিজৰ মত সমাজৰ আগত দাঙি ধৰাৰ অন্যতম উপায় হ'ল বাতৰি কাকত। কিয়নো, ইয়াৰ জৰিয়তে বহুতো লোকে চকুৰ আগত দেখি থকা কুটাঘাতমূলক কাৰ্যবিলাক সমাজৰ আগত উপস্থাপন কৰিবলৈ সুবিধা পায়। ফলত নিজকে ভাল দেখুওৱা লোক এজনৰো প্ৰকৃত স্বৰূপ সমাজৰ আগত ওলাই পৰে। ৰাজনৈতিক ক্ষেত্ৰত এইবোৰ নিত্য নৈমাত্তিক ঘটনা। বিশেষকৈ এজনে নিজৰ স্বাৰ্থ পূৰণৰ হকে আন এজনলৈ সমস্যাৰ সৃষ্টি কৰে। ইয়াৰ ফলত আওপকীয়াকৈ জনসাধাৰণৰ বিনাশ হয়। উদাহৰণস্বৰূপে, মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী উমা ভাৰতীৰ ভ্ৰাতৃ কংগ্ৰেছ নেতা। তেখেতে আৰু তেওঁৰ দলে উমা ভাৰতীৰ বিৰুদ্ধে গোচৰ জাৰি কৰিলে যাৰ ফলত উমা ভাৰতীয়ে পদত্যাগ কৰি জেললৈ যাব লগা হৈছিল। উমা ভাৰতীৰ দোষ আছিল নাই কব নোৱাৰি, কিন্তু তেওঁৰ বাবে দল (বিজেপি) তথা মধ্যপ্ৰদেশৰ প্ৰজাই বিভিন্ন সমস্যাৰ সন্মুখীন হবলগীয়া হৈছিল।

আমাৰ পৃথিৱীত হিংসাত্মক কাৰ্যৰ এটি জ্বলন্ত উদাহৰণ হ'ল উগ্ৰপন্থী বা সন্ত্ৰাসবাদীসকল। এই উগ্ৰপন্থীসকলৰ উৎপত্তি প্ৰয়োজনীয় মৌলিক কাৰককেইটাৰ লগতে, নিবনুৱা সমস্যা আদিৰ পৰাই সৃষ্টি হৈছে। আমাৰ সমাজত বহু যুৱক-যুৱতীয়ে উচ্চ শিক্ষিত হৈয়ো বহি থাকিব লগাত পৰিছে। সেয়ে জীৱন নিৰ্বাহৰ বাবে তেওঁলোকে এই পন্থাকে বাছি লৈছে। সন্ত্ৰাসবাদীসকলে পৃথিৱীলৈ বিপ্লৱ আনিবলৈ

এনে ধৰণৰ কাৰ্য হাতত লৈছিল। কিন্তু তাৰ ফলত কাৰো একো উপকাৰ হোৱা নাই। বৰঞ্চ ক্ষতিয়েই হৈছে। উদাহৰণ স্বৰূপে আমি নিৰ্ভীক সাংবাদিক স্বৰ্গীয় পৰাগ দাসৰ কথাকে ল'ব পাৰো। যাক কেৱল সত্যনিষ্ঠ বাতৰি পৰিবেশিত কৰাৰ বাবেই ভৰ দুপৰীয়া পুতেকৰ স্কুলৰ অকণমান দূৰৈত কোনোবা আততায়ীয়ে গুলীবিদ্ধ কৰি পলাই গ'ল। ফলত আমি হেৰুৱালো এজন অহিংসাৰ পূজাৰী, যিজনে সদায় অহিংসাৰ বাটেদি খোজ দিছিল। এই ঘটনাৰ পিছত উগ্ৰপন্থীসকলৰ দপদপনি বাঢ়িবলৈ ধৰিলে। বছৰৰ প্ৰত্যেকটো মাহতে তেওঁলোকে এটা নতুন কুটাঘাতমূলক কাৰ্য কৰিবলৈ লৈছে। শেহতীয়াভাৱে ১৫/৮/০৪ চনত ধেমাজীত সংঘটিত বোমা বিস্ফোৰণে বহুতো ফুলকুমলীয়া শিশু আৰু কিশোৰ-কিশোৰীৰ জীৱন কাঢ়ি লৈছিল। ইয়াৰোপৰি সন্ত্ৰাসবাদীসকলে আৰু বহুতো বৃহৎ ধ্বংসাত্মক কাৰ্য কৰিছে আৰু কৰিব। উদাহৰণ স্বৰূপে পৃথিৱীৰ সকলো দিশতে আগবঢ়া আমেৰিকাৰ গৌৰৱ ৱৰ্ল্ড ট্ৰেড চেণ্টাৰৰ লগতে ৱাশ্বিংটনৰ আক্ৰমনটো সন্ত্ৰাসবাদীৰ হাত আছিল। এই ঘটনাৰ অন্যতম নায়ক হ'ল ওছামা বিন লাডেন। ৱাশ্বিংটনৰ দৃষ্টিত এক দৈত্য স্বৰূপ হোৱাইট হাউছৰ দৃষ্টিত ওছামা বিন লাডেনেই সকলো সন্ত্ৰাসৰ মূল। উদাসীন চকুযুৰিৰে ৫৮ বছৰ গৰকা লাডেনৰ দেহত এতিয়াই পৰিছে বাৰ্ধক্যৰ ছাপ। তথাপিও তেওঁ অৱধাৰিতভাৱে চলাই আছে সন্ত্ৰাসবাদৰ জঘন্য ক্ৰিয়াকলাপ। লাডেন মানেই হ'ল যেন মৃত্যুৰ ফৰিস্তা। অথচ কি নাই লাডেনৰ। অকল লাডেনেই সম্প্ৰতি ৩০০ মিলিয়ন ডলাৰৰ গৰাকী। প্ৰাচ্য পাশ্চাত্যত আছে অৰ্থ উপাৰ্জনৰ অনেক ৰাস্তা। ছুইচ বেংকত বিপুল টকা, ছুইজাৰলেণ্ডত আছে নিৰ্মাণ ব্যৱসায়। পিতৃ মহম্মদ বিন লাডেনো আছিল অন্যতম ধনকুবেৰ। ধনকুবেৰৰ পুত্ৰ লাডেন সন্ত্ৰাসবাদী হোৱাৰ কোনো কাৰণ নাছিল। আমেৰিকাৰ ঘোৰ শত্ৰু লাডেন এটা সময়ত আমেৰিকাৰ মালিক আছিল। ৰিচাৰ্ড নিক্সনৰ সময়ত লাডেনৰ পৰিচয় হৈছিল সন্ত্ৰাসবাদৰ জগতখনৰ সৈতে। আমেৰিকা আৰু লাডেনৰ মাজত পোনপ্ৰথমে গভীৰ বন্ধুত্ব আছিল কিন্তু পিছলৈ এই বন্ধুত্বই শত্ৰুতাৰ ৰূপ লৈছিল। ইয়াৰ কাৰণ আছিল আমেৰিকাই অবিভাজিত ৰুছক আফগানিস্থানৰ কব্জাৰ পৰা উদ্ধাৰ কৰিব বিচাৰিছিল। যেতিয়া ৰুছৰ সৈন্য আফগানিস্থানৰ পৰা ঘূৰি আহিল, তেতিয়া জালালবাদ চহৰত লাডেনে নিজৰ খোপনি পুতি লয়। এই কথা আমেৰিকাই মানি ল'ব খোজা নাছিল। আৰু ইয়াৰ পৰাই দুয়োপক্ষৰ মাজত কন্দলৰ সৃষ্টি হৈছিল। কিন্তু ইয়াৰপৰা লাডেন বা আমেৰিকাৰ একো লাভ নহ'ল, নিৰীহ হাজাৰ হাজাৰ লোকৰ মৃত্যু হ'ল। গতিকে ক'ব পাৰি যে হিংসাই কেৱল ধ্বংসহে আনে। হিংসাৰ বাবে মানুহে ভগৱানস্বৰূপ মানুহকো মাৰি পেলাব পাৰে। মহান শান্তিৰ দূত যীশুখ্ৰীষ্টই খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰাটো ইহুদীসকলে সমূলি ভাল নেপাইছিল। সেইবাবে তেওঁলোকে যীশুৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি ৰাইজক অবাটে নিবলৈ যত্ন কৰিছে বুলি মিছা অভিযোগ আনি বিচাৰ কৰিলে। বিচাৰত তেওঁক মৃত্যুদণ্ডৰ আদেশ দিয়া হ'ল আৰু সেইমতে তেওঁক ক্ৰুছবিদ্ধ কৰি হত্যা কৰা হ'ল। যীশুখীষ্ট আজি আমাৰ মাজত নাই, কিন্তু তেওঁৰ অমৰবাণীয়ে চিৰদিন জনসাধাৰণক প্ৰেৰণা জগাই থাকিব। গতিকে আমি ক'ব পাৰো যে হিংসাৰে কেতিয়াও আদৰ্শক হত্যা কৰিব নোৱাৰি।

**সমালোচনা ঃ**

হিংসাই কেতিয়াও সমাজৰ উন্নতি সাধন কৰিব নোৱাৰে। কিয়নো হিংসাই কেৱল অপকাৰ কৰে। এনে হিংসাৰ কাৰ্য চাৰিওফালে বিয়পোৱাত আওপকীয়াকৈ হ'লেও চৰকাৰেই জগৰীয়া। কিয়নো, চৰকাৰে যদি সন্ত্ৰাসবাদীসকলৰ লগত কথা-বাৰ্তা পাতে, অৰ্থাৎ তেওঁলোকে কি আনিব বিচাৰিছে, তেওঁলোকে কি ক'ব খুজিছে সেয়া বিশ্লেষণ কৰে, তেতিয়া অলপ হ'লেও দেশত শান্তি বিৰাজমান হ'ব। কিন্তু চৰকাৰৰ এইফাললৈ কাণসাৰেই নাই। তেওঁলোকে কেৱল জগৰীয়া কৰিবলৈহে জানে। গতিকে, পৃথিৱীৰ পৰা সন্ত্ৰাস নিৰ্মূল কৰিবলৈ পোনপ্ৰথমে চৰকাৰৰ কৰ্তব্য প্ৰধান। গতিকে চৰকাৰে নিজৰ কৰ্তব্য পালন কৰিব লাগিব। আনহাতে অহিংসাৰ জৰিয়তে উন্নতি সাধন কৰিব পাৰি। অহিংসাই সদায় সকলোৰে উপকাৰ কৰে। কিন্তু বহুতো স্বাৰ্থপৰ লোকে আগৰ পৰা বৰ্তমানলৈকে অহিংসাৰ পথত চলা ব্যক্তিসকলক বিপদত পেলাই আছে আৰু পেলাই থাকিব।

**সামৰণি ঃ**

Force may be used only as a last resort, while justice and reason cannot prevail. অৰ্থাৎ বল বা শক্তিক তেতিয়াহে প্ৰয়োগ কৰিব লাগে যেতিয়া বিচাৰ, বুদ্ধি, যুক্তি কোনোটোৱে হিংসাক বাধা দিব নোৱাৰি। কিন্তু আজিৰ সভ্য মানুহৰ কিমানে সেই কথা মনত ৰাখে।

Tow isn ত এষাৰ কথা আছে যে - "ধ্বংসৰ শেষত সৃষ্টি হ'লেও ধ্বংসই সৃষ্টিক মাতি অনা কথাষাৰ সত্য নহয়। হিংসাই মানুহৰ মনত তেতিয়াই স্থান লয় যেতিয়াই সহজাত প্ৰবৃত্তিসমূহৰ বিলুপ্তি ঘটে। অহিংসাৰে যিটো পোৱা যায় সেয়া ধৈৰ্য্য, নিষ্ঠা, সততা আদিৰ মাজেদিহে সম্ভৱ হয়। অহিংসাৰ ফলাফল সদায় পলমকৈ পোৱা যায় যদিও স্থায়ী হয়। আনহাতে হিংসাৰ জৰিয়তে আহৰণ কৰা প্ৰতিটো কথাই খৰতকীয়া হ'লেও স্থায়ী নহয়। অবিবেচনা, আবেগ, প্ৰতিহিংসা। ক্ৰূৰতা বা নৃশংসতা হিংসাৰ দাস।

সেয়ে ক'ব পাৰি যে কোনো কালতেই , কোনো মূল্যতেই হিংসাৰ অস্ত্ৰপাত অহিংসাৰ অস্ত্ৰপাততকৈ শক্তিশালী নহয়।■



# বৰ্তমান শিক্ষা ব্যৱস্থাত ছাত্ৰ, জনসাধাৰণ, চৰকাৰৰ আৰু গণ সংগঠনৰ দায়িত্ব আৰু ভূমিকা

মিঠুন দাস
স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ।

বৰ্তমান অসম বুলি ক'লে সাধাৰণতে বিভিন্ন সমস্যাই অক্টোপাছৰ দৰে চাৰিওফালে আৱৰি ৰখা দৃশ্য এটা আমাৰ মনলৈ আহে আৰু এই সমস্যাসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰিলে আমাৰ দৃশ্যপটত বৰ্তমান অসমৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটো এক ভাবিব নোৱৰা ডাঠ কুঁৱলিয়ে আৱৰি থকা দেখা পাওঁ। সমাজ এখন উন্নতিৰ জখলাত আগবাঢ়ি যাবৰ বাবে সমাজখন সু-শিক্ষাৰে শিক্ষিত হ'ব লাগিব; সু-শিক্ষাৰ অবিহনে এখন সমৃদ্ধিশালী উন্নত সমাজৰ আশা কৰিব নোৱাৰি। মানৱ সম্পদ বুলি ক'লে সাধাৰণতে ছাত্ৰ সমাজৰ কথাই বুজায়, কাৰণ আজিৰ ছাত্ৰ কাইলৈ দেশৰ এজন সু-নাগৰিক তথা দেশৰ ভৱিষ্যত। এই ছাত্ৰ সকলৰ মাজৰ পৰাই ওলাব বা আমি গঢ়ি তুলিব লাগিব সুদক্ষ ৰাজনীতিজ্ঞ, প্ৰশাসক, ন্যায়বান বিচাৰক, আদৰ্শ শিক্ষক, বিশিষ্ট সমাজসেৱক আদি। গতিকে বৰ্তমান ছাত্ৰ অৱস্থাত থকা দেশৰ এই ভৱিষ্যতৰ নাগৰিকসকলক উপযুক্ত অৱস্থালৈ উত্তৰণ ঘটাবৰ বাবে যথাসময়ত সুস্থ পৰিবেশত সু-শিক্ষা প্ৰদান কৰিব লাগিব। শিক্ষা যদি মানৱ সম্পদ গঢ়ি তোলাৰ মূল উপাদান তথা মাপকাঠি হয় তেন্তে বিভিন্ন ধৰণৰ দল, সংগঠন, সাহিত্য সংগঠন, ছাত্ৰ সংগঠন, N.G.O., বিদ্বান পণ্ডিত, বিশেষজ্ঞ আদিৰ নেতা সকলে বিষয়টো ভালদৰে বিশ্লেষণ কৰি সঠিক শিক্ষা প্ৰসাৰৰ বাবে আৰু নতুন প্ৰজন্মক তেওঁলোকৰ সুপ্ত হৈ থকা প্ৰতিভা বিকাশৰ বাবে উৎকৃষ্ট মানৰ শিক্ষা সুনিশ্চিত কৰি পুনঃ সংস্কাৰ নকৰে কিয়? কিন্তু এটা কথা ঠিক যদি সৰ্বসাধাৰণ খাটি খোৱা ৰাইজৰ সংখ্যাগৰিষ্ঠই নৈতিক, আধ্যাত্মিক আদি সকলো ফালৰ পৰা শিক্ষিত হৈ উঠে, তেন্তে এইসকল বিদ্বান লোকৰ সান্দহ খোৱা বাতি তল যাব আৰু শোষক শ্ৰেণীৰ তীব্ৰতাই ম্লান হৈ পৰিব। বৰ্তমান যিটো শিক্ষা ব্যৱস্থা এই ব্যৱস্থাই গ্ৰাম্য শ্ৰমজীৱি ছাত্ৰবোৰক প্ৰাপ্যৰ সম-মৰ্যাদাৰে চহৰৰ ছাত্ৰ এজনৰ তুলনাত নগণ্য কৰি তুলিছে আৰু এই ব্যৱস্থাই সৰ্বসাধাৰণ খাটি খোৱা ৰাইজৰ প্ৰতি চৰকাৰৰ অৱহেলিত দৃষ্টিভংগীকে উদঙাই তুলিছে। আমি যদি এই গোটেই প্ৰক্ৰিয়াটো ভালদৰে পৰ্যালোচনা কৰি চাওঁ তেতিয়া দেখিম যে, বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশত চহৰৰ উন্নত স্কুল-কলেজবোৰত ছাত্ৰ-ছাত্ৰীসকলক কম্পিউটাৰ তথা ইন্টাৰনেটৰ দ্বাৰা শিক্ষা প্ৰদান কৰা সময়ত গ্ৰাম্য স্কুল-বিদ্যালয়ত সুস্পষ্টকৈ শ্ৰেণীকোঠা নথকা বেঞ্চ-ডেস্কৰ অভাৱ, এজন শিক্ষককেই প্ৰধান শিক্ষকৰ কামৰ পৰা আৰম্ভ কৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ কামো কৰিবলগীয়া হোৱা উদাহৰণ আমাৰ মাজত অভাৱ নহয়। চহৰৰ স্কুলবোৰত বিষয় বাদ দি প্ৰতি Chapter ৰ প্ৰতি শিক্ষক থকা অৱস্থাত আজি গ্ৰাম্যস্কুলৰ ছাত্ৰই শিক্ষকৰ অভাৱ বুলি ৰাজপথলৈ ওলাই আহি ৰাষ্ট্ৰৰ দমন নীতিৰ বলি

হৈছে। সেয়েহে বহু সময়ত গ্ৰাম্য সমাজৰ ছাত্ৰ-ছাত্ৰীয়ে উপৰোক্ত কাৰণতেই হওক বা আৰ্থিক দুৰ্বলতাৰ কাৰণেই হওক বা বিদ্যালয়ৰ পাঠদানৰ বেমেজালিতেই হওক অকালতে স্কুল-কলেজ ত্যাগ কৰি সমাজখন ক্ৰমান্বয়ে ঘোৰ আন্ধাৰৰ ফালে ঠেলি নিছে। এইক্ষেত্ৰত আমাৰ দেশৰ বাঘা-বাঘা পণ্ডিত, নেতাৰ ভূমিকা তথা দায়িত্ব অতি প্ৰয়োজনীয়। বৰ্তমান চৰকাৰে কম্পিউটাৰ শিক্ষা সাৰ্বজনীন কৰাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে যদিও তাৰ দ্বাৰা আমাৰ গ্ৰাম্য সমাজৰ ছাত্ৰ-ছাত্ৰী কিমান লাভৱান হৈছে সেইটো আমাৰ বিচাৰ্য বিষয়। বৰ্তমান চৰকাৰে কম্পিউটাৰ শিক্ষা প্ৰসাৰৰ বাবে বিভিন্ন পন্থা গ্ৰহণ কৰিছে; তাৰ ভিতৰত ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনি, আনন্দৰাম বৰুৱা পুৰস্কাৰ (১ম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ সকলৰ বাবে) আদি বিশেষভাৱে উল্লেখযোগ্য। কিন্তু এইবোৰ আঁচনিৰ পৰা আমাৰ লাভৰ পৰিমাণ কিমান সেইটো আমাৰ অতি গুৰুত্বপূৰ্ণ বিষয়, কাৰণ বৰ্তমান প্ৰায়বোৰ গ্ৰাম্য বিদ্যালয়ত উপযুক্ত পৰিমাণৰ শিক্ষকৰ অভাৱ হোৱাৰ বাবে ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনিৰ বাবে যি দুজনকৈ কম্পিউটাৰ শিক্ষক নিযুক্তি দিছিল তেওঁলোকেও কম্পিউটাৰ শিক্ষাৰ সলনি বিদ্যালয়ৰ পাঠ্যক্ৰমৰ ভিতৰৰ কিতাপ পঢ়ুৱাবলগীয়া হৈছে। এনেকুৱা বিভিন্ন ধৰণৰ সমস্যাৰ বশৱৰ্তী হৈ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ শিক্ষা আধৰুৱা কৰি পুনৰ বিভ্ৰান্ত গণতান্ত্ৰিক নিয়মৰ বশ্যতা স্বীকাৰ কৰি সমাজৰ দুৰ্নীতি লুণ্ঠন আদি অটুট ৰাখিবলৈ দীৰ্ঘদিন ধৰি উপাদান যোগোৱাত বৰ্তি আছে। অসমত এনেকুৱা এটা স্তৰ নাই য'ত দুৰ্নীতিয়ে প্ৰৱেশ কৰা নাই, বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া এই বিভিন্ন ধৰণৰ দুৰ্নীতি, যেনে - নিযুক্তিৰ ক্ষেত্ৰত, নকল কৰি মেট্ৰিক পাছ কৰি টকাৰে চাকৰি কিনি অনভিজ্ঞ বহু শিক্ষকে বিদ্যালয়ত গৈ পাঠদান কৰা। আশ্চৰ্যৰ বিষয়, বহু লাখ লাখ প্ৰাৰ্থীৰ সাক্ষাৎ লোৱাৰ পাছতো অনভিজ্ঞ ধনী ঘৰৰ সকলে নিযুক্তি লাভ কৰাটোৱে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দেখা দিয়া দুৰ্নীতিকে সূচাইছে। প্ৰাক্তন শিক্ষামন্ত্ৰী ৰিপুণ বৰা শিক্ষাৰ ক্ষেত্ৰত থকা দুৰ্নীতিৰ জ্বলন্ত উদাহৰণ। এই সকলোবোৰ সমস্যাৰ মূল হিচাপে দুৰ্নীতিৰ প্ৰকোপ, গণ সংগঠনৰ মতানৈক্য, নৈতিক স্খলন, দায়িত্ববোধহীনতা, বন্ধৰ প্ৰকোপ, সজাগতাহীনতা, আইন-শৃংখলা অৰাজকতা, ব্যক্তিমুখী আইন আদিবোৰকে আঙুলিয়াই দিব পাৰি। গতিকে প্ৰচলিত শিক্ষা ব্যৱস্থাত আমাৰ চকুৰ আগত খেলি থকা এই বিভিন্ন ধৰণৰ সমস্যাবোৰ সমাধানৰ একমাত্ৰ আৰু সঠিক উপায় হ'ল (মই ভাবো) সুস্থ সামাজিক পৰিবেশৰ মাজত আমাৰ সকলো লোককে ৰাজনৈতিকভাৱে সচেতন কৰি তোলা। শেষত ইয়াকে কওঁ, ছাত্ৰ সমাজ যিহেতু সমাজৰ এটা অভিন্ন অংগ গতিকে এই সমস্যাবোৰৰ ওপৰত তেওঁলোকৰ গুৰুত্ব তথা দায়িত্ব অতীব প্ৰয়োজন।■








# ভাৰতীয় আৰ্যভাষাত এভুমুকি অসমীয়া ভাষাৰ উদ্ভৱ



**লক্ষ্যজ্যোতি ফুকন**
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ।

ভাৰতৰ আটাইতকৈ উল্লেখযোগ্য ভাষা পৰিয়ালটোৰ নাম ভাৰতীয় আৰ্যভাষা। ভাৰতীয় আৰ্যভাষাটো ইণ্ডো ইউৰোপীয় ভাষাগোষ্ঠীৰ উল্লেখনীয় এক শাখা। আনুমানিক খৃষ্টপূৰ্ব পঞ্চদশ শতিকাত ইণ্ডো-ইৰাণীয় শাখাৰ এটা দলে ইৰাক, ইৰাণ অতিক্ৰম কৰি আফগানিস্থান, পাকিস্থান, বেলুছিস্থানৰ মাজেদি আহি ভাৰতৰ উত্তৰ-পশ্চিম কোণত অৱতীৰ্ণ হয়হি। ক্ৰমান্বয়ে পঞ্জাব, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা, পশ্চিমবংগ, অসম আদি বিভিন্ন ৰাজ্যত এই ভাষাগোষ্ঠীটোৱে প্ৰসাৰতা লাভ কৰে। ভাৰতীয় আৰ্যভাষা সমগ্ৰ ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ ভিতৰতেই প্ৰাচীনতম ভাষাগোষ্ঠী। এই ভাষাৰ গঠন আৰু ক্ৰমবিকাশৰ ধাৰাৰ ওপৰত ভিত্তি কৰি প্ৰধানকৈ ভাৰতীয় আৰ্যভাষাক তিনিটা স্তৰত বিভক্ত কৰা হৈছে -

ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা (Old Indo Aryan)
খ) মধ্য ভাৰতীয় আৰ্যভাষা (Middle Indo Aryan)
গ) নব্য ভাৰতীয় আৰ্যভাষা (New Indo Aryan)

**ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা ঃ** আৰ্যগোষ্ঠীয় লোকসকলে সৰু সৰু দলত বিভক্ত হৈ ভাৰতত পদাৰ্পণ কৰিছিল। ভাষা সাহিত্যৰ দিশত তেওঁলোকে আগবঢ়া আছিল। ভাৰতীয় আৰ্যভাষাগোষ্ঠীৰ প্ৰথম স্তৰটো খৃষ্টপূৰ্ব পঞ্চদশ শতিকাৰপৰা খৃষ্টপূৰ্ব ষোড়শ শতিকা পৰ্যন্ত পৰিব্যাপ্ত। এই সময়ছোৱাৰ সাহিত্যিক কৰ্মৰাজি হ'ল বৈদিক আৰু সংস্কৃত। বৈদিক সাহিত্যৰাজিৰ ভিতৰত বেদ, উপনিষদ, ব্ৰাহ্মণ আদিয়েই উল্লেখযোগ্য। চাৰিবেদৰ ভিতৰত ঋকবেদেই বৈদিক সাহিত্যৰ ভিতৰত পুৰাতন। বাকী সাম, যজুঃ, অথৰ্ব বেদ ইয়াৰ পৰৱৰ্তী কালৰ ৰচনা। উপনিষদ হ'ল ভাৰতীয় মনীষীৰ আধ্যাত্মিক চিন্তা-অনুভূতিৰ অপূৰ্ব কবিত্বময় ৰূপ। এই ৰচনাৰাজিৰ সাহিত্যিক সৌন্দৰ্য আৰু প্ৰমূল্যৰ উপৰিও আৰ্যভাষাৰ ইতিহাসত ইয়াৰ মূল্য অতুলনীয়। ব্ৰাহ্মণ গ্ৰন্থৰাজিত আছে বিভিন্ন যাগ-যজ্ঞৰ বিৱৰণ আৰু বিস্তৃত ব্যাখ্যা। বৈদিক ৰচনাৰাজিৰ সময়ছোৱাত যি অবৈদিক বা লৌকিক ভাষা প্ৰচলিত হৈ আছিল, পৰৱৰ্তী সময়ছোৱাত সিয়েই পণ্ডিত, বৈয়াকৰণিক পাণিনিৰ হাতত শৃংখলিত ৰূপত 'সংস্কৃত' নামেৰে প্ৰসাৰতা লাভ কৰে।

বৈদিক আৰু সংস্কৃত ভাষাৰ মাজত কিছু ভাষাগত পাৰ্থক্য থাকিলেও দুয়োৰে মাজত কিন্তু পাৰস্পৰিক সম্পৰ্ক অধিক। বৈদিক যুগৰ সাহিত্যৰ লগত সংস্কৃতৰ ধ্বনিগত ঐক্য থাকিলেও ব্যাকৰণগত ব্যৱধান অধিক। বৈদিকত প্ৰয়োগ হোৱা স্বৰৰ প্ৰয়োগ সংস্কৃতত নাই। শব্দৰূপৰ ক্ষেত্ৰতো বৈদিকৰ যি বিচিত্ৰতা আৰু জটিলতা আছে, সংস্কৃতত সেই অনুক্ৰমে কম। ইয়াৰ উপৰিও সমাস, প্ৰত্যয়ৰ প্ৰয়োগতো দুয়োটাৰে মাজত পাৰ্থক্য আছে। বৈদিক সাহিত্যৰ মূল্য যিদৰে অপৰিসীম, ঠিক সেইদৰে সংস্কৃত সাহিত্যৰাজিও কম নহয়। আনুমানিক খৃষ্টপূৰ্ব পঞ্চদশ শতিকাত জন্ম লাভ কৰা পাণিনিয়ে 'অষ্টাধ্যায়ী' নামৰ

ব্যাকৰণ ৰচনাৰ জৰিয়তে সংস্কৃত সাহিত্যৰ ভেটি স্থাপন কৰিছিল। সংস্কৃত ভাষাৰ কাব্য, নাটক, ব্যাকৰণ আদি সাহিত্যৰ সাৰ্বজনীন আবেদনশীল মহান ৰচনাই এই যুগৰ ভাষাক মহিমামণ্ডিত কৰি ৰাখিছে।

**খ) মধ্য ভাৰতীয় আৰ্যভাষা ঃ** ভাৰতীয় আৰ্যভাষাই বৈদিক আৰু সংস্কৃত স্তৰ অতিক্রম কৰি খ্ৰীষ্টিয় যোড়শ শতিকাৰ পৰা এক সৰলীকৰণৰ পথত অগ্রসৰ হয়। সভ্যতা-সংস্কৃতিৰ অগ্রগতিয়ে ভাষা-ৰীতিৰো পৰিৱৰ্তন সূচালে। ভাষাৰ বৈশিষ্ট্যৰ ফালে লক্ষ্য ৰাখি এই স্তৰক মধ্য ভাৰতীয় আৰ্য স্তৰ নামেৰে অভিহিত কৰিব পাৰি। এই স্তৰটোক প্ৰাকৃত ভাষাৰ যুগ বুলিও কোৱা হয়। আৰ্যভাষাত অনেক সাহিত্য কৰ্মৰাজিৰ সৃষ্টি হ'ল আৰু ভাষা ৰীতিৰো বহু পৰিৱৰ্তন ঘটিল। এই সময়ছোৱাত ৰচিত সাহিত্যৰাজিৰ ভিতৰত পালি সাহিত্যৰাজি (বৌদ্ধ ধৰ্ম সাহিত্য), অশোকৰ অনুশাসন, আৰু অন্যান্য প্ৰত্নলেখ উল্লেখযোগ্য। ইয়াৰ উপৰিও বিভিন্ন গীতিকাব্য, নাটক আদিও এই সময়ৰ উল্লেখযোগ্য ৰচনা। অপভ্ৰংশ স্তৰৰ ৰচিত সাহিত্যৰ ভিতৰত নেসিমাহ চৰিউ, কীৰ্ত্তিলতা,কীৰ্ত্তিপতাকা আদি অপভ্ৰংশ সাহিত্য অন্যতম। ইয়াতেই থোৰতে কৈ থোৰাটো ভাল প্ৰাকৃত ভাষাই যি সৰল পৰিণতি লাভ কৰিছিল তাৰ ফলতেই অপভ্ৰংশৰ উদ্ভৱ হৈছিল। এই অপভ্ৰংশৰ ৰূপৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ হৈছে বুলি ক'ব পাৰি। উদাহৰণস্বৰূপে -শৌৰসেনী প্ৰাকৃত > শৌৰসেনী অপভ্ৰংশ (পশ্চিমা সিন্ধি, গুজৰাটী, ৰাজস্থানী), মাগধী প্ৰাকৃত > মাগধী অপভ্ৰংশ (অসমীয়া, বঙলা, উড়িয়া,মৈথিলী, মগহী, ভোজপুৰী), অৰ্ধমাগধী প্ৰাকৃত > অৰ্ধমাগধী অপভ্ৰংশ (পূৰ্ব হিন্দী, পশ্চিম হিন্দী, মধ্য হিন্দী আদি)।

অৱশ্যে শৌৰসেনী অপভ্ৰংশৰ বাহিৰে অন্যান্য অপভ্ৰংশৰ কোনো নিদৰ্শন শুদ্ধ নহয়। সেয়েহে শৌৰসেনী অপভ্ৰংশৰ আদৰ্শতে অন্যান্য প্ৰাকৃতৰো একোটা অপভ্ৰংশৰ স্তৰ কল্পনা কৰিব পাৰি। অৰ্থাৎ শৌৰসেনী অপভ্ৰংশৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহ উদ্ভৱ হৈছে বুলি ক'ব পাৰি। মূলতে অপভ্ৰংশসমূহক দুটা ৰূপত পোৱা যায় - প্ৰাচীন অপভ্ৰংশ আৰু অৰ্বাচীন অপভ্ৰংশ (অৱহট্‌টী)। জনসাধাৰণৰ মুখত প্ৰচলিত প্ৰাকৃতৰ সৰলীকৃত ভাষাক প্ৰাচীন অপভ্ৰংশ বুলি কোৱা হয়। কালক্ৰমত এই ভাষাতেই লোকসাহিত্যৰ সৃষ্টি হৈছিল। আনহাতে নব্য ভাৰতীয় আৰ্যভাষা সমূহৰ উদ্ভৱৰ পূৰ্বতে প্ৰচলিত অপভ্ৰংশৰ সৰল কথিত ৰূপটোক অবচীন অপভ্ৰংশ বোলা হয়। অপ্ৰাচীন অপভ্ৰংশত ৰচিত সাহিত্যৰ ভিতৰত লোকসাহিত্য আৰু বিবিধ দোহা ৰচিত হয়। এইবিলাকৰ ভিতৰত বিদ্যাপতিৰ 'কীৰ্ত্তিলতা' আৰু 'কৃৰ্ত্তিপতাকা', আব্দুল ৰহমানৰ স্পাংন্দেহয় ৰাসঅ (সন্দেশ ৰাসক) কাব্য এক উল্লেখযোগ্য সম্পদ। আনহাতে প্ৰাচীন অপভ্ৰংশত ৰচিত সাহিত্যৰ ভিতৰত বেছিভাগ সাহিত্যই জৈন সম্প্ৰদায়ৰ দ্বাৰা ৰচিত। এই সাহিত্য সম্ভাৰৰ ভিতৰত মহাপুৰাণ, জমহৰচৰিউ, হৰিবংশ পুৰাণ আদি উল্লেখনীয়।

**গ) নব্য ভাৰতীয় আৰ্যভাষা ঃ** ভাৰতীয় আৰ্যভাষাই প্ৰাচীন আৰু মধ্যস্তৰৰ মাজেদি ক্ৰমশঃ সৰলৰ পৰা সৰলতৰ হৈ বিভিন্ন পৰিৱৰ্তনৰ মাজেদি খৃষ্টীয় দশম শতিকাত যি পৰিণতি লাভ কৰিছিল তাৰ ফলতেই ভাৰতৰ বিভিন্ন ঠাইত পঞ্জাৰী, গুজৰাটী, সিন্ধি, ৰাজস্থানী, মাৰাঠী, ভৌজপুৰী, মৈথিলী, উড়িয়া, বাংলা, অসমীয়া আদি আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ হৈছিল। এই ভাষাসমূহে প্ৰকাশ লাভ কৰা সেই সময়ছোৱাক নব্য ভাৰতীয় আৰ্যস্তৰ নামেৰে নামাকৰণ কৰা হয়। এই ভাষাসমূহে সমসাময়িক ভাৱে কালগত আৰু স্থানগত ৰূপান্তৰ লাভ কৰি অবচীন অপভ্ৰংশৰ পৰা বিকাশ লাভ কৰে। এই নব্য ভাৰতীয় আৰ্যভাষাটো বিভিন্ন শাখাত বিভাজন কৰিব পাৰি। সেইকেইটা হ'ল -

ক) উত্তৰ-পশ্চিম শাখা ঃ পশ্চিম-পঞ্জাৰী বা লহন্দা, পূব-পঞ্জাৰী, আৰু সিন্ধি ভাষাৰ সৃষ্টি হয়।

খ) দক্ষিণ শাখা ঃ মাৰাঠী আৰু কোংকনী ভাষাৰ জন্ম।

গ) মধ্য শাখা ঃ কথা হিন্দুস্থানী, বংগাৰু, ব্ৰজভাষা, কনৌজী, বুন্দেলী আদি ভাষা।

ঘ) মধ্য পূৰ্বী শাখা ঃ অৱধী, বঘেলী, চক্ৰিশগড়ী ভাষা।

ঙ) পূৰ্বী শাখা ঃ অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগধী, ভোজপুৰী ভাষা।

চ) হিমালয়ী শাখা ঃ নেপালী, গাড়োৱালী, চমেয়ালী, মণ্ডেয়ালী আদি ভাষা।

ছ) বিদেশী শাখা ঃ সিংহলী (শ্ৰীলংকা) আৰু পশ্চিম এছিয়াৰ মাযাবৰী ভাষা।

অসমীয়া ভাষাটোৰ আঁতিগুৰি মাৰি চাবলৈ গ'লে দেখা যায় যে, এই ভাষাটো মূলতে ইণ্ডো-ইউৰোপীয় বা ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ পৰা আহিছে। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত ভাৰতীয় আৰ্যভাষাৰপৰা উদ্ভৱ হোৱা ভাষাই অসমীয়া ভাষা।

যদিও অসমীয়া ভাষাটো আৰ্যভাষাসম্ভুত তথাপি ইয়াৰ পৰিপুষ্টি সাধনত অসমত অতীজৰেপৰা বসবাস কৰা অনাৰ্যগোষ্ঠীৰ লোকসকলৰ প্ৰভাৱো অসমীয়া ভাষাত নপৰাকৈ থকা নাছিল। ইয়াৰ উপৰিও তিব্বতধৰ্মী আৰু অষ্ট্ৰিক ভাষাৰো কিছু প্ৰভাৱ অসমীয়া ভাষাত কম-বেছি পৰিমাণে পৰিছিল। এনেদৰেই অসমীয়া ভাষাটোৱে নানা অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ মাজেদি অসমত প্ৰসাৰতা লাভ কৰিছিল আৰু বৰ্তমানো বিৱৰ্তনৰ পথত অগ্রসৰ হৈয়েই আছে।■



# অসমীয়া ৰামায়ণী সাহিত্যত আদি কবি মাধৱ কন্দলি

শ্যামলী চুতীয়া
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া উচ্চমান।

**আদি কবি মাধৱ কন্দলি ঃ**

অসমীয়া সাহিত্যৰ ইতিহাসলৈ লক্ষ্য কৰিলে দেখা যায় যে খ্ৰীষ্টীয় চতুদ্দৰ্শ শতিকাতে অসমীয়া সাহিত্যই উচ্চ পৰ্য্যায়ৰ সাহিত্য ৰূপে মূৰ দাঙি অসমীয়া সাহিত্যক এক নিজা বৈশিষ্ট্যৰে চহকী কৰি তুলিছিল। ইয়াৰ লগে লগে অসমীয়া ভাষায়ো এটা সাহিত্যিক ৰূপ লাভ কৰিলে। এইদৰে অসমীয়া সাহিত্যক এটা নিজস্ব বৈশিষ্ট্যৰে বিকশাই তোলা এইগৰাকী স্বনামধন্য কবি আছিল মাধৱ কন্দলি। যি গৰাকীৰ সাহিত্য-প্ৰতিভাৰ ওচৰত মূৰ দোঁৱাই সন্মান জনাই যুগ নায়ক মহাপুৰুষ শঙ্কৰদেৱে 'পুৰ্বকবি অপ্ৰমাদী' বুলি আখ্যা দিছিল। এই অপ্ৰমাদী কবিজনাৰেই অনৰদ্য মহৎ সৃষ্টি হ'ল'ৰামায়ণ', যিখন গ্ৰন্থই সাম্প্ৰতিক সময়তো অসমীয়া সাহিত্যক এক নিজা ৰূপ দি জিলিকাই ৰাখিছে।

**মাধৱ কন্দলিৰ প্ৰতিভাৰ পৰিচায়ক 'ৰামায়ণ' ঃ**

মূল সংস্কৃত ভাষাৰ পৰা উত্তৰ ভাৰতৰ আৰ্যভাষাৰ প্ৰান্তীয় ৰূপত মাধৱ কন্দলীয়েই সৰ্বপ্ৰথমে 'ৰামায়ণ'খন অনুবাদ কৰিছিল। শঙ্কৰদেৱৰ দিনত বিষ্ণুভক্তিৰ মহাত্ম্যসূচক সাহিত্যৰ পাছত ৰামায়ণেই হ'ল একোটা ধাৰাৰ ওপৰত ৰচিত হোৱা বিস্তৃত সাহিত্য। ৰামৰ অভিষেকৰ উদ্দেশ্যে আযোধ্যাত উলহ-মালহ লগাৰ পৰা ৰাম বনলৈ গৈছে আৰু লঙ্কা জিনি ঘূৰি আহি পুনৰ উলহ-মালহৰ মাজত ৰাম অযোধ্যাত ৰজা হৈছেহি। এইদৰে ৰামৰ অয়ন অৰ্থাৎ পৰ্যটন য'ৰ পৰা আৰম্ভ হৈছিল পুনৰ তাতে আহি সমাপ্ত হৈছে- এই অৰ্থতেই ৰামায়ণ হৈছে। এই ৰামায়ণেই হ'ল এনে এখন গ্ৰন্থ য'ত কবিজনাৰ সকলো কাব্যিক প্ৰতিভা আহি থূপ খাইছেহি। ৰামায়ণৰ বাদেও কবি কন্দলিয়ে দেৱজিত আৰু তাম্ৰধ্বজ; পাতালকাণ্ড নামৰ গ্ৰন্থ কেইখন ৰচনা কৰিছিল বোলা হৈছে যদিও এইয়া সন্দেহৰ উৰ্ধত নহয়। গতিকে ৰামায়ণেই হ'ল মাধৱ কন্দলিৰ কবি প্ৰতিভাৰ উৎকৃষ্ট পৰিচায়ক।

**মাধৱ কন্দলিৰ পৰিচয় ঃ**

মাধৱ কন্দলি আছিল প্ৰাচীন অসমৰ বৰাহী ৰজা মহামাণিক্যৰ ৰাজকবি। বৰাহী ৰজা মহামাণিক্যৰ অনুপ্ৰেৰণাতে কবিৰাজ কন্দলিয়ে ৰামায়ণ ৰচনা কৰিবলৈ অনুপ্ৰেৰণা পোৱাৰ কথাও উল্লেখ কৰিছে।

কবিৰাজ কন্দলি যে আমাকেসে বুলি কয়
কৰিলোহো সৰ্বজন বোধে।
ৰামায়াণ সুপয়াৰ শ্ৰী মহামাণিক্য যে
বৰাহ ৰাজাৰ অনুৰোধে।।

পৰিচয়ত তেওঁ নিজে কোৱামতে বৰাহী ৰাজা মহামাণিক্য তেওঁৰ পৃষ্ঠপোষক। কিন্তু এই মহামাণিক্যৰে বিষয়ে খাটাং কৈ জানিব

পৰা হোৱা নাই বাবে কন্দলিৰ সময়ৰ ওপৰত পণ্ডিতসকলৰ মতানৈক্য দেখা যায়।

পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতে, মহামাণিক্য বৰাহী ৰজা আৰু চতুৰ্দশ শতিকাৰ মাজভাগত এওঁ ডিমাপুৰত ৰাজত্ব কৰিছিল। গতিকে মাধৱ কন্দলিৰ সময় চতুৰ্দশ শতিকাৰ মাজভাগত।

ড০ বাণীকান্ত কাকতিৰ মতামত কন্দলী মধ্য অসমৰ নগাঁৱৰ লোক। তেওঁৰ সময় চতুৰ্দশ শতিকা।

কালিৰাম মেধিয়ে মাধৱ কন্দলি চতুৰ্দশ শতিকাৰ কবি আৰু মহামাণিক্যক ত্ৰিপুৰাৰ ৰজা বুলি উল্লেখ কৰিছে।

যি কি নহওক মাধৱ কন্দলিৰ সময় সম্পৰ্কে বিভিন্নজনৰ মতামত বিশ্লেষণ কৰি চতুৰ্দশ শতিকাৰ কবি বুলি ক'ব পাৰি।

**মাধৱ কন্দলিৰ অনুবাদ ৰীতি ঃ**

ৰাজ আজ্ঞা অনুসৰি ৰামায়ণখন অনুবাদ কৰোঁতে ৰজাঘৰীয়া ৰুচিৰ প্ৰতি কবিয়ে গুৰুত্ব দিছে অধিক। মহামাণিক্য ৰজাৰ অনুৰোধত আৰু কাব্য ৰস সৃষ্টিৰ প্ৰয়োজনত কবিয়ে কিছু কথা সংযোগ কৰিছে। কেৱল সেইয়াই নহয়, অসমৰ সহজ-সৰল নিৰক্ষৰ শ্ৰোতাই যিবোৰ কথা বুজি পাব বা আনন্দ পাব সেইবোৰ বহলাই ব্যাখ্যা কৰি অলাগতিয়ালখিনি ত্যাগ কৰিছিল। তেওঁৰ অনুবাদ অতি শক্তিশালী আৰু মনোৰম। তেওঁ নিজেই কৈছে— "দৈৱবাণী নুহি ইটো লৌকিকসে কথা।"

মাধৱ কন্দলিয়ে ৰামায়ণৰ সাতটা কাণ্ড অনুবাদ কৰাৰ কথা লঙ্কা কাণ্ডত উল্লেখ কৰিছে।

"সপ্ত কাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লম্ভা পৰিহৰি সাৰোদ্ধৃতে।
মহামাণিক্যৰ বোলে কাব্যৰস কিছু দিলো
দুগ্ধক মথিলো যেন ঘৃতে।।"

মূল বাল্মীকি ৰামায়ণক যথেষ্ট সংক্ষিপ্ত ৰূপত অনুবাদ কৰি অযোধ্যা কাণ্ড ১১৯টা সৰ্গৰ বিপৰীতে কন্দলিৰ ৰামায়ণত ৪১টা অধ্যায়ত কথাখিনি সামৰি লোৱা হৈছে। মূলৰ অৰণ্য কাণ্ডৰ ৭৫টা সৰ্গ ২২টা অধ্যায়ত, কিষ্কিন্ধা কাণ্ডৰ ৬৭টা সৰ্গত, সুন্দৰা কাণ্ডৰ ৬৮ টা সৰ্গ ২৮টা অধ্যায়ত আৰু লঙ্কা কাণ্ডৰ ১২৮ সৰ্গ ৫৬টা অধ্যায়ত সামৰা হৈছে। চমু যদিও মূল কথাৰ পৰা ৰসগ্ৰহণ কৰাত পাঠকে একো অসুবিধা নাপায়। তেওঁ চমু কৰাৰ কথা বিনয়েৰে স্বীকাৰ কৰিছে—

"পণ্ডিত লোকৰ যে অসন্তোষ উপজয়
হাত যোৰে বোলো শুদ্ধবাক।
পুস্তকে বিচাৰ যেবে তৈতে কথা নপাবাহাঁ
তেবে সবে নিন্দিবা আমাক।।"

ইয়াতে এটা কথা উল্লেখনীয় যে 'সপ্তকাণ্ড ৰামায়ণ' অনুবাদ কৰা বুলি ক'লেও এতিয়ালৈকে মাধৱ কন্দলিদেৱৰ পাঁচটা কাণ্ডহে পোৱা গৈছে। সেয়ে শঙ্কৰদেৱে মাধৱদেৱক 'আদি কাণ্ড' অনুবাদ কৰিবলৈ দি নিজে উত্তৰা কাণ্ড ৰচনা কৰি কন্দলিৰ সাতটা কাণ্ড সম্পূৰ্ণ কৰে। আদি আৰু উত্তৰা কাণ্ড বাদ দি বাকী পাঁচটা কাণ্ড হ'ল অযোধ্যা কাণ্ড, অৰণ্য কাণ্ড, কিষ্কিন্ধা কাণ্ড, সুন্দৰা কাণ্ড আৰু লঙ্কা কাণ্ড।

**কন্দলিৰ মৌলিকত্ব ঃ**

কন্দলিৰ ৰামায়ণখন ভালেমান বিশেষত্বৰে ভৰপূৰ। বাল্মীকি ৰামায়ণক বিকৃত নকৰাকৈ তেওঁৰ প্ৰতিভাৰে মৌলিকত্ব ফুটাই তুলিছে। বিভিন্ন ৰসৰ সু-প্ৰয়োগ, অলংকাৰ প্ৰয়োগৰ দক্ষতা, বৰ্ণনাৰ নিপুণতাই কন্দলিৰ ৰামায়ণখন অতিশয় সৰল আৰু ৰসাল কৰি তুলিছে। বাল্মীকি ৰামায়ণৰ মূল সুৰটো পৰমব্ৰহ্ম ভগৱানৰ মানৱী কাৰ্য-কলাপৰ চমৎকাৰিত্ব। কন্দলিয়ে তেওঁৰ ৰামায়ণত মানৱী সমাজৰ নানা সমস্যা আৰু সংঘাতৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। পিতৃভক্তি, পুত্ৰস্নেহ, অসূয়া, ভাতৃত্বৰ মনোৰম ছবি তেওঁৰ ৰামায়ণত দেখা যায়। ৰামচন্দ্ৰক এজন সাধাৰণ যুৱকৰ দৰে ৰজা হোৱাৰ আশা, আনন্দ তেওঁ ফুটাই তুলিছে অতি সুন্দৰকৈ—

"জানা প্ৰাণেশ্বৰী যুৱৰাজ হোৱা
আমি আছো যেতিক্ষণে।
মোৰ সংগে চলি আসিবেক সবে
যত পাত্ৰ মন্ত্ৰীগণ।।"

অৰ্থাৎ এই ৰামেই হ'ল পৰমব্ৰহ্মৰ অন্য এটা ৰূপ। ৰামৰ আছে শতগুণ। তেওঁ প্ৰজাবৎসল, শাস্ত্ৰবিদ, পিতৃ-মাতৃভক্ত, অস্ত্ৰবিদ্যাত কুশল, ক্ৰোধত যম আৰু ক্ষমাত বসুমতী।

কন্দলিৰ ভাষাত —

"যত যত মহাগুণ আছয় ৰামত
ত্ৰিভুৱন মধ্যে কোনে কহিবে শকত।।"

কন্দলিৰ ৰামায়ণত প্ৰতিটো সৰু বৰ চৰিত্ৰই দীপ্তিমান। দশৰথৰ পুত্ৰস্নেহ আৰু সত্যৰ প্ৰতি আস্থাই তেওঁক উচিত অনুচিতৰ দোমোজাত পেলাইছে; কৌশল্যাৰ স্নেহ, ধৈৰ্য আৰু কাৰুণ্য, লক্ষ্মণৰ ভ্ৰাতৃভক্তি, ভৰতৰ ভক্তি, মন্থৰাৰ হিংসা, কৈকেয়ীৰ আকোৰগোঁজ স্বভাৱ সকলো তেওঁৰ ৰামায়ণত অতি মনোৰমকৈ প্ৰকাশ পাইছে। সেইদৰে তেওঁৰ ৰচনাত ৰামৰ প্ৰাসাদ বৰ্ণনা অসমীয়া মানুহৰ ঘৰৰ দৰে ৰুৱা, মাৰলি, কামি, চাল, খুটা, বেৰৰ উল্লেখ কৰিছে। বাল্মীকি ৰামায়ণত ৰামৰ ভৱন

দেৱৰাজ ইন্দ্ৰৰ ভৱন সদৃশ। কন্দলিৰ ৰামায়ণত ৰামৰ প্ৰাসাদৰ বৰ্ণনাত অসমীয়া সমাজৰ এখন চিনাকী ছবি দেখা যায়—

সুৱৰ্ণৰ মাণ্ডলি চালত বলিয়াইল।
বৈদুৰ্য ৰুৱলি শুদ্ধ ৰজতেহি চাইল।।

সেইদৰে চিত্ৰকূট পৰ্বতৰ শোভা বৰ্ণনা কৰোঁতে চিনাকী অসমৰ প্ৰাকৃতিক সৌন্দৰ্যকেই দেখা যায়। অসমৰ প্ৰাকৃতিত দেখা পোৱা নানান ফুল-ফল, চৰাই আদি কন্দলিৰ ৰামায়ণত দেখা যায়—

জাই যুঁতি বকুল বন্দুল কৰ্ণিকাৰ।
কাঞ্চন টগৰ কুন্দ শেৱালী মন্দাৰ।।

কাব্যিক সৌন্দৰ্যৰে অতুলনীয় কন্দলিৰ ৰামায়ণত প্ৰকৃতিৰ বৰ্ণনা, নগৰৰ বৰ্ণনা, ৰূপ বৰ্ণনাই সুখপাঠ্য কৰি তুলিছে। চিত্ৰকূট পৰ্বতৰ বৰ্ণনাত তেওঁৰ সৌন্দৰ্য সন্ধানী মনৰ পৰিচয় পোৱা যায়। চিত্ৰকূট পৰ্বতৰ প্ৰাকৃতিক সৌন্দৰ্যই যেন কামদেৱক প্ৰকৃতিৰ মাজলৈ আদৰি আনিছে—

বসন্ত সময়ে কাম ৰাজাৰ পয়ান।
পুষ্পৰ ধনুত আৰোপিয়া পাঞ্চবান।।

কেৱল সুন্দৰ সাধনাই নহয় তেওঁৰ কবি শক্তিৰে বিকট ৰাক্ষস, দানৱৰ বীভৎস ৰূপ অতি ভয়ঙ্কৰ ৰূপত ফুটাই তুলিছে।

সেইদৰে তেওঁৰ ৰামায়ণত অসমীয়া সমাজৰ সচৰাচৰ ব্যৱহাৰ হোৱা যোজনা, পটন্তৰ, গালি-শপনি আদিও দেখা গৈছে। আযোধ্যাকাণ্ডত কৈকেয়ীক ভৰতে নিন্দা কৰিছে এইদৰে —

নিদাৰুনী ৰাক্ষসিনী বাঘিনী কুলক্ষণী। ইত্যাদি।

অলঙ্কাৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰতো কন্দলিৰ প্ৰতিভাৰ পৰিচয় পোৱা যায়। —

"দশৰথ সাগৰ তৰঙ্গী নদী তই
অলপতে শুকাই যাইবি জানিলোহো মই।।"


ৰূপক, উৎপ্ৰেক্ষা, ব্যতিৰেক, উপমা আদি অলঙ্কাৰে কন্দলিৰ ৰামায়ণৰ বৈচিত্ৰ্য হৈ পৰিছে। শব্দচয়ন, প্ৰয়োগ কৌশল সকলোতে কবিজনাৰ দক্ষতা দেখা যায়। ছন্দ সজ্জা, পদ বা পয়াৰ, দুলড়ী, লোকোক্তিৰ ব্যৱহাৰে কন্দলিৰ ৰামায়ণখন মনোৰম কৰি তুলিছে।

**সামৰণি ঃ**

এইদৰে মাধৱ কন্দলিৰ ৰামায়ণে সৰ্ব কাব্যালঙ্কাৰে বিভূষিত হৈ অসমীয়া ভাষা আৰু সাহিত্যক এটা প্ৰতিষ্ঠিত ৰূপ দি থৈ গ'ল। 'অসমৰ কালিদাস' খ্যাত এইজনা কবিৰ অলঙ্কাৰ আৰু ভাষা প্ৰয়োগৰ নৈপুণ্যই তেওঁৰ ৰামায়ণক আজিও অদ্বিতীয় কৰি ৰাখিছে। সাধাৰণ জনসাধাৰণৰ বোধযোগ্য হোৱাকৈ কবিজনাই অতি সফলভাৱে ৰামায়ণখন সংস্কৃতৰ পৰা অনুবাদ কৰি মহৎ সৃষ্টি ৰূপে আমাক দান দি থৈ গৈছে। ■

# বৈজ্ঞানিক যুগত দৰ্শনৰ প্ৰয়োজনীয়তা

লক্ষ্মী ছেত্ৰী
স্নাতক দ্বিতীয় বৰ্ষ।



দৈনন্দিন জীৱনত আমি ক্ৰমে ক্ৰমে অলসতাৰ মাজত সোমাই পৰিছোঁ। বৈজ্ঞানিক প্ৰভাৱত আলস্যই গ্ৰাস কৰি নিছে আমাৰ জীৱন। পাহৰি গৈছোঁ দাৰ্শনিক চিন্তাধাৰা। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ কোবাল সোঁতত উটি গৈছে আমাৰ মানসিক সুখ।

আধুনিক যুগৰ বহু সংখ্যক লোকৰ মতে বৰ্তমান যুগটো বিজ্ঞানৰ যুগ। জীৱনৰ উৎকৰ্ষ সাধনৰ কাৰণে বিজ্ঞানে আমাক বহুতো অমূল্য বৰঙণি আগবঢ়াইছে। যেনিয়েই আমি চাওঁ তাতেই দেখা পাওঁ বিজ্ঞানৰ প্ৰবল আধিপত্য। বিজ্ঞানে আমাক কল-কাৰখানা দিছে, ছপাখানা উলিয়াই আমাৰ জ্ঞানৰ পথ সুগম কৰিছে। ৰেডিঅ', টেলিভিছন, চিনেমা আদিৰে আমাৰ জীৱনটো সুগম আৰু আনন্দময় কৰি তুলিছে। বিজুলীচাকি, ফেন, কাপোৰ ধোৱা মেচিন আদি নানান বস্তুৰে আমাৰ জীৱন যাত্ৰা সহজ কৰিছে। উৰাজাহাজ, ৰেলগাড়ী, জাহাজ, মটৰ গাড়ীৰে দূৰত্ব হ্ৰাস কৰিছে। এনে ধৰণৰ বহুতো অমূল্য আৰু মহান দান বিজ্ঞানে আমাক আগবঢ়াইছে। বিজ্ঞানৰ এনে অতুলনীয় দানে আমাৰ পৃথিৱীখন ক্ৰমে সৰু কৰি পেলাইছে। কিন্তু দেখা যায় যে বিজ্ঞানৰ সকলো বস্তু পাৰ্থিৱ আৰু পাৰ্থিৱ সকলো বস্তুৱেই ক্ষণস্থায়ী - এইবোৰে আমাক বাহ্যিক শান্তি দিলেও আভ্যন্তৰিক শান্তি দিব নোৱাৰে। পাৰ্থিৱ সুখ-স্বাচ্ছন্দ্যৰ মাজত সুখী যেন হ'লেও কিবা যেন খুঁত ৰৈ যায় জীৱনত; সেয়া হ'ল এক দাৰ্শনিক চিন্তাধাৰা; য'ৰ পৰা আমি জীৱন দৰ্শন পাওঁ।

বিজ্ঞানৰ দান অতুলনীয়। বিজ্ঞানে জীৱনৰ উন্নতিৰ কাৰণে আমাক বহুতো সা-সুবিধা আগবঢ়াইছে। কিন্তু দেখা যায় যে বিজ্ঞানে আমাক ইমান সা-সুবিধা দিয়াৰ সত্তেও আমাৰ মনত শান্তি নাই। ধন-সম্পত্তি, সাংসাৰিক বস্তুৰে যেন আমাক শান্তি দিব পৰা নাই। পৃথিৱীত অসংখ্য মানুহ। তেওঁলোকৰ কোনোৱে "হৰে ৰাম" বা অন্যান্য ধৰ্মীয় সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত হৈছে। কোনোৱে হয়তো হিমালয়লৈ গৈছে তপস্যা কৰিবলৈ। কিছুমানে আকৌ যোগীসকলৰ শৰণাগত হৈছে। তেওঁলোকৰ সকলো বস্তু থাকিলেও এটা যেন অসহায় ভাব। কিবা এটা অজ্ঞাত শক্তিয়ে যেন পৰিচালিত কৰিছে। জীৱন কি? এই জীৱনত আমি শান্তি কেনেকৈ পাব পাৰোঁ? - এনে বহু কথা। এনেক্ষেত্ৰত আমাক দৰ্শনৰ অতি প্ৰয়োজনীয়।

দৰ্শনে আমাৰ জীৱনৰ প্ৰত্যেক ক্ষেত্ৰতে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। মানৱ জীৱনৰ শান্তিৰ পথ লাভ কৰাত দৰ্শনে আমাক বহুতো সহায় আগবঢ়াইছে। ৰাজপুত্ৰ গৌতমে এনে শান্তিৰ আশাতে পাৰ্থিৱ সকলো বস্তু ত্যাগ কৰিছিল আৰু দীৰ্ঘদিনৰ সাধনাৰ ফলত শান্তিৰ উপায় বিচাৰি পাইছিল। তেওঁ কৈছিল যে - "দৰ্শনে আমাক চৰম শান্তি দিব পাৰে, আমাক দুখ-কষ্টৰ পৰা আঁতৰ কৰিব পাৰে।

আমি জীৱশ্ৰেষ্ঠ মানুহ। আমাৰ বাবে কেৱল শাৰীৰিক সুখ-সুবিধাই নহয়, মানসিক সুখ-সুবিধাও প্ৰয়োজনীয়। এনেক্ষেত্ৰত আমাক কেৱল দৰ্শনেহে আকাংক্ষিত সুখ দিব পাৰে। কেৱল দৰ্শনেহে আমাক এক নিৰ্মল মানসিক আনন্দ দিব পাৰে। দৰ্শনে আমাক প্ৰত্যেকটো বিষয়ক গভীৰ ভাবে চিন্তা কৰিব শিকাই। "যিকোনো বিষয়ৰ চিন্তা কৰোঁতে আমি সজাগ হ'ব লাগিব যাতে কোনো ভাৱ প্ৰৱণতাই আমাৰ দৃষ্টি আচ্ছন্ন নকৰে" - দৰ্শনে এনে বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি আমাৰ জীৱন সঠিক পথত নিয়াত প্ৰেৰণা যোগায়।

অন্ধকাৰময় জীৱনক পোহৰলৈ অনাই দৰ্শনৰ উদ্দেশ্য। সকলো বস্তু থকা সত্তেও মানৱ জীৱনত সুখ নাই, শান্তি নাই। এনে সুখ, শান্তি দিয়াত বিজ্ঞানতকৈ দৰ্শনৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ।■



# অপৰাধী কোন ?

ৰিন্টু চেতিয়া
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ।

অফিচৰ পৰা আহি দীঘল আৰামী চকীখনতে অলসভাৱে বহি আছিল দিলীপ বৰুৱা। চকুকেইটা মুদি কিবা ভাবি আছিল, হয়তো টোপনিয়ে গৈছিল। নানা চিন্তা থাকিলেও চকুকেইটা মুদিলেই বৰুৱা টোপনি যায়। জটিলতাৰ পৰা ক্ষন্তেক অব্যাহতি। বৰুৱা চি. আই. ডি. বিভাগৰ এজন ইন্সপেক্টৰ। ক্ৰাইম ব্ৰাঞ্চত নাম থকা মানুহ।

হঠাৎ টেলিফোনটো বাজি উঠিল। বৰুৱাৰ মুখত বিৰক্তিৰ চাপ বিৰিঙি উঠিল। নিশ্চয় কিবা বেয়া খবৰেই হ'ব।

ঃ ছাৰ, অনুপম মজুমদাৰে আত্মহত্যা কৰিলে। আপুনি সোনকালে আহক ছাৰ। বৰুৱা জাঁপ মাৰি উঠিল। অনুপম মজুমদাৰ বৰুৱাৰ ভাল চিনাকি থকা মানুহ। যোৱা কেইদিনমানৰ আগতে বৰুৱাই অনুপম মজুমদাৰক লগ পাইছিল। হাঁহি-মাতি থকা মানুহটোৰে হঠাতে আত্মহত্যা কৰিলে, ই কেনেকৈ সম্ভৱ। বৰুৱাৰ মনত ক্ষন্তেকতে বহু কথাই জুমুৰি দি ধৰিলে। গাড়ীখন লৈ বৰুৱা থানালৈ ওলাই গ'ল।

অনুপম মজুমদাৰ। 'লক্ষ্মী কন্সট্ৰাকচন'ৰ মালিক। ডাঙৰ গাড়ী ব্যৱসায়ী। অগাধ সম্পত্তিৰ মালিক। বিয়া-বাৰু কৰোৱা নাই। বুঢ়ী মাক এজনী আছে। সু-স্বাস্থ্যৱান, সম্পত্তিৱান লোক। দিলীপ বৰুৱাৰ কথাবোৰ মনত পৰিবলৈ ধৰিলে। আজি কিছুদিনৰ আগতে বৰুৱাই এটা পাৰ্টিত অনুপম মজুমদাৰক লগ পাইছিল। কথা-বতৰাবোৰত 'মই বৰ' স্বভাৱ এটা থাকিলেও মজুমদাৰ বোলা মানুহজনক বৰুৱাৰ কিবা এটা ভাল লাগিল। তাৰ পিছত আৰু বহুতবাৰ মজুমদাৰক বৰুৱাই লগ পাইছে। সদায় হাঁহি-মাতি কথা কোৱা মানুহটোৰে কি কাৰণে আত্মহত্যা কৰিব? বৰুৱাৰ মনটোৱে কথাষাৰ মানি ল'বলৈ টান পালে।

থানা পাই দিলীপ বৰুৱাই দেখিলে যে কেইবাজনো মানুহ ৰৈ আছে। বৰুৱাৰ বুজিবলৈ বাকী নাথাকিল। সাংবাদিকো আহি উপস্থিত হ'লহি, তেওঁৰহে অহা পলম হৈছে।

ঃ ছাৰ, আহিলে। আহক, মইয়ে আপোনালৈ ফোন কৰিছিলো। 'ডেড্ বডি' থানাতে আছে। এইফালে আহক ছাৰ।

ইন্সপেক্টৰজন আগবাঢ়ি আহিল। বৰুৱা ভিতৰলৈ সোমাই গ'ল। থানাৰ ভিতৰত পকাতে 'ডেড্ বডি' শুৱাই থোৱা আছিল। ডিঙিত ফাঁচ লোৱাৰ চিন। চেঁচা হৈ মুখ শেঁতা পৰি গৈছে। পৰি থকা শেঁতা মৃতদেহটো দেখি বৰুৱাৰ মনত বুজাব নোৱৰা শোক এটাই খুন্দা মাৰি ধৰিলে। হঠাতে বৰুৱাৰ কিবা এটা মনত পৰিল।

ঃ "এখেতৰ ঘৰৰ মানুহ কোনোবা আহিছে নেকি?"

ঃ "আহিছে ছাৰ, ছোৱালী এজনী আহিছে। সম্বন্ধীয় ভনীয়েক বোলে। ৰ'ব! মই মাতি দিছোঁ।

বৰুৱা আচৰিত হ'ল। তেওঁ জনা মতে মজুমদাৰৰ সম্বন্ধীয় মানুহ কোনো ওচৰত নাই, হঠাতে আহিবলৈ। বুঢ়ী মাক এজনী আছে, কিন্তু মাকজনীটো শয্যাশায়ী। বৰুৱাৰ আগ্ৰহ বাঢ়ি গ'ল।

"ছাৰ", ছোৱালী জনীয়ে মাতিলে।

বৰুৱাই ঘূৰি চাই দেখিলে এজনী গাভৰু ছোৱালী। চকুকেইটা সেমেকি আছে। সম্ভৱতঃ কান্দিছিল।

ঃ "কি নাম তোমাৰ?"

ঃ "চুমি, ছাৰ।" এটা চেঁপা মাতেৰে ছোৱালীজনীয়ে ক'লে।

ঃ "তুমি এখেতৰ ঘৰত কেতিয়াৰ পৰা আছা?"

ঃ "আজি এসপ্তাহৰ পৰা ছাৰ। মই এখেতৰ সম্বন্ধত ভনী হওঁ। মোক আইতাই থাকিবলৈ মাতি আনিছিল।"

ঃ "এখেতৰ আত্মহত্যাৰ বিষয়ে কিবা জানা নেকি?"

ঃ "মই নাজানো ছাৰ, মই দাদাৰ লগত বৰকৈ মাতবোল নকৰোঁ। যোৱাকালি আইতা আৰু দাদাৰ মাজত কাজিয়া হৈছিল। কিবা বিয়া পতা-নপতাৰ লগত। দাদাই কাজিয়া কৰি ওলাই গৈছিল। আকৌ ঘূৰি আহোঁতে বহুত মদ খাই আহিছিল। আইতাৰ লগত আকৌ কাজিয়া কৰিছিল, বস্তু ভাঙিছিল। আইতাৰ তেতিয়া প্ৰেছাৰ উঠি অজ্ঞান হৈ গৈছিল। দাদা তেতিয়া ওলাই গৈছিল। তাৰ পাছত মই দাদাক আগফালৰ গছত ওলমি থকা দেখিছিলো আৰু থানালৈ ফোন কৰিলোঁ। আইতা এতিয়া হস্পিতেলত আছে। মোৰ এতিয়া কি হ'ব ছাৰ?"

শেষৰ কথা কেইষাৰ কওঁতে ছোৱালীজনীৰ মাতটো থোকাথুকি হৈ পৰিল।

কথাবোৰ শুনি বৰুৱাৰ কিবা আচৰিত লাগিল। সদায় সৰল বতৰাত গুৰুত্ব দিয়া মানুহজনে বিয়া-বাৰুৰ কথাতে আত্মহত্যা কৰিবনে?

বৰুৱাৰ সন্দেহৰ ডাৱৰ ঘন হৈ পৰিল।

অনুপম মজুমদাৰৰ আত্মহত্যাৰ তদন্তৰ দায়িত্ব বৰুৱাৰ ওপৰতে পৰিল। বৰুৱাই ইন্সপেক্টৰজনৰ পৰা গম পালে যে গছতে মজুমদাৰে ফাঁচ লৈছিল আৰু বিয়া-বাৰুৰ কথালৈ কিবা যে কাজিয়াৰ সূত্ৰপাত হৈছিল সেই কথা সঁচা। ওচৰৰ মানুহেও শুনিছিল আৰু 'ডেড্ বডি'ৰ পষ্ট মৰ্টেমৰ' ৰিপৰ্টত মজুমদাৰৰ দেহত অধিক পৰিমাণৰ 'এলকহল' পোৱা গৈছে।

বৰুৱাই কথাবোৰৰ আঁত বিচাৰি চালে।

বৰুৱাৰ হঠাতে মজুমদাৰৰ মাকলৈ মনত পৰিল। গাড়ীখন লৈ বৰুৱা হস্পিতেললৈ ওলাই গ'ল। মজুমদাৰৰ মাক "ক'মাত" আছিল। ডাক্তৰে জনালে যে বচাৰ আৰু অকণো সম্ভাৱনা নাই।

বৰুৱাৰ মুখখন ম্লান পৰি গ'ল। মজুমদাৰৰ ঘৰলৈকে বুলি তেওঁ ৰাওনা হ'ল। বহুত বাৰ কলিংবেল টিপাৰ পাছতহে ছোৱালীজনী ওলাই আহিল। বৰুৱাক দেখি ছোৱালীজনী কঁপিবলৈ ধৰিলে।

ঃ "কি কৰি আছিলা?"

বৰুৱাৰ কথাত তাই সম্বিৎ ঘূৰাই পোৱাদি ক'লে।

ঃ "আইতাৰ কাৰণে কিবা এটা খোৱাবস্তু নিবলৈ বনাইছিলো।"

ঃ "আইতাই এতিয়া একো খাব নোৱাৰে।" মোক দাদাৰ কোঠাটো দেখুৱাই দিয়াঁ।

ছোৱালীজনীয়ে বৰুৱাক কোঠাটো দেখুৱাই দিলে। কোঠাটোত সোমাই বৰুৱাৰ কিবা আচহুৱা লাগিল। চাৰিওফালে বিভিন্ন কাগজ পত্ৰ খেলি-মেলি হৈ পৰি আছিল। কোঠাটোৰ এচুকত কেইটামান মদৰ বটল। বৰুৱাই জনামতে মজুমদাৰৰ অভাৰ ড্ৰিংক কৰাৰ অভ্যাস নাছিল। তেনে ক্ষেত্ৰত ........? বৰুৱাই কোঠাটো তন্ন-তন্নকৈ চাবলৈ ধৰিলে। হঠাতে টেবুলৰ ড্ৰয়াৰত ডায়েৰী এখন পাই বৰুৱা সচকিত হৈ পৰিল। ডায়েৰীখনৰ দুটামান পাত পঢ়ি, বৰুৱাৰ আৰু বুজিবলৈ বাকী নাথাকিল আচল ঘটনা কি? অপৰাধী কোন? ডায়েৰীৰ দ্ৰষ্টব্য ঃ "চাল্লা ৰাচকেলে মোৰ চুমিৰ ওপৰত চকু দিয়ে। তাক মই চাই ল'ম।"

বৰুৱা কোঠাটোৰ পৰা ওলাই আহিল। ছোৱালীজনী চকী এখনত বহি আছিল। তাই তেতিয়াও কঁপিয়ে আছিল। বৰুৱা ড্ৰয়িং ৰুমলৈ সোমাই গ'ল। চকীৰ তলত কেইবাটাও চিগাৰেটৰ টুকুৰা। বৰুৱাই জনাত মজুমদাৰে চিগাৰেট নাখায়।

বৰুৱাৰ সন্দেহেই তেন্তে সঁচা। এয়া হত্যা।

বৰুৱা ছোৱালীজনীৰ ওচৰ চাপি আহিল।

ঃ "তুমি সঁচাকৈ কোৱাঁচোন কোন আহিছিল? নহ'লে কি কৰিম তুমিতো জানাই। বৰুৱাৰ মাতটো খঙাল হৈ ওলাল।

বৰুৱাৰ মাতটো শুনি ছোৱালীজনীয়ে কান্দি পেলালে।

তাই ক'বলৈ ধৰিলেঃ

"দাদাই মোক বিয়াৰ প্ৰস্তাৱ দিছিল। মই এই কথা আইতাক কৈ দিলো। তেতিয়া আইতা আৰু দাদাৰ মাজত কাজিয়া হ'ল। তাৰপিছত দাদাই বহুত মদ খাবলৈ ধৰিলে। মই ৰমেনক ভাল পাওঁ। মই তাক কথাটো কোৱাত সি দাদাৰ লগত কথা পাতিবলৈ আহিম বুলি ক'লে। দাদাই মই ৰমেনক ভাল পাওঁ বুলি আগতেই জানে। ৰমেন আহোঁতে দাদা ঘৰত নাছিল। পাছত আহোঁতে বহুত মদ খাই আহিছিল। ৰমেনক দেখি দাদাই বস্তু ভাঙিবলৈ ধৰিলে। ৰমেনক

মাৰিবলৈ খেদি আহিল। ৰমেনৰ লগত দাদাৰ হতাহতিও হ'ল। ৰমেনে তেতিয়া ওচৰতে পাই ৰচি এডালেৰে দাদাক ডিঙিত চেপা মাৰি ধৰিলে। আইতাই এইবোৰ দেখি বেঁহুচ হৈ পৰি গ'ল। দাদা তেতিয়ালৈ মৰি গৈছিল। ৰমেনে তেতিয়া ডাংকোলাকৈ নি দাদাক গছত ওলোমাই দিলে। মই ভয়তে ৰমেনে কোৱাৰ দৰেই কৰিলো।"


বৰুৱাই এটা দীঘল নিশ্বাস এৰিলে।


ঃ "ৰমেন ক'ত থাকে?"

ঃ " খ্ৰীষ্টান বস্তিৰ লাইনৰ ভাড়াঘৰত।"

বৰুৱাই তৎক্ষণাৎ থানালৈ ফোন কৰি গাড়ীখন লৈ ৰমেনক বিচাৰি যাবলৈ ওলাল। ■

- সমাপ্ত -





# অভিমন্যু

**প্ৰদীপ বড়া**
স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ।

ৰুমটোৰ কেঁচা বেৰখনত এটা গজাল মাৰি ওলোমাই থোৱা ভগৱানৰ ফ'টোখনৰ আগত থিয় হৈ আনন্দই ধূপৰ পেকেটটোৰ পৰা এডাল ধূপ উলিয়াই ল'লে।

ঃ আজি দিনটো ভালে কুশলে পঠাবা প্ৰভু। - ফ'টোখনৰ আগত ধূপডাল সোঁহাতে তিনিপাক আৰু বাওঁহাতে তিনিপাক ঘূৰাই আনন্দই মূৰটো দোঁৱালে।

আজি জুলাইৰ এক তাৰিখ। ইমানদিনে নীৰৱ হৈ থকা কলেজখনৰ চৌহদটোৱে আজি পুনৰ সুৰৰ মূৰ্চ্ছনা তুলিছে। আনন্দৰ মনটো আনন্দেৰে ভৰি পৰিল।

জপনাখন জপাই আনন্দই শেষ বাৰৰ বাবে চুলিখিনি আন্দাজতে ঠিকঠাক কৰি ল'লে। কান্ধত আঁৰি অনা বেগটো চুই চালে। সৱ ঠিকেই আছে। সি কলেজৰ অভিমুখে খোজ আগবঢ়ালে। Class আৰম্ভ হ'বই এতিয়া। প্ৰথম দিনাই যদি ইমান দেৰি হয়। সি নিজৰ ভৰি দুটাক খোজৰ গতি দ্ৰুত কৰিবলৈ নিৰ্দেশ দিলে।

আনন্দই চুচুক চামাককৈ কলেজৰ গেটখনৰ তলেৰে কলেজত সোমাল। তাৰ বুকুখন দুৰুদুৰুকৈ কঁপিছে। "ৰেগিং কৰিলে একো উল্টা-পুল্টা নকৰিবি। কাৰো মুখে মুখে নকবি......." ঘৰত মাকে কৈ পঠোৱা কথাকেইষাৰ আনন্দৰ মনত পৰিল। ৰেগিং প্ৰথাটোৱে এতিয়া বিশেষকৈ চৰকাৰী কলেজবোৰত এনে ভয়াবহ ৰূপ লৈছে যে বহু অভিভাৱকে নিজৰ সন্তানক কলেজলৈ পঠাই নিজে মানসিক অশান্তিত ভোগে। সেয়ে আন কিছুৱে "Private Junior College" লৈ নিজৰ সন্তানক পঠাবলৈ ল'লে। মুঠতে এই ৰেগিঙে কলেজৰ লাইখুটাত কিছু পৰিমাণে হ'লেও ঘূণে ধৰাইছে যে ই নিশ্চিত। আনন্দই এইবোৰ ভাল নাপায়।

ঃ ভাইটি, এইফালে আহাঁচোন। - সেইয়া পালেই নহয় চিকাৰীয়ে। সি নুশুনাৰ ভাও ধৰি আঁতৰি যাবলৈ চেষ্টা কৰিলে।

ঃ ঐ ঐ শুনা নাই নেকি ৰে? - এজন ল'ৰা ৰবাব টেঙাৰ সমান চকু দুটাৰে তাৰ আগত থিয় হ'ল। আনন্দৰ অলপ খং উঠিল। বলিৰ পথাৰ দৰে নহয়, ফাঁচীৰ কাঠগৰালৈ লৈ যোৱা কুশল কোঁৱৰৰ দৰে সি সেই "দাদা" জনৰ পাছে পাছে খোজ ল'লে। তাক নি কলেজখনৰ ইমূৰৰ এটা আন্ধাৰ ৰুমত উপস্থিত কৰালে। তাত আৰু সাতজনমান 'দাদা' বহি আছিল।

ঃ বহ।

ঃ দাদা, এইখনতটো 'চাৰ' 'বাইদেউ' বহে। ইয়াত .........।

ঃ তোক বহ বুলি কৈছোঁ। - তাৰ কথা শেষ হোৱাৰ আগতেই এজন দাদাই ধমক দি ক'লে। আনন্দ বহিল। বাহিৰৰ পৰা আন এজন

দাদা আহি আনন্দৰ আগত থিয় হ'ল আৰু এটা পূৰ্ণহতীয়া চৰ তাৰ গালত বহুৱাই দিলে।

ঃ টীচাৰবহা চকীত বহিবলৈ আহিছ?

ঃ সাঁতুৰিব জান? - আন এজনে সুধিলে।

ঃ জানো।

ঃ আঁতাৰ।

ঃ দাদা সাঁতুৰিবলৈ পানী লাগিব।

ঃ হুঁ ল'। - এজনে পানী ভৰ্তি বটল এটা তালৈ আগবঢ়াই দিলে। আনন্দৰ খংটো উঠি আহিছে। পৰাহেঁতেন যেন সি কাযত তথা চকীখনকে মাৰি পঠালেহেঁতেন। আনন্দই নিজৰ চোলাটো খুলিবলৈ ধৰিলে। তাৰ পাছত লাহেকৈ পেন্টৰ বেল্টডাল খুলিবলৈ ল'লে।

ঃ এই কি কৰিছ।

ঃ সাঁতুৰিবলৈ কাপোৰ খুলিছো।

ঃ অসভ্য। ডাঙৰক সন্মান কৰিব নেজান? - বুলি ঠাঁচকৈ এজনে আনন্দৰ গালত আৰু এটা চৰ সোধালে। আনন্দৰ চকু দুটা ৰঙা হৈ আহিছে। সন্মান কৰিবলৈ সন্মানৰ বাবে নিজকে উপযুক্তটো কৰি লব পাৰিব লাগিব।

ঃ মই ইয়ালৈ পঢ়িবলৈ আহিছোঁ। আপোনালোকৰ চৰ খাবলৈ নহয়। আনন্দৰ মাতটো কিছু ডাঙৰকৈ বাহিৰ হ'ল। নিজৰ সন্মান ৰক্ষা কৰিবলৈ এজন ল'ৰাই আহি আনন্দৰ মুখত এটা ঘোচা মাৰিলে। সি বাগৰি পৰিল। তাক মাৰিবলৈ আৰু দুটা ল'ৰাই খেদি আহোঁতেই, সি দুৱাৰৰ চুকত পৰি থকা এটা মদৰ খালি বটলেৰে এজনৰ মূৰত এটা কোব মাৰিলে। ল'ৰাজনৰ মূৰটো ৰঙা হৈ গ'ল। সকলো নিস্তব্ধ হৈ গ'ল। ঘটনাৰ বুজ লৈ হঠাৎ আনন্দ বাহিৰলৈ ভিৰাই লৰ ধৰিলে। তাৰ চোলাটো গাত নাছিল। তাক পাছে পাছে দুটামান ল'ৰাই খেদি আহিল। সি মাথোঁ দৌৰিছে। দৌৰি দৌৰি সি কলেজৰ পৰা ওলাই পোনে পোনে বাছষ্টপলৈ গৈ এখন বাছত উঠিল। টাউনৰ পৰা সিহঁতৰ ঘৰ বেছি দূৰত নহয়। আনন্দ গৈ আছে ........।

এসময়ত আনন্দ আহি কলেজৰ কেন্টিন পালেহি। সেই দিনটোৱেই আছিল আনন্দৰ কলেজ জীৱনৰ প্ৰথম আৰু একমাত্ৰ দিন। শিৱসাগৰৰ পৰা পলাই আহি সি পুনৰ আন কলেজত এড্‌মিশ্বন ল'ম বুলি ভাবিছিল। কিন্তু ঘৰৰ অৰ্থনৈতিক দুৰ্বলতাই তাৰ সেই আশা পূৰণ নকৰিলে। তাৰ মেট্ৰিকৰ ৰিজাল্ট ভাল আছিল বাবে খেতিয়ক দেউতাকে তাক এখন ভাল কলেজত পঢ়োৱাৰ মনেৰে দূৰলৈ পঠাইছিল। কিন্তু একে সময়তে দুবাৰ এড্‌মিশ্বন লোৱাৰ কথাটো একেবাৰে অসম্ভৱ আছিল। নিজকে তাৰ অপৰাধী যেন লাগিল। বেমাৰী ভায়েকটো আৰু কেৱল চিন্তাকে সংগী কৰি লোৱা দেউতাকক সি চাই থাকিব নোৱাৰিলে। আনন্দ ওলাই আহিল ...............।

আনন্দ আহি কালিয়েই চাফ-চিকুণ কৰি যোৱা তাৰ মৰমৰ 'দোকান'খন কেন্টিনৰ বাৰাণ্ডাৰ চুকৰ পৰা উলিয়াই আনিলে। দোকান মানে এটা সৰু ঘৰ। দুটা চকাৰ ওপৰত এটা বাকচৰ দৰে সাজি ওপৰত এখন চালি দিয়া। হাতেৰে ধৰি ঠেলি নিব পৰা এফালে দুডাল হেণ্ডেল। যোৱা তিনিটা বছৰে তাক এই 'দোকান ঘৰ' খনেই পোহপাল দি আছে। এই দোকানখনতে তাৰ সমস্ত আশা টোপোলা বান্ধি আছেহি। দোকানৰ সম্পত্তি বেছি নাই। পাণ, কিছু চুপাৰী, চিগাৰেট আদি কিছু সামগ্ৰী। বিক্ৰী ভালেই। মাত্ৰ কেতিয়াবা দুই-এজনে বাকী লৈ তাক পৰিশোধ কৰিবলৈ পাহৰে।

আনন্দই দোকানখন ঠিক কৰি কলেজৰ গেটৰ কিছু আঁতৰত ওৱালৰ কাষত থিয় কৰালে। বছৰটো যেন কুশলে যায় প্ৰভু। সি এডাল ধূপ জ্বলালে। দোকানখনৰ চকা দুটা চলি যাব নোৱৰাকৈ চাৰিটা শিল দি সি ঘৰৰ পৰা আনি লোৱা প্লাষ্টিকৰ চকীখনত বহিল। আগতে এখন বেঞ্চ থৈছিল। কিন্তু পাছত হকে বিহকে কলেজৰ ল'ৰাবোৰ আহি এই বেঞ্চখনত বহি থাকিবলৈ ল'লে। নিজৰ নিজৰ প্ৰেয়সীলৈ অপেক্ষা কৰাৰ আস্থান হৈ পৰিল আনন্দৰ দোকান। ফলত নিয়মীয়াকৈ আহি তামোল এখন খোৱা প্ৰফেচাৰ কেইজন উভটি যাবলৈ বাধ্য হয়। আৰু আনন্দই হেৰুৱাই ৰেগুলাৰ কাষ্টমাৰ। সেইবাবে এতিয়া বেঞ্চখন নাই।

ঘৰৰ পৰা ওলাই আনন্দ আহি ডিব্ৰুগড়ৰ এজন ডাক্তৰৰ ঘৰত বনকৰা ল'ৰা হিচাপে দুবছৰ কটাইছিল। পিছত সেই ডাক্তৰ জনেই এখন দোকানৰ ব্যৱস্থা কৰি আনন্দক এটা স্থায়ী ৰোজগাৰৰ ব্যৱস্থা কৰি দিলে। তিনিটা বছৰ দোকানখন ভালেই চলিছিল। কিন্তু নিয়তিৰ চকু পুৰিল। আনন্দই লক্ষীক আনি ঘৰ সুমুৱাৰ ছমাহৰ পাছতে পৌৰসভাই তাৰ দোকানখন ভাঙি দিলে। তাৰ দোকানখন বোলে চৰকাৰী মাটিত আছিল। আনন্দ দিক্‌হাৰা হৈ পৰিল।

লক্ষীৰ উৎসাহ আৰু সহায়ৰ বলত আনন্দই পুনৰ মূৰ তুলি চাব পৰা হ'ল। সি সাহস কৰি এই দোকানখন খুলিলে আৰু কানৈ কলেজৰ আগত নিগাজীকৈ বহিবলৈ ল'লে। প্ৰথমে সি গেটৰ সন্মুখতে বহিছিল। কিন্তু চিগাৰেট জাতীয় বস্তু বেচাৰ বাবে তাক অলপ আঁতৰত বহিবলৈ নিৰ্দেশ দিলে। কলেজ কৰ্তৃপক্ষই কেৱল তাৰ দোকান স্থানান্তৰ কৰিবহে পাৰিলে। কিন্তু চিগাৰেটৰ বিক্ৰী আগৰদৰেই ৰমৰমীয়াকৈ চলি থাকিল। "ধূমপান স্বাস্থ্যৰ পক্ষে হানিকাৰক" - বুলি লিখি থোৱা

দেখাৰ পাছতো চিগাৰেট খোৱা মূৰ্খবোৰৰ পৰা দুই-চাৰিটকা লৈ এটা পৰিয়াল পোহপাল দিয়াটো কোনো পাপ হ'ব নোৱাৰে।

কলেজ আৰম্ভ হ'ল। আৰু আনন্দৰ দোকানৰ বিক্ৰীও। এতিয়া এই দোকানখনেই তাৰ জীৱনৰ সাৰথি। সি লক্ষী আৰু সিহঁতৰ পৰিয়ালৰ "নিউ ক'মাৰ" তনুৰ পেটত এই দোকানখনেই এমুঠি ভাতৰ যোগান ধৰে। কলেজ বন্ধৰ দিনত তাৰ ব্যৱসায় ভাল নহয়। চহৰৰ ব্যস্ত ঠাইত তাত আগৰে পৰা বহি থকা দোকানীবোৰে তাক বহিবলৈ নিদিয়ে। হ'লেও সি বজাৰৰ অলপ আঁতৰত বহি যেনে তেনে পেটে-ভাতে খাই থাকে। কালি আকৌ নতুনকৈ কেইটামান বস্তু আনিছে ধাৰলৈ। যোৱা সপ্তাহতে সি দোকানখন আনি ইয়াত হাজিৰ কৰালেহি। এতিয়া এসপ্তাহৰ মূৰত ধাৰ মাৰিব লাগে। তাতে তিনিমাহমান সি ঘৰলৈ যোৱা নাই। লক্ষীকে পঠাই দিব লাগিব। মাক-দেউতাকলৈও কিবা এটা দি পঠাব লাগিব। অৱশ্যে তাত ভায়েকে কেঁচা শাক-পাচলিৰ বেপাৰ কৰি ভালকৈয়ে চলি আছে। হ'লেও ডাঙৰ পুতেক হিচাপে ........। আকৌ ঘৰভাড়াও দিবৰ হ'ল। মুঠতে এই দোকানখনেই তাৰ হৰ্তা-কৰ্তা। দোকানে বচালেহে বচোৱা ........।

আনন্দ ব্যস্ত হৈ পৰিল। ল'ৰাবোৰে কিবা-কিবি কিনিছে। কেন্টিনৰ পৰা ওলাই সকলোৰে তাৰ তাতে মুহুতি কৰে। ছোৱালীবোৰ নাহে। দিনটো লাহে লাহে পাৰ হৈছে। আনন্দই তাৰ ধনৰ বাকচটো চালে। বেয়া নহয়। এনেকৈ আৰু পোন্ধৰ দিনমান চলিলেহে সি বাচিব। তাৰ মনটো ভাল লাগি গ'ল। লক্ষীলৈ মনত পৰিল। তাই ছাগে এতিয়া তনুৰ সৈতে ব্যস্ত। তাই দিয়া ৰুটিৰ টিফিনটো সি চালে। বহুত মৰম আছে তাৰ প্ৰতি লক্ষীৰ। এই দোকানখন গঢ় দিয়াত তাইৰো কম ত্যাগ নাই! পিছত খাম ভাবেৰে আনন্দই টিফিনটো আগৰ ঠাইত থৈ দিলে।

হঠাৎ হোৱা এটা হুলস্থুলৰ শব্দত আনন্দই মূৰ তুলি চালে। এটা ল'ৰাক আন দুটামান ল'ৰাই গতিয়াই গতিয়াই কেন্টিনৰ পৰা বাহিৰলৈ লৈ আনিছে। আনন্দই বুজি পোৱা নাই কি হৈছে। কিন্তু এটা কথা ঠিক বুজি পাইছে যে কলেজখনৰ ছাত্ৰ-ছাত্ৰীৰ উশৃংখলতা, মাৰ-পিট আদিয়ে কলেজখনৰ ঐতিহ্যত বহুখিনি দাগ লগাইছে। তদুপৰি এই প্ৰেমিকবোৰ আছেই। কলেজৰ এটা ৰুম খালি নেথাকে, কোনো এটা 'চুক' অব্যৱহৃত হৈ নাথাকে। যোৱা বছৰৰ কলেজৰ গাত গা লগাই ঘূৰি ফুৰা কেইহালমান 'ৰোমিঅ'-জুলিয়েট' আনন্দৰ চিনাকি হৈ পৰিছিল। কানৈ কলেজৰ কাষেৰে নালিয়াপুল বজাৰৰ আগত ওলোৱা ৰাস্তাটোত দিনৰ ৮ বজাৰ পৰা গধূলি ৫ বজালৈকে এই যুগল ৰূপৰ দৰ্শনৰ সৌভাগ্য ঘটে। সময়ৰ লগত খোজ মিলোৱা বুলি ধৰি লৈয়েই আনন্দই সান্ত্বনা লভে।

কাজিয়াখন আনন্দৰ দোকানৰ কাষ পালেহি। মাৰ খোৱা ল'ৰাজনৰ সমৰ্থক দুজনমানেও হয়তো কাজিয়াত যোগ দিলে। দুটা দলৰ সৃষ্টি হ'ল। দুয়ো দলৰ মাজত হতা-হতি। আনন্দৰ অসহ্য লাগিল। দুয়োদল আহি আনন্দৰ দোকানৰ কাষত সিহঁতৰ ভাওনা আৰম্ভ কৰিলে। হঠাৎ এটা ল'ৰাই আনন্দৰ দোকানত ধুনীয়াকৈ সজাই থোৱা এটা কাঁচৰ বৈয়ামেৰে বিপক্ষৰ এজনৰ মূৰত আঘাত হানিলে। আন এজনে ল'লে আন এটা বৈয়াম। আনন্দই বাধা দিবলৈ গৈ এটা ল'ৰাৰ গতাত আঁতৰি আহিবলৈ বাধ্য হ'ল। কাজিয়াৰ ঠেলা-হেঁচাৰ কোবত আনন্দৰ দোকানখন একতীয়া হৈ বাগৰি পৰিল। এটা ল'ৰাই দোকানখনৰ এচটা পচা কাঠ এৰুৱাই অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিলে। আনন্দৰ চকুৰ আগতে তাৰ মৰমৰ দোকানখনে মৃত্যুৰ সতে যুঁজিছে। পুলিচ আহিল। লৰাবোৰৰ ল'ৰা ঢপৰাৰ কোবত আনন্দৰ দোকানখন সম্পূৰ্ণৰূপে চেপেটা হৈ গ'ল। দোকানখনৰ লগে লগে আনন্দৰ সকলো সোণালী সপোনো ভাঙি চুৰমাৰ হৈ গ'ল। সি চকুৰ আগত ধোঁৱা-কোঁৱা দেখিছে। দোকানখনক লৈ দেখা সকলো সপোন আনন্দৰ চকুৰ আগত চিনেমাৰ ৰিলৰ দৰে পাৰ হৈ যাবলৈ ধৰিছে। আনন্দ বহি পৰিল। সকলো ছত্ৰভংগ দিলে। মাথো নীৰৱে পৰি ৰ'ল আনন্দৰ আশা-ভৰসাৰ থল, জীৱনৰ সাৰথি দোকানখন আৰু বহি আছে ডেউকা বিহীন পক্ষীৰ দৰে আনন্দ।■



# ৰাখী বন্ধন
## (পৌৰাণিক আখ্যান)

পল্লৱ শৰ্মা
স্নাতক প্ৰথম বৰ্ষ, কলা শাখা।

(লেখিকা শ্ৰীযুতা শৈলা শৰ্মাৰ পৌৰাণিক আখ্যান "ৰাখী বন্ধন' প্ৰবন্ধটিৰ সহায় লৈ)

শাওণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা এই পবিত্ৰ ৰাখী বন্ধন উৎসৱ পালন কৰা হয়। এই উৎসৱ যুগ যুগ ধৰি দেশত চলি আহিছে। অৱশ্যে ইয়াৰ প্ৰচলন আমাৰ অসমত বা অন্যান্য পূৰ্বাঞ্চলীয় ৰাজ্যতকৈ উত্তৰ ভাৰতবৰ্ষতহে বেছি দেখিবলৈ পোৱা যায়। তথাপি বৰ্তমান অসমতো এই উৎসৱ পালন কৰাৰ পয়োভৰ বাঢ়ি আহিছে।

এই ৰাখী বন্ধনৰ তাৎপৰ্য নো কি? তাৰ আভাস এটি পুৰণি আখ্যানৰপৰা বুজিব পাৰি।

এই আখ্যানৰ মতে - সৃষ্টিৰ আদিতে ভগৱান বিষ্ণু দেৱতাই তেওঁৰ শৰীৰৰ বিভিন্ন অংগ বিচ্ছন্ন কৰি দেৱতাসকলক উৎপত্তি কৰে আৰু স্বৰ্গৰাজ্য প্ৰতিষ্ঠা কৰে। এই দেৱতাসকলক সৃষ্টি কৰোঁতে তাৰ মাজত কোনেও নজনাকৈ কিছুমান দানৱেও জন্ম পালে। এই দানৱ বিলাক শাৰীৰিক বলত দেৱতাসকলতকৈ বেছি শক্তিশালী আৰু পৰাক্ৰমী আছিল। তেওঁলোকে যুদ্ধ বিগ্ৰহ আদিত লিপ্ত হৈ স্বৰ্গত অশান্তিৰ সৃষ্টি কৰি আমোদ পাইছিল। ফলত হকে-বিহকে দেৱতাসকলৰ লগত যুদ্ধ কৰি দেৱতাসকলক অতীষ্ঠ কৰি তুলিছিল আৰু স্বৰ্গৰপৰা খেদি দানৱসকলে স্বৰ্গৰাজ্য অধিকাৰ কৰিবলৈ উঠিপৰি লাগিছিল। দেৱতাসকলো ভয়তে যেনি-তেনি পলাবলৈ ধৰিলে। সেই সময়তে ভগৱান বিষ্ণুৱে দেখিলে যে তেওঁৰ শৰীৰৰ অংগ বিচ্ছিন্ন কৰি প্ৰতিষ্ঠা কৰা এই স্বৰ্গৰাজ্য, স্বৰ্গ গুচি নৰকত পৰিণত হ'ব। তেওঁ স্বৰ্গৰাজ্য ৰক্ষা কৰাৰ উপায় চিন্তিলে আৰু দেখিলে অধিকসংখ্যক দেৱতাৰ মাজত এমুঠি মাত্ৰ দানৱে সন্ত্ৰাসৰ সৃষ্টি কৰা আৰু দেৱতাসকলক পৰাস্ত কৰা একমাত্ৰ কাৰণটো হ'ল- দেৱতাসকলৰ মাজত একতাৰ অভাৱ। দেৱতাসকলে প্ৰত্যেকে নিজেই একো একোটা গুণৰ অধিকাৰী হোৱাৰ বাবে নিজকে বৰ বুলি ভাৱে আৰু ইজনে-সিজনৰ ওচৰত সৰু হ'বলৈ নিবিচাৰে। এই সুবিধা গ্ৰহণ কৰি দানৱহঁতে দেৱতাসকলক সহজে পৰাস্ত কৰি গৈছিল। অৰ্থাৎ দেৱতাসকলৰ অহংকাৰেই পতনৰ মূল কাৰণ হৈ পৰিছিল। দেৱতাসকলে যেতিয়া দানৱৰ অত্যাচাৰত স্বৰ্গৰপৰা পলাবলৈ উদ্যত হৈছিল, ঠিক তেনে সময়তে ভগৱান বিষ্ণুৱে তেওঁলোকৰ যি দুৰ্বলতাৰ কাৰণে এনে অৱস্থা হৈছে তাক নিৰাময় কৰিবলৈ এটি উপায় উদ্ভাৱন কৰিলে। তেওঁ দেখিলে যে, দেৱতাসকল একগোট হ'লে সমান্য কেইটামান দানৱে পৰাস্ত কৰিবলৈ সক্ষম নহ'ব, বৰং দেৱতাসকলেহে দানৱক অতি সহজে পৰাস্ত কৰি স্বৰ্গৰাজ্য ৰক্ষা কৰিবলৈ সক্ষম হ'ব। সেয়ে ভগৱান বিষ্ণুৱে দেৱতাসকলৰ মাজত একতা আনিবলৈ এই পৱিত্ৰ ৰাখী বন্ধনৰ প্ৰচলন কৰিলে।

ৰাখী — অৰ্থাৎ এডালি পৱিত্ৰ সূতাৰে ইজনে-সিজনৰ হাতত বান্ধি দুয়োৰে মাজৰ সম্বন্ধটো দৃঢ় কৰি দুয়ো দুয়োকে আলিংগন কৰি ইজনে-সিজনৰ মংগল আৰু দীৰ্ঘায়ু কামনা কৰে। এইদৰে এই ৰাখীৰ বান্ধোনেৰে বান্ধ খাই দেৱতাসকলৰ মাজত যি সমতা স্থাপন কৰিলে, তেওঁলোকৰ মাজৰপৰা 'মই বৰ' বা অহংকাৰভাৱ নাইকিয়া হৈ সকলোৱে সমান অধিকাৰ লাভ কৰিলে আৰু এই ৰাখী বন্ধনেই তেওঁলোকৰ মাজলৈ কঢ়িয়াই আনিলে এক অপৰিসীম শক্তি, যি শক্তিৰে সকলো দেৱতা একগোট হৈ দানৱক অতি সহজে পৰাস্ত কৰি স্বৰ্গৰপৰা খেদি পঠিয়ালে আৰু পৰম শান্তিৰে স্বৰ্গত বিৰাজ কৰিবলৈ ধৰিলে।

এয়ে ৰাখী বন্ধন। ৰাখী বন্ধন উৎসৱ শাওণ মাহৰ পূৰ্ণিমা তিথিৰ দিনা পালন কৰা হয় বাবে এই পূৰ্ণিমা তিথিক পৱিত্ৰ 'ৰাখী পূৰ্ণিমা' বুলি জনা যায়। এই ৰাখী বন্ধনৰ লগত আৰু এটি আখ্যান জড়িত হৈ আছে।

এই আখ্যানৰ মতে — গণেশ দেৱতাৰ দুজন পুত্ৰ আছিল আৰু তেওঁলোকেও দেৱতাসকলৰ মাজত ৰাখী বন্ধন দেখি দেউতাক গণেশক ৰাখী পিন্ধাবলৈ আগবাঢ়ি গ'ল। গণেশ বিমোৰত পৰিল। কাৰণ পুত্ৰই পিতাকক ৰাখী পিন্ধোৱাৰ কোনো নিয়ম নাই, কিয়নো পিতা-পুত্ৰৰ বান্ধোন এনেই জড়িত। সমনীয়া, ভাতৃ-ভগ্নীৰ মাজত স্নেহৰ বান্ধোন দৃঢ় কৰাটোহে প্ৰকৃত নিময়। কিন্তু, গণেশ দেৱতাৰ কোনো কন্যা সন্তান নাছিল। ইফালে পুত্ৰ দুজনো ৰাখী পিন্ধাবলৈ আকোঁৰগোজ। ৰাখী পিন্ধাব কাক ? এনেদৰে চিন্তা কৰি থাকোঁতে মহৰ্ষি নাৰদ উপস্থিত হৈ গণেশক বৰ দান কৰি তেওঁৰ হাতত এটি মানস কন্যাৰ জন্ম দিলে। আৰু গণেশ দেৱতাক সমস্যাৰপৰা উদ্ধাৰ কৰিলে।

এই মানস কন্যাই হৈছে — শ্ৰীশ্ৰী সন্তোষীমাতা, অৰ্থাৎ গণেশৰ কন্যা তথা দুই পুত্ৰৰ ভগ্নী। যাৰ দ্বাৰা ভ্ৰাতৃ-ভগ্নীৰ মাজত ৰাখী পিন্ধাই অতিশয় আনন্দিত হোৱাৰ লগতে স্নেহৰ বান্ধোন দৃঢ় কৰিলে।

গণেশ দেৱতাৰ আদেশতেই সন্তোসীমাতাই মৰ্ত্ত্যবাসীসকলৰ মাজত অৱিৰ্ভূতা হ'ল। দুই পুত্ৰৰ সন্তুষ্টিৰ কাৰণে শাওণ মাহৰ পূৰ্ণিমা তিথিত জন্ম হোৱাত তেওঁৰ নাম সন্তোষী হ'ল। শাওণ মাহৰ এই পূৰ্ণিমা তিথিতে আমি শ্ৰীশ্ৰীসন্তোষীমাতাকো প্ৰণাম জনাওঁ। ■





# অশৰীৰী অস্তিত্ব

**বেঞ্জামিনা বুঢ়াগোহাঁই**
স্নাতক দ্বিতীয় বৰ্ষ, ৰসায়ণ বিজ্ঞান বিভাগ।

সম্পূৰ্ণ এমাহৰ কামৰ ব্যস্ততাৰ আজিহে অন্ত পৰাৰ দৰে ৰাখীৰ অনুভৱ হ'ল। ৰাতি পুৱাৰ পৰা ঘৰৰ সকলো কাপোৰ-কানি ধুই, ঘৰটো ৰঙা মাটিৰে ভালকৈ লেপি আবেলি ৩মান বজাত আজৰি হৈ ভাত খাবলৈ ল'লে। এমাহৰ ভিতৰতে হৈ যোৱা বায়েকৰ বিয়াত দেউতাকৰ সমানে সমানে তাইও কাম কৰি গ'ল। কাম কৰা মানুহৰপৰা কইনাৰ লগত নিয়া কাপোৰৰ লিষ্টলৈকে সকলো হিচাপ ৰাখীৰ ওচৰত। বায়েক নামতহে ডাঙৰ, কামত তাইতকৈ সৰুৰ দৰেই সকলো ক্ষেত্ৰতে ৰাখীক লগত লৈ ফুৰে। ল'ৰা নথকা তিনিজনীয়া ছোৱালীৰ ঘৰখনত ৰাখীয়েই ল'ৰাৰ দৰে সকলো কাম নিয়াৰিকৈ কৰি যায়। কোনো কামতে পিছ হুঁহকি নিদিয়া ৰাখীয়ে আনকি দৰকাৰ হ'লে নিশা অকলেও তাই সিহঁতৰ পিছফালৰ হাবিখনলৈ যায়। তাইৰ সাহস দেখি সকলোৱে বাহ বাহ দিয়ে। কেৰাণী চাকৰি কৰা দেউতাকে অনুষ্টুপীয়াকৈ হ'লেও সুকলমে বিয়াখন পাতি অতালে। পৰহি দিনাখন আঠমঙলাও হৈ গ'ল। বিয়াৰ আগৰেপৰা কাম-বন কৰি থকা মাহীয়েকৰ ছোৱালী মাতুক আজি ডাঙৰ বেগ এটাত বস্তু অলপ ভৰাই দি বিদায় দিলে। আজি কামৰ হেঁচা কমিলতহে ৰাখীয়ে শান্তি পালে। সন্ধ্যা ভগাৰ পিছৰেপৰা গৰমত তাইৰ কোঠাৰ কেঁচা মজিয়াতে পাটি এটা পাৰি বায়েকৰ কথা ভাবিয়েই শুই আছিল। নিশা তাই ন'গলে বাহিৰলৈ নোযোৱা ছোৱালীজনীয়ে যে কেনেকৈ ঘৰ চম্ভালিব তাই ভাবিয়েই পোৱা নাই। হঠাৎ ভনীয়েক চুমীয়ে ক'লেহি, "বাইদেউ মা কলৰ পাৰত ভৰি-হাত ধুই থাকোঁতে পৰি ভৰি কচকা খালে, ৰাখীয়ে বিছনাৰপৰা উঠি কলৰ পাৰ পালেগৈ। লাহে লাহে মাকক ধৰি ভিতৰ পোৱালেহি। ভৰি গাঁঠি ফুলি বিষ বেছি হৈ গৈছিল। ৰাখীয়ে ভাবি পোৱা নাছিল কি কৰিব। দেউতাকো গধূলিতে পেগুলৰ পইচা দিবলৈ গ'ল। পছতীয়া গছৰ পাত সেক দিবলৈ হ'লেও পাছফালৰ হাবিখনতহে আছে। তাই ভনীয়েকক মাকৰ ৰখীয়া দি হাবিখনলৈ যাবলৈ ওলাল। মাকে বাৰে বাৰে তাইক সেই এৰাপৰলীয়া হাবিখনলৈ সন্ধ্যা যাবলৈ বাধা দিলে কিন্তু তাইৰ মাকৰ দুখ সহ্য নহ'ল। হাতত টৰ্চটো লৈ তাই হাবিখন পালেগৈ। পছতীয়া পাত ছিঙি থাকোঁতে তাইৰ মনত গহীন গহীন ভাব এটা হ'ল। পাত ছিঙি ঘৰলৈ আহোঁতে তাইৰ পিছে পিছে কোনোৱা চেগুেল চোচঁৰাই আহি থকা যেন অনুভৱ হ'ল। কিন্তু সকলো ভাব মনৰ পৰা আঁতৰাই খৰ খোজেৰে ঘৰ পালেগৈ। পছতীয়া পাতখিনিৰে মাকক সেক দি আৰাম কৰিবলৈ মাকক আৰাম কৰিবলৈ দি তাই ভাত বাঢ়িবলৈ পাকঘৰলৈ গ'ল। তাই ভাত বাঢ়ি থাকোঁতে দেউতাক পালেহি। ভাত খাই উঠি শুবলৈ লওঁতেই বৰষুণ এজাক আহিল। দুৱাৰ-খিৰিকি বিলাক ভালকৈ জপাই তাই শুবলৈ ল'লে।

বৰষুণ জাকে বতৰটো ঠাণ্ডা কৰিলত তাই সহজে টোপনি গ'ল হঠাৎ সাৰ-সুৰ নোহোৱাকৈ টোপনিৰ মাজতে তাই গম পালে কোনোবা এজনীয়ে তাইক উঠোৱাই আছে, "ব'লনা ভন্টি বাহিৰৰ পৰা আহোঁগৈ।" আধা মেলা আধা জপোৱা চকুৰে দেখিলে বগা চুইদাৰযোৰ পিন্ধি মিনু বায়ে বাহিৰলৈ লগ ধৰি আছে। তাই ক'লে, "মিনু বা ইমান বৰষুণ দি আছে অলপ পিছত যাবি। ৰৈ থাক।" বায়েকে ক'লে— "মই ৰ'ব নোৱাৰো, ব'লনা।" বায়েকৰ মাতটো কিবা বহু আঁতৰৰপৰা ভাঁহি অহাৰ দৰে লাগিল। তথাপিও টোপনিৰ মাজতে ৰাখীয়ে ক'লে, "ৰ'হ তেনেহ'লে, চাকিটো জ্বলাই লওঁ। হঠাৎ বায়েকে তাইক ক'লে, "চাকিটো নজ্বলাবি নালাগে। এনেকৈয়ে যাওঁ ব'ল।" এইবুলি তাইৰ হাতত ধৰি শোৱাৰপৰা উঠোৱাই বহুৱাই দিলে। ৰাখীয়ে উচাৎ মাৰি বায়েকৰ হাতখন আঁতৰাই ক'লে, "মই জ্বলামেই যা, আন্ধাৰত ভয় নালাগে নেকি?" তাই কোৱাৰ পিছতেই বায়েকে "তই আহি থাক মই যাওঁ বুলি খৰকৈ দুৱাৰখন খুলি ওলাই গ'ল। ৰাখীয়ে চাকিটো জ্বলাই দুৱাৰখন খুলি পিছফালৰ বাৰাণ্ডালৈ ওলাই গৈ দেখিলে বিজুলী গাজনিৰ মাজেৰে বায়েৰে বৰষুণত তিতি তিতি হাবিখনৰ ফালে সোমাই গৈ আছে। 'ক'লৈ গৈছ মিনু' বুলি মাতিও কোনো সঁহাৰি নাপাই তাই মাকৰ কোঠালৈ গৈ ক'লেগৈ, "মা, চাচোন বাইদেৱে এই নিশাখন অকলে কেনেকৈ হাবিখনলৈ গৈছে।" মাকে ঘপহকৈ সাৰপাই তাইক ক'লে, "এই নিশাখন কিয় ধেমালি কৰিছ, কালি-পৰহি বায়েৰক বিয়া দিলো বুলি পাহৰিলি নেকি? কোন বায়েৰে হাবিখনলৈ গ'ল।" ৰাখীৰ তেতিয়াহে চেতনা আহিল। বায়েক বুলি ভাবি থকা গৰাকী তেন্তে কোন? ভয়তে তাই জ্বৰ ঘমাদি ঘামিব ধৰিলে। সেইজনীৰ পিছে পিছে যোৱা হ'লে কি হ'লহেঁতেন। তাই মাকক গোটেই কাহিনীটো ক'লে। মাকে তাইক অকলে হাবিখনলৈ যোৱাৰ বাবে গালি পাৰিব ধৰিলে। যদিও তাইৰ চকুৰ আগত ভাঁহি থাকিল বগা চুইদাৰ পিন্ধা বায়েক আৰু খুলি থৈ যোৱা দুৱাৰখন। সেই সময়ত ঘড়ীত ৩ বজাৰ সংকেত দিছিল। ■





# ৰত্ন মাষ্টৰৰ খং

মানসপ্ৰতীম চুতীয়া
স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ।

ৰত্ন মাষ্টৰৰ খংটো মাৰ যোৱাই নাছিল। যোৱা পাঁচমাহৰ পৰা দৰমহাৰ 'দ'টোও পোৱা নাই। ঘৰৰ গাইজনীৰ গাখীৰ বেছি পোৱা পইচাৰে অলপ সকাহ দিছিল। দুসপ্তাহ হ'ল, সেইজনীও যমে নিয়াত ৰমেন দোকানীৰ বহীত Everyday গাখীৰৰ পেকেটৰ ধাৰ কেইটাহে যোগ হৈছে; ঘৰত যে সৰুজনী লাদলীয়ে গাখীৰ পানীহে খায়।

দেওবাৰ নহয় যদিও, কিবা বোলে সন্থাৰ আহ্বানত জিলা বন্ধ থকাত মাষ্টৰ বাবু এনেয়ে আছিল, সেয়ে গৰম বন্ধত ৰাজু ঠিকাদাৰৰ পুতেকক টিউচন কৰা পইচাকেইটাকে বিচাৰি যাম বুলি ঠিৰাং কৰিলে।

মাষ্টৰৰ ভাবি আচৰিত লাগে এই ঠিকাদাৰবোৰৰ কি পইচাৰ অভাৱ আছে যে মাষ্টৰক টিউচন কৰা পইচাকিটাও আদায় দিব নোৱাৰে। ৰত্ন মাষ্টৰে যাবলৈ বুলি চোলা-পেণ্ট এযোৰ চাই জাৰি-জোকাৰি বাহিৰৰ ডাঙত মেলি দিলেহি। 'মাষ্টৰ মানুহৰ' কথা, তাতে ইমান ওচৰো নহয়, চাফ-চিকুণ বুলিটো কিবা এটা কথা আছে।

কিবা এটা মনত পৰাত, মাষ্টৰ পাছফালৰ পৰা বাঘৰ দৰে খবলা-খবল থকা (মামৰে ধৰা নে ৰঙৰ ওপৰতেই ৰং কৰা ধৰিব নোৱাৰি) চাইকেল খন আনি চোতালত থিয় কৰাও বুলি কাপোৰ মেলা ডাং ডালতে আওজাই দিলেহি। চেইনডাল তুলি মাষ্টৰে থিয় হৈছিলহে তেনেতে কাৰোবাৰ মাতত উচ্প্ খাই উঠিল।

— কিবা এটা দিয়ক দাদা।

মাষ্টৰে মানুহটোৰ ফালে চালে। এটা ক্ষীণকায় যদিও কৰ্মক্ষম মানুহে তেওঁৰ ফালে মোনাটো আগবঢ়াই আছে।

— তই ভিক্ষাৰী নেকি?

— হয় দাদা।

— খোজ কাঢ়ি আহিছ, চকুৰেও দেখ, খীন যদিও বেমাৰী যেনে নেলাগে, তই কেনেকৈ ভিক্ষাৰী হ'লি।

— নাই দাদা, মই কাম কৰিব নোৱাৰো, মোৰ বহুত তক্লিফ্ আছে। মোৰ ছইটা ল'ৰা-ছোৱালী আছে দাদা। সোনকালে কিবা দিয়ক, গধূলিৰ আগে আগে ঘৰ পহুছিব লাগে।

ভিক্ষাৰীটোৰ কথা শুনি মাষ্টৰৰ খংটোৱে পুনৰ উক্ দি উঠিল।

— চাল্লা কুকুৰ পোৱালী, ল'ৰা পেইদা কৰিছ তই, খুৱাব লাগে মই। কাম কৰিব নোৱাৰ আৰু ভিক্ষা এনেকৈ খুজিছ' যেনিবা তই মোৰ পৰা ভিক্ষা নহয় দোকানৰ পৰা পূজাৰ ছান্দা বিচাৰিছ। মই কি তোৰ ধাৰ খাই থৈছো।

মাষ্টৰৰ ধমকত ভিক্ষাৰীটো তেনেই পেঁপুৱা লাগি পলাবলৈ লৈছিল। তাৰ মুখখন দেখি মাষ্টৰৰ বেয়া লাগিল।

— এই, সেইফালে চা।

ভিক্ষাৰীটোৰ বাওফাললৈ মাষ্টৰে নিৰ্দেশ দিলে। বিশ্ব ৰেকৰ্ড ভংগ কৰিব পৰা লং জাম্পটো মাৰিলেই পাৰ হ'ব পৰা মাটি অকণমানে। আঙুলিয়াই মাষ্টৰে ক'লে —

— তই এইখিনি মাটি মোক কোৰ মাৰি দে, তোক মই এসাজ খাবলৈও দিম আৰু নিদিলৈও চাউল দিম। হ'ব? তই ৰ' মই সাউতকৈ কোৰখন আনি দিওঁ।

এইবুলি মাষ্টৰ ভিক্ষাৰীটোৰ উত্তৰলৈ বাট নাচাই ঘৰৰ পাছফাল পালেগৈ।

গৰু নোহোৱা, গোহালিটোত কোৰখন নাপাই মাষ্টৰে ইফালে-সিফালে বিচাৰিবলৈ ধৰিলে।

— হেৰা কোৰখন দেখিছিলা নে?

— মোৰ নো কোৰৰ কিহৰ কাম, গাইজনী নোহোৱাত আপুনিও গোবৰ পেলাব লগীয়া হোৱা নাই। চাওক ভালকৈ।


পাকঘৰৰ পৰা মাষ্টৰণীয়ে ভেকাহি মাৰি ক'লে।

— এই ঘৈণীয়েকবোৰা যে, এষাৰ কথা ভালকৈ নকয়, নাজানো বুলি ক'লেই হ'ল। চিধাই ভেকাহি মাৰি উঠিব।

— হ'ব দিয়া জানো, তুমি বিচাৰি নিদিলেও হ'ব। কোৰখন বিচাৰি পাই খঙেৰেই কথা কেইটা কৈ আগফালে পালেগৈ। আৰে ...? ভিক্ষাৰীটোচোন নাই। কোৰখন তাতে পেলাই মাষ্টৰে ভিতৰলৈকে যাওঁ বুলি ল'লে, কিন্তু এয়া কি?

মাষ্টৰৰ খংটো দুগুণ নহয় হাজাৰ গুণ দেখা নাপালে।

— কুকুৰৰ জাত, চুৰৰ কি পাবি সেইখন নি। টিলিঙাটো বাদ দি চব বাজে ষ্টেপুডালো, মাষ্টৰৰ খংটো ক্ৰমাৎ বাঢ়ি গৈ থাকিল। ■



# INTIMACY

Stone Cutting.

by

Mridul Sarma



# নীৰৱ আৰণ্যিকা

সন্ধ্যা চেতিয়া
স্নাতক তৃতীয় বৰ্ষ।

বাহিৰত দেৱদাৰু জোপাৰ পাতবোৰ বতাহত হালিছে। মনলৈ ভাহি আহিল অলপ আগতে দেখি অহা থানা চাৰিআলিৰ ফুটপাথত পৰি থকা সেই ভিক্ষাৰীজনীৰ কথা। কিন-কিনিয়া বৰষুণত মূৰৰ ফালে ফটা ছাটিটো মেলি শুই আছে তাই। ভৰি দুটা বৰষুণতে তিতি আছে। অসহায় অনুভৱ কৰিছিলো মই। ধিক্কাৰ উপজিছিল নিজতে- মোৰ এই পঢ়া-শুনা খিয়ৈ কি উপকাৰ সাধিব পাৰিছোঁ আৰ্তজনক?

ঃ শ্যামলীয়ে শ্যামলীলৈ চায় কি ভাবি আছ?

ÃÌ1ÑBÃ1 á'ù ÃÃÃ ò¼ÎýÃÃ»±! শৰ্মা ছাৰৰ ক্লাছত মই বাৰু কি বোৰ চিন্তা কৰি আছিলো! 'এনেকৈ নহ'ব দেই'— বুলি ক্লাছৰ সময় শেষ হোৱাৰ লগে লগে ছাৰ ওলাই গ'ল।

***********

আধাৰুৱা সপোন এটাৰ পাছত দৌৰি ফুৰিছোঁ — সৰু ছোৱালীৰ দৰে। আৰু লাভ কৰিছোঁ কেৱল ব্যৰ্থতা। থমকি ৰৈছোঁ মোৰ অকলশৰীয়া পৃথিৱীখনত। এইখন জগতৰ নিস্তব্ধ আৰু অন্ধকাৰ পৰিৱেশে মোক ভয়াতুৰ কৰি তুলিছে। ... এনে নাছিলো মই। ক'ত হেৰুৱালো মই মোৰ সাহসী মনটো? এতিয়াও মন যায় আকাশ চুবলৈ দৌৰি যোৱা, একো দুখ- ব্যৰ্থতাই স্পৰ্শ কৰিব নোৱৰা সেই কণমানি জনী হ'বলৈ। কিমান যে সপোন জিলমিল কৰি থাকে তাইৰ দুচকুত, জীৱনটোক সুন্দৰ কৰাৰ, পৃথিৱীখন সুন্দৰ কৰাৰ তাইৰ যে কিমান হেঁপাহ ... হাৰ মানিব খোজা নাছিল তাই ক'তো। আৰু এতিয়া? একোৱেই নাই জীৱনত আচলতে! শৈশৱত সপোন দেখুওৱা কল্পনাৰ পৃথিৱীখন বাস্তৱত ফাঁকি ...

নিশা বাৰ বাজি গ'ল। ডায়েৰীখন জপাই বিচনাৰ কাষ পালোঁগৈ। বিচনাত মাৰ টোপনিত লালকাল ভাগৰুৱা মুখখন দেখি বুকুখন কঁপি উঠিল মোৰ। যেন আজিহে দেখিলো মাৰ কপালত পৰি থকা ৰূপালী বৰণৰ চুলি কেইডাল! মা! মা! কি পালে এই জীৱনত? সুখী হ'লো বুলি ক'ব পৰাকৈ লাভ কৰিলেনে সাফল্য? মাৰ আকাংক্ষ্যাৰ সকলো লাভ কৰিলে নে? নীৰে যে কৈছিল — "জীৱন নুবুজা সাঁথৰ ... হেৰুৱা জীৱনৰ নিয়ম!'

*************

ঃ তোৰ মুখখন কি অ' সৰু চৰাই?

ঃ লাওপাত কচুপাত! লাওপাতে বিজ বিজায় আৰু কচুপাতে খজুৱায়, বৰদেউতা।

বৰদেউতাৰ 'সৰু চৰাই' মই। কিমান যে মুখচোকা আছিলো মই! আনবৰত মুখেৰে টেপটেপাই, গাই দাই দৌৰি ফুৰিছিলো বাৰীয়ে বাৰীয়ে। আকাশ চুবলৈ দৌৰিছিলো আমাৰ বাৰীৰ পিছফালে পৰি

থকা আকাশখন। কিন্তু ওচৰ গৈ দেখোঁ মই ঢুকি নোপোৱাকৈ আকাশখন বহু দূৰত ... বহু দূৰত ...

*********

মোৰ এটা সপোন আছিল মোৰ পিছপৰা গাঁওখনৰ কাৰণে কিবা এটা কৰাৰ। কিন্তু এতিয়া সেই সপোন বহু দূৰ হৈ পৰিছে ... পাঁচ বছৰ হ'ল গাঁও এৰি চহৰবাসী হোৱা। দেউতাই ডিব্ৰুগড়তে চাকৰি কৰে। হাইস্কুল শিক্ষান্ত উত্তীৰ্ণ হৈয়েই গুচি আহিলো। ডিব্ৰুগড়ত পঢ়িবলৈ। প্ৰথমে ভাড়াঘৰৰ তিতা-কেঁহা অভিজ্ঞতা। তাৰপাছত নিজাকৈ এখন ঘৰ। আমাৰ পাঁচজনীয়া পৰিয়ালটো দেউতাৰ সৰু চাকৰিটোৰে আকালো নাই ভৰাঁলো নাইৰ দৰে চলিব পৰা বিধৰ। স্নাতক দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষা নিদিয়াকৈ বিয়া হৈ গ'ল বাইদেউৰ। ভাল ঘৰৰ প্ৰস্তাৱ না কৰিবলৈ টান পালে দেউতাই। মোৰ বিশ বছৰীয়া বা জনীয়ে কিদৰে সংসাৰ কৰিব ভাবি মই ভাগি পৰিছিলো দুখত। দেউতাই ইমানতে দায়িত্ব সামৰিলে বুলি ভীষণ অভিমান, জেদ ভাৱে ভৰি পৰিছিল মনটো। তাইৰ ইচ্ছা, তাইৰ সপোন সকলো জলাঞ্জলি দি তাই জানো সুখী হ'ব পৰিব? সুখী হ'বই লাগিব— ন'হ'লেও উপায় নাই। ঘৰখনত তিনিজনীকৈ গাভৰু ছোৱালী। ঘৰখনৰ সমস্যা ... মোৰো বিয়া ঠিক কৰিছে। হয়তো দেউতাই ভাবে দেউতাৰ সৰু দৰমহাৰে আমাৰ সুখ নামৰ আপদীয়া বস্তুটো কিনিব পৰা নাই বুলি। বুজিবলৈ চেষ্টা কৰোঁ, কিন্তু তথাপি ক্ষোভ, অভিমান ৰৈ যায় অন্তৰত। কিন্তু কন্দাৰ বাহিৰে নো কি কৰিব পাৰো।

নীৰে কেতিয়াবা সুধি দিয়ে 'লী তই সুখী হ'ব পাৰিবি নে?' বুলি। তাৰ প্ৰশ্নটোৱে অসুখী কৰি তোলে মোক।

**********

নীৰ! নাজানো তাৰ প্ৰতি থকা মোৰ অনুভৱবোৰৰ নাম কি? আমি দুয়োটাই ইটোৱে-সিটোৱে দুখৰ সমভাগী হওঁ। কলেজত তাক দেখা নাই। বৰ অকলশৰীয়া অনুভৱ কৰোঁ তাৰ অবিহনে। ৰিক্সা এখন লৈ গুচি গ'লো তাৰ কোঠালৈ। তাৰ কথাই মনলৈ আহিল মোৰ। সদায় কিবা 'ডাঙৰ কথা' এটা ক'বলৈ থাকি যায় তাৰ মোক। কিন্তু কেতিয়াও নকয়। কেতিয়াবা মোৰ কলেজৰ ন'ট বহীত কাৰ কবিতাৰে ভৰাই পেলাই।

'দুচকুৰ বাদুত টোপনি নাই
গুৰি দিয়া এৱাল ছিগা টোপনি ...
অদেখা সপোনৰ তেজাল ঘোঁৰা খেদিবলৈ ...' (নীৰ)

নীৰৰ আচল ঘৰ তিনিচুকীয়াত। নালীয়াপুলত ভাড়াঘৰত থাকে সি। গৈয়েই দেখোঁ বিচনাত চিত হৈ পৰি আছে সি। খং উঠিল মোৰ।

ঃ কলেজলৈ নগ'লি কিয়?

ঃ মোৰ জ্বৰ, মই মৰিলো ...

ঃ ক'ত নো মৰিলি, জীয়াই আছ দেখোন, জ্বৰ হ'লে মানুহ মৰে নেকি? ওচৰলৈ গৈ দেখোঁ তাৰ জ্বৰ নহয়। সি কিবা খালে।

ঃ তই কি খালি কচোন? তোৰ মাতটো ...

ঃ বেয়া বস্তু খালো। কি কৰিবি জীৱনটোৱেই যে নিচা! মোৰ চকুপানী ওলাওঁ ওলাওঁ হৈছে।

ঃ পঢ়ি-শুনি চোকা হৈ কি কৰিবি বে? বাদ দেনা, কালি ঘৰৰ পৰা খবৰ আহিছে দেউতাৰ অসুখ, মই হেনো ঘৰলৈ যাব লাগে। আৰে, মই ঘৰলৈ কি কৰিম? হাতত ফুটাকড়ি এটা নাই। শুদা মুখখন লৈ কি মই চাই থাকিম? বেকাৰ ছালা।

তাক কিবা এষাৰ সান্ত্বনা দিবলৈও ভাষা বিচাৰি পোৱা নাই মই।

ঃ ঘৰখনৰ সৌভাগ্যবান পুত্ৰই নহ'লো বুজিছ। এই চোতালখন দেখিছ নহয়, যত চব এইখনৰ দোষ।

নিজৰ কপালখন থপৰিয়াই কৈ গ'ল নীৰে। দেখিছোঁ তাৰ দুচকুত দুটোপালমান চকুলো ... ধৰফৰাই উঠিল মনটো ...

ঃ কলেজ এৰিম বুজিলি ফাইনেল নিদিওঁ। পঢ়াৰ নামত টকাবোৰ কপাল খোৱা চৰকাৰক দিয়াতকৈ নিজে কিবা এটা কৰিম ন' লী? হ'ব দে খেতি কৰি খাম। পথাৰৰ মাটি বন্ধকি নিদিওঁ আৰু।

এটা বুৰ্বকৰ দৰে হাঁহিলে সি। ইমান ভাগি পৰিছে সি। ভবাই নাছিলো তাখ এই ৰূপত, অথচ মোৰ মৰিবলৈ ধৰা মনটোক কিমান সাহস দি জীয়াই তুলিছিল সি।

**********

ঃ তোমাৰ ইলেকটিভ ছাবজেক্ট কি আছিল?

ঃ বুৰঞ্জী।

ঃ বুৰঞ্জী। ই তুমি গাঁৱলীয়া। হিষ্ট্ৰী বুলিহে ক'ব লাগে।

থতমত খাইছিলো মোক ৰেগিং কৰা সেইচাম মানসিক ভাৱে পংগু ল'ৰা-ছোৱালীৰ কথাত। মোৰ মাতৃভাষাক লৈ কৰা মন্তব্য শুনি সিহঁতৰ প্ৰতি পুতৌ উপজিছিল মোৰ। কলেজৰ প্ৰথম দিনটোৰ কথা মনত পৰিলে দুখ লাগে এতিয়াও। কিমান আশা বুকুত বান্ধি পঢ়িবলৈ আহিছিলো মোৰ পিছপৰা গাঁওখনৰ পৰা এই হেঁপাহৰ কলেজখনলৈ। আৰু আজি এই পাঁচ বছৰ পূৰ্ণ হওঁ হওঁ।

ঃ ঐ লী। কালি তোক সপোনত দেখিছিলো। বৰষুণত তিতি তিতি মোৰ কোঠালৈ আহিছিলি আৰু মই আটাইতকৈ ভাল লগা ডাঙৰ

কথাটো ক'বলৈ লওঁতেই সাৰ পালো।

ঃ কলেজ ইমান খতি কৰিছ কিয়?

ঃ মগজৰ ভিতৰত এটা অমগজ লৈ ফুৰিছোঁ। পঢ়িম কেনেকৈ? ইমান পঢ়া-শুনা মানুহ থাকিও পিছপৰা সমাজৰ কিমান উন্নতি হৈছে? সকলোৱে পঢ়ি-শুনি ভদ্ৰ হ'বলৈ যায়। মানুহৰ নহয় ...

ঃ তোৰ ডাঙৰ কথাটো কি?

ঃ তই যদি ভুল বুজ? দুখীয়া ঘৰৰ ল'ৰা ...

অভিমান হৈছিল তাৰ ওপৰত। সি মৌলৈ গহীন হৈ চালে। মনটো উদভ্ৰান্ত হৈ পৰিছে ... কি ডাঙৰ কথা? তাৰ দুচকুলৈ চাইছোঁ, কি মায়া আছে তাৰ দুচকুত?

ঃ কথাটো হ'ল — ডিব্ৰুগড়ত কানৈ কলেজখন আছে, হাঃ হাঃ হাঃ

ঃ বান্দৰ! বান্দৰ।

ঃ কি ভাবিছিলি? তোৰ দৰে নাকচেপেটীজনীক 'ভালপাওঁ' বুলি ক'ম?

উচাৎ মাৰি গুচি আহিলো তাৰ পৰা। কিবা এটা বুজাব পৰা নাই নিজক। মোৰ বিয়া ঠিক হৈ আছে। তথাপি কিয় নীৰৰ সহজ-সৰল কথাবোৰে মোক তাৰ কাষলৈ টানি লৈ যায়? কিয় ভাব হয় মোৰ সপোনৰ অন্য নাম নীৰ হওক বুলি? মোৰ বিয়া ঠিক হৈ থকা উচ্চাভিলাসী, বাহ্যিকতাক গুৰুত্ব দিয়া ধনী ঘৰৰ সেই ল'ৰাজনক কিয় পৰা নাই মই হৃদয়ৰ গভীৰতালৈ লৈ যাবলৈ? দুচকু তিতি আহিছে মোৰ।

**********

"বৰষুণ বাগৰিছে
অই পাগলি
বৰষুণে নুবুজে
দুখবোৰ লনীয়া ..." (নীৰ)

মোৰ কলেজৰ ন'ট বহীত নীৰৰ হাতৰ আখৰ। ৰাতি বহুত হ'ল। বিচনালৈ যাবলৈ লওঁতেই ম'বাইলটো চিঞৰি উঠিল।

ঃ নীৰ! ইমান ৰাতি?

ঃ আৰণ্যিকা!

ঃ কি আৰণ্যিকা?

ঃ তোক নাম দিছো আকৌ আৰণ্যিকা।

ঃ তাকে ক'বলৈ ইমান ৰাতি ফ'ন কৰিলি? পাগল?

ঃ চিলমিল টোপনিত তোৰ মুখখন দেখিছিলো লী।

বুকুৰ কোনোবাখিনিত চেপি ধৰিছে শোকবোৰে।

ঃ মই কিবা এটা হেৰুৱাইছোঁ নীৰ।

ঃ নাকান্দিবা লী। মইও তোক ... প্ৰতি ক্ষেত্ৰতে হেৰুৱাবলৈ সাজু থাকিবি। মই ফাইনেল নিদিওঁ, গাঁৱলৈ যামগৈ। ডিব্ৰুগড়লৈ ঘূৰি নাহোঁ আৰু লী ... তোক ভাল লাগিছিল।

মই ধৰি ৰাখিব নোৱাৰিলো মোৰ কান্দোন।

ঃ তোৰ স্মৃতিবোৰে মোক সদায় আমনি কৰিব। তই কুশলে থাকিবি। মই আচলতে জীয়াই থকাৰ যোগ্যই নহয়। সমাজখনৰ কাৰণে একো এটা কৰিব নোৱাৰিলো ....

ঃ মই এই অশান্তিবোৰৰ মাজত মৰি থাকিম নীৰ। মোক ইয়াৰ পৰা লৈ যা নীৰ ...

সকলো যেন আহি এইষাৰ কথাতে সোমাই পৰিল। সমস্ত ভালপোৱা আহি উজান পাতিলেহি হিয়াত। একে উশাহে ক'লে নীৰে।

ঃ ব'ল আমি পলাই যাওঁ।

ঃ ক'লৈ?

ঃ য'ত সপোনৰ সেউজীয়া ঘৰ সাজিব পাৰি তালৈ। মই গৈ আছোঁ - তই ওলাই থাক বাহিৰত।

মই আকৌ পূৰ্ণ হৈ পৰিছোঁ। মোৰ আধৰুৱা সপোন পাহ মেলি উঠিছে। সকলো শুই আছে। মই বাহিৰলৈ ওলাই আহিলো। সৌৱা নীৰ। মোক মাফ কৰি দিবা দেউতা-মা। মই জীয়াই থাকিব বিচাৰোঁ মনৰ ভালপোৱাৰ সৈতে।

জোনাক নিশা নীৰৰ দুহাতত মোৰ হাত মিলাই আগবাঢ়িলো এখন সপোনৰ পৃথিৱীলৈ। অলপ দূৰত সি ভাড়া কৰি অনা অটখন। ■



# অংকৰ যাদুকৰ শ্ৰীনিবাস ৰামানুজৰ আয়েংগাৰ


নিলোৎপল দাস
স্নাতক প্ৰথম বৰ্ষ, কলা বিভাগ।

ইচ্ছা শক্তি থাকিলে মানুহে জীৱনত বিভিন্ন বাধাবিঘিনি সহজে নেওচিব পাৰে। তাৰ এক জ্বলন্ত নিদৰ্শন হ'ল অংকৰ যাদুকৰ শ্ৰীনিবাস ৰামানুজন আয়েংগাৰ। বৰ্তমান কালত গণিত শাস্ত্ৰৰ শ্ৰীবৃদ্ধি সাধনত ভাৰতীয় পণ্ডিতসকলৰ ভিতৰত এইজনা অংকবিদৰ অৱদান অনৱদ্য। তেখেতৰ জন্ম হৈছিল ১৮৮৭ চনৰ ২২ ডিচেম্বৰত তামিলনাডুৰ তাঞ্জোৰ জিলাৰ ইৰোৰ্ড নামৰ এখন সৰু গাঁৱত। তেওঁৰ দেউতাক আছিল কাপোৰৰ ব্যৱসায়ী এজনৰ তলতীয়া কৰ্মচাৰী।

পাঁচ বছৰ বয়সত গাঁৱৰে এখন প্ৰাথমিক বিদ্যালয়ত ৰামানুজনে শিক্ষাজীৱনৰ পাতনি মেলে। দহ বছৰতে জিলাৰ ভিতৰত প্ৰথম হৈ বৃত্তি লাভ কৰা ৰামানুজনে হাইস্কুলীয়া ছাত্ৰাৱস্থাতে কলেজ লাইব্ৰেৰীৰ পৰা লোনিৰ ত্ৰিকোণমিতি আনি মনপুতি আয়ত্ত কৰে। তদুপৰি কিতাপখনত নথকা কিছুমান প্ৰমেয় আৰু সূত্ৰ উলিয়াই পেলাইছিল। মাত্ৰ ১৫ বছৰতে তেওঁ "Synopsis of Elementary Results in Pure and Applied Mathematics" নামৰ কিতাপখন পঢ়ে। তাৰ পৰা তেওঁক গণিতশাস্ত্ৰত অভাৱনীয় প্ৰতিভা লাভৰ বাটকটীয়া ৰূপে পৰিগণিত কৰে। ডাঙৰ ল'ৰাবোৰেও নোৱৰা অংক বুজিবলৈ তেওঁৰ ঘৰলৈ গৈছিল। ৰামানুজনে পঢ়া কুম্বকোনম চৰকাৰী মহাবিদ্যালয়ত ইংৰাজী, অংক, শৰীৰ বিদ্যা, ৰোমান, গ্ৰীক বুৰঞ্জী আৰু সংস্কৃত পঢ়িব লাগিছিল। কিন্তু তেওঁ অংকৰ বাদে বাকীবোৰ ভাল নোপোৱাত মহাবিদ্যালয়ৰ বাৰ্ষিক পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে।

তেওঁ কেৱল অংকতে ব্যস্ত থাকে। দেউতাকে কিয় অংকৰ বাবে ইমান বলিয়া ভাবি নাপায়। বিয়া পাতি দিলে ভাল হ'ব বুলি ভাবিলে। ১৯০৭ চনৰ ২২ বছৰীয়া ৰামানুজনে ১৯ বছৰীয়া জানকী দেৱী নামৰ এগৰাকী কন্যাক বিয়া কৰায়। বিয়াৰ দুই বছৰৰ পাছত "জাৰ্নেল অৱ দি ইণ্ডিয়ান মেথেমেটিকেল চ'ছাইটি"ত প্ৰথমখন গৱেষণা পত্ৰ প্ৰকাশ হয়। পাছৰ বছৰ আৰু পোষ্ট ট্ৰাষ্টত মাহিলী ২৫টকা বেতনৰ চাকৰি কৰে। তেওঁৰ ঘৰত পত্নী, মাক আৰু আইতাক। তেওঁ আলিবাটৰ কাষত পৰি থকা কাগজ অংক কৰিবৰ বাবে বুটলিছিল, কাৰণ কম দৰমহাৰে পৰিয়াল চলাই কাগজ কিনিবলৈ নাটে। এইদৰে একাণপতীয়া প্ৰচেষ্টাৰে তেওঁ বহুতো অংক বিষয়ক নতুন সূত্ৰ আৰু এশৰো অধিক উপপাদ্যৰ প্ৰমাণ কৰে। বন্ধু-বান্ধৱৰ পৰামৰ্শমৰ্মে ৰামানুজনে নিজে উলিওৱা গণিতৰ নতুন সূত্ৰবোৰ আৰু উপপাদ্যৰ প্ৰমাণবোৰ সেই সময়ৰ কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজৰ মুখ্য গৱেষক গড়ফ্ৰেহেৰল্ড হাৰ্ডিলৈ পঠিয়াইছিল। হাৰ্ডিয়ে তেওঁক লণ্ডনলৈ মাতি পঠিয়ায়। হাৰ্ডিৰ লগত মিলি তেওঁ কেইবাটাও গৱেষণামূলক প্ৰবন্ধ ৰচনা কৰি নিজ প্ৰতিভাৰ বলত "ৰয়েল চ'ছাইটি" আৰু "ট্ৰিনিটি কলেজৰ" সভ্য হয়। স্নাতক ডিগ্ৰী নোহোৱাকৈ ৰয়েল চ'ছাইটিৰ সদস্য হোৱা এওঁৱেই প্ৰথম ভাৰতীয়।

১৯২০ চনৰ ২৬ এপ্ৰিলত যক্ষ্মাৰোগত পৰি তেওঁৰ মৃত্যু হয়। আজি আমাৰ মাজত ৰামানুজন নাই সঁচা, কিন্তু তেওঁ বিশ্বাবাসীক দি থৈ যোৱা অৱদান আজিও চিৰস্মৰণীয় হৈ আছে। ■



# গঙা চিলনীৰ পাখিত গাঁথি দিলোঁ ...

কুমাৰ প্ৰদীপ
অসমীয়া বিভাগ।

'মৰমী'

'শেৱালী', 'মন' আৰু মৰম ল'বা। 'শ্ৰীশ্ৰী মা কামাখ্যা'ৰ আশীৰ্বাদৰ 'ৰঙ'ত বৰ্তমান মোৰ কুশল। তুমিও চাগে 'বিধাতা' আৰু 'দেৱতা'ৰ কৃপাদৃষ্টিত 'বৰুৱাৰ সংসাৰ'ত 'ড° বেজবৰুৱা'ৰ 'বোৱাৰী' তথা 'অৰ্পণ'ৰ 'পত্নী' আৰু 'ৰশ্মিৰেখা'ৰ 'আজলি নবৌ' জনী হৈ 'ৰঙানদী'ৰ 'ৰাংঢালী' জনীৰ দৰে জিলিকি আছা। 'ড° বেজবৰুৱা' পৰিয়ালৰ তুমিয়েই এতিয়া 'সৰু বোৱাৰী'। 'শ্ৰীমান মাইমন', 'তৰা' আৰু 'সোণমইনা'ৰ তুমি মা।

'অ' চেনাই', 'যুগান্তৰৰ তেজাল পুৱা' অথবা 'ব'হাগৰ দুপৰীয়া' এতিয়াও মনত পৰে তোমালৈ। কাৰণ আজিও 'তুমি মোৰ মাথো মোৰ', 'মন মন্দিৰ'ৰ প্ৰাণৰ 'প্ৰতিমা'। তোমালৈ মনত পৰিলে এতিয়াও মোৰ হৃদয়ত 'হালধীয়া চৰায়ে বাও ধান খায়', মনৰ 'কদম তলে কৃষ্ণ নাচে'। 'হৃদয়ৰ আঁৰে আঁৰে' থকা সপোন আৰু 'হেঁপাহ'বোৰ 'এৰাবাটৰ সুৰ'ৰ দৰে 'ত্যাগ' কৰিলা কিয়? 'পাহাৰী কন্যা'জনীৰ দৰে 'উৰ্বশী' জনী হৈ 'প্ৰিয়া অ' প্ৰিয়া'ৰ ৰূপৰ মোৰ 'জীৱন নদীৰ দুটি পাৰ' 'প্ৰেম আৰু প্ৰেমেৰে' ওপচাই দিছিলা। 'জোনাকী মন'লৈ তুমি মোৰ 'জোনাক বিহীন জীৱন'টো 'ফিৰিঙতি'ৰ দৰে 'ৰঙে'ৰে ওপচাই দিছিলা। 'হিয়া দিয়া নিয়া'ৰ বতৰত 'মৰম নদীৰ গাভৰু ঘাট'ত তুমিয়েই তো কৈছিলা 'আই লাভ ইউ' বুলি। প্ৰয়োজন নাছিল 'মৰমী হ'বানে লগৰী' বুলি কোৱাৰ। কাৰণ তুমি কথা দিছিলা 'এই মৰম তোমাৰ বাবে' বুলি। ভাবিছিলা 'কইনা মোৰ ধুনীয়া', মই হ'ম 'ককা দেউতাৰ ঘৰ জোঁৱাই'। জনা নাছিলো 'ইমান মৰম কিয় লাগে' তোমাক।

কিয় পাহৰিলা 'শেৱালি', 'গঙা চিলনীৰ পাখি'ৰে লিখা 'ইন্দ্ৰমালতী'ৰ সুগন্ধি চিঠিবোৰৰ কথা? 'সংঘাত সংঘাত সংঘাতে'ৰে ভৰা মোৰ 'মন'ত কিয় দিলা এনে 'প্ৰতিদান'? মই নাছিলো জানো তোমাৰ 'মন'ৰ 'নায়ক'?

জানা 'শেৱালি' এতিয়া তোমাৰ 'অন্য এক যাত্ৰা' সমাগত। তুমি আনৰ 'বোৱাৰী', তোমাৰ দেউতাৰা 'পিয়লি ফুকনে', 'মণিৰাম দেৱান', 'কুশল কোঁৱৰ', 'ধৰ্মকাই' আদি ব্যক্তিৰ উপস্থিতিত 'চিৰাজ' পুৰোহিতৰ 'ৰাগ-বিৰাগ' যুক্ত 'সন্ধ্যাৰাগে'ৰে 'অগ্নিসাক্ষী' কৰি 'ড০ বেজবৰুৱা'ৰ পুত্ৰ 'অৰ্পণ'লৈ তোমাক 'কন্যাদান' কৰিলে। জানিবলৈ 'মন যায়', তোমাক 'কইনা সজালে কোনে'?

'সুৰুয' আৰু 'অৰ্পণ', 'ভাই ভাই', 'ৰঙা পুলিচ'ৰ চাকৰি কৰা 'অৰ্পণে' তোমাৰ 'জোন জ্বলা কপালত' 'সেন্দু'ৰ আঁকি 'পত্নি' ৰূপে গ্ৰহণ কৰিলে। এতিয়া তোমাৰ 'বৈভৱে'ৰে 'আৰতি' হৈ থকা 'মাক আৰু মৰমে' আৱৰা 'ঘৰ সংসাৰ' আছে।

"জয়মতী'ৰ ভনীয়েক 'আইদেউ'ৰে দিয়া এই 'গৰম বতাহ'ৰ দৰে খবৰে মোৰ 'মন'ত লগালে গভীৰ 'দাগ'। 'অদাহ্য' হিয়াখন বাৰুকৈয়ে 'জখম' হ'ল। মোৰ 'দৃষ্টি'ত মাথোঁ অকলশৰীয়া 'দেউতাৰ বিয়া', 'বাৰুদ'ৰ দৰে যেন 'বিস্ফোৰণ' হৈ গ'ল তোমাৰ প্ৰতি থকা মোৰ 'প্ৰেমগীত'ৰ 'মায়া'। মই হৈ পৰিলো এক 'অঘৰী আত্মা'।

'বনজুই'ৰ দৰে জ্বলি গ'ল 'মন বিৰিণাৰ জুই'। উকা হৈ ৰ'ল 'পলাশৰ ৰং' সনা মোৰ বুকুৰ 'অৰণ্য'। এতিয়া 'সূৰ্য তেজৰ অন্য নাম' লৈ 'অগ্নিগড়'ত 'ভূমিপুত্ৰ'ৰ 'নায়ক' হৈ আছোঁ।

'প্ৰভাতি পখীৰ গান'ত 'গুণ গুণ গানে গানে', 'এৰাবাটৰ সুৰ'ৰ লহৰে লহৰে এতিয়াও মনত পৰে তোমালৈ। কাৰণ 'উজনীৰ দুজনী গাভৰু'ৰ ভিতৰত 'তুমিয়েই মোৰ কল্পনাৰ' আছিলা। আমাৰ 'প্ৰেম জনমে জনমে', 'কৃষ্ণচূড়া'ৰ 'এটি কলি দুটি পাত'ৰ আঁৰে আঁৰে, 'মমতা', 'মুকুতা'ৰে 'ইপাৰ-সিপাৰ দুয়োপাৰ' বান্ধ খাই আছে। 'আমি অসমীয়া' সেইবাবেই হয়তো মনত নাই কোনো 'লাজ'।

'যৌৱনে আমনি কৰে' আৰু সেইবাবেই তোমাৰ 'ইটো সিটো বহুতো', 'হেঁপাহ' পূৰাইছিলো 'এই মৰম তোমাৰ বাবে' বুলি। 'জুমন-সুমন' আৰু 'জীৱন সুৰভী'ৰ দৰে মোৰ বুকুৰ 'নিষিদ্ধ নদী'ৰ পাৰত সাজিছিলো 'মাটিৰ স্বৰ্গ'। দেখিছিলো 'সেউজী ধৰণী ধুনীয়া', 'হালধীয়া চৰায়ে বাও ধান খায়' তাত। জনা নাছিলো 'শেৱালি' 'সাগৰলৈ বহু দূৰ' বুলি। তোমাৰ বাবে সেয়া 'কাঁচঘৰ' বা 'পুতলা ঘৰ'হে আছিল নেকি? 'অজলা ককাই'ৰ দৰে 'খোজ' দিওঁতে 'যোগ-বিয়োগ'ৰ 'লটি ঘটি' হৈছিল। 'বৰদৈচিলা'ই থান-বান কৰিছিল বুকুৰ 'অৰণ্য'। অৱশ্যে 'দেউতা দিয়া বিদায়' বেলাৰ সাহস কণো গোটাব পৰা নাছিলো মই। সুধিবা জানো 'আই ক'ত নাই' বুলি?

'ৰঙা পুলিচ' 'অৰ্পণ' এতিয়া তোমাৰ 'যুগদেৱতা'। 'মহাৰথী'ৰ দৰে 'প্ৰিয়জন' পালে কাৰ 'অহংকাৰ' নহ'ব বাৰু? মোৰ দৰে এক 'ৰিক্সাৱালা' জীৱনত তোমাৰ 'প্ৰিয়া মিলন' হোৱা অসম্ভৱ। কাৰণ এতিয়া 'মা তুমি অনন্যা'। 'আকাশী তৰাৰ কথাৰে' ...যদি চাওঁ 'ধুনীয়া তিৰোতাবোৰ' 'মায়া'ৰে আৰৱা আৰু তোমাক আশা কৰিবলৈ মই 'আজান ফকীৰ চাহেব'ৰ দৰে 'ধন কুবেৰৰ ধন'ৰ গৰাকী নহওঁ।

'ইটো সিটো বহুতো' 'যোগ বিয়োগ' কৰি 'দ্বীপজ্যোতি'ৰ ভনীয়েক 'বৃষ্টি'ৰ হাতত দিলো মোৰ 'শেষ উপহাৰ'টি। জানানে 'মাঘত মামনিৰ বিয়া' পাতিছে 'ভৈৰৱ'ৰ 'মন মন্দিৰ'ত অহা 'একত্ৰিছ জুন' তাৰিখে। আহিবা।


'এপজা মাটিৰ গোন্ধ'ত এতিয়া মোৰ 'ৰিক্সাৱালা' জীৱনৰ 'বৰলাৰ সংসাৰ'খন 'ককাদেউতা নাতি আৰু হাতী'ৰ ওপৰতে 'আশ্ৰয়'। নুসুধিবা মোক 'আছেনে কোনাবা হিয়াত' বুলি। কাৰণ 'সোণৰ খাৰু নেলাগে মোক' বুলি প্ৰতিশ্ৰুতি দিয়াৰ পাছতো আমাৰ 'বন্ধন' ৰাখিব নোৱাৰিলা। 'এণ্টনি মোৰ নাম' বোলা মিছা অহংকাৰটো এতিয়াও উমি উমি মোৰ 'বুকুৰ মাজত জ্বলে' সেয়ে 'শেৱালি' এতিয়া বিচাৰিলে নোপোৱা মোক, পাবা এক সীমাৰ সিপাৰৰ 'অঘৰী আত্মা'। ইতি।

'ৰংমন'

মাৰফৎ 'দীনবন্ধু'

'অগ্নিগড়', 'একত্ৰিশ জুন' ■

(বি.দ্ৰ. - এই লেখা প্ৰস্তুত কৰাত সহায় কৰা মোৰ দাদা দেৱজিৎ বড়ালৈ কৃতজ্ঞতাৰে — লেখক।)



# কানৈয়ানৰ ডাকত এটি প্ৰেমৰ অনুভৱ

সৌৰভজ্যোতি গগৈ
স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ।

মৰমৰ ..........

নিয়ৰসিক্ত এয়া এটি শৰতৰ মাজৰাতি। হৃদয়ত তোলপাৰ লগায় থকা এবুকু শব্দক সংযত কৰি কৰি অৱশেষত ভাগৰি পৰি কলমৰ চিয়াঁহিৰে বোৱাই দিছোঁ জীৱনৰ মাজৰ পৃষ্ঠাৰ এখিলা উকা বগা কাগজ। প্ৰথমেই হৃদয়ৰ কোনো অজান কোণৰপৰা বাগৰি অহা এসাগৰ মৰম তোমালৈ পঠালো। তোমাক দেখাৰ দিনৰ পৰাই মোৰ জীৱনত শৰতৰ শেৱালীয়ে সৌৰভ বিলাবলৈ ধৰিছে, নিশাৰ জোনবায়ে পোহৰ বিলাবলৈ ধৰিছে। এনে লাগিছে যেন এই শৰতৰ চেঁচা মাজৰাতি দেহৰ উষ্ম শোণিতেৰে তোমালৈ এখন চিঠি লিখি পঠিয়াওঁ। তুমি বাৰু আহৰি পাবানে মোৰ চিঠিখন পঢ়িবলৈ। কাৰণ জীৱনৰ ব্যস্ততাত ব্যস্ত তুমিও! তুমি বাৰু বুজি পাবনে মোৰ সেই তেজৰ চিঠিৰ শব্দবোৰ, ভাষাবোৰ, অৰ্থবোৰ। মই বাৰু লগ পালে বুজাই দিম মোৰ চিঠিৰ গূঢ়াৰ্থ, মোৰ চিঠিৰ সাৰমৰ্ম। কিন্তু এতিয়া ময়ো ব্যস্ত।


জীৱন কঠিন সংঘাতেৰে ভৰা বাস্তৱৰ এখন ব্যস্ত অৰণ্য। সেই কঠিনতা, সেই সংঘাতপূৰ্ণতা, সেই বাস্তৱতা আৰু সেই ব্যস্ততাৰ মাজত তুমি যদি কেতিয়াবা হেৰাই যোৱাঁ, জানোচা সেই বিশ্বাসৰ ডোলেৰে বান্ধ খাই থকা বান্ধবোৰ খোল খায়েই যায় কেতিয়াবা। তাকে লৈ মোৰ ভয়।

তুমি ছাগে এতিয়া এই সুন্দৰ ৰাতি টোপনিৰ কোলাত সপোনৰ মায়াৰাজ্যত। মই কিন্তু এতিয়াও উজাগৰে আছোঁ। (মই আৰু তোমাৰ সপোনত দেখা দিওঁনে)

শেষত মোৰ জীৱনৰ এমুঠি অস্পষ্ট অনুভূতি তোমাক জনালো। তুমি সেই অস্পষ্ট অনুভূতিবোৰত স্পষ্টতাৰ ৰহণ সানি মোক জনাবা বুলি আশাৰে বাট চায় ৰ'লো।

পুনৰ মৰমেৰে, তোমাৰ -

"মই"



# সূৰ্যাস্ত

মাইনুল হুছেইন
অসমীয়া বিভাগ


ডিচেম্বৰ মাহৰ শীতকালি। বেলিটোৱে তেতিয়া ন সাঁজ পিন্ধি পুৱতিৰ কুঁৱলি ফালি আকাশত ভুমুকি মাৰিছিল। লগে লগে বাৰীত থকা কঠাল গছৰ ডালত নিতৌ বহাৰ দৰে এজাক চৰাই আহি আনন্দমনে প্ৰভাত ফেৰীৰ গান গাবলৈ ধৰিলে। হঠাৎ মানৱে অনুভৱ কৰিলে তেওঁৰ মুদি থকা চকুযুৰিত কোনোবাই যেন যথেষ্ট পোহৰ সুমুৱাই দিছে। বিৰক্তি বোধেৰে কোনোমতে মানৱে চকুযুৰি মেলি ঘড়ীৰ ফালে দৃষ্টি নিক্ষেপ কৰাত দেখিলে প্ৰায় ৭ মান বাজিছে। লগে লগে তাৰ মনত পৰিল মুম্বাইলৈ যোৱাৰ কথা। একে জাপে বিছনাৰ পৰা উঠি গা-ধুই পূৰ্ণিমাই আনি দিয়া চাহ-জলপান খাই ল'লে। নিজৰ বেডিং, প্ৰয়োজনীয় সা-সামগ্ৰীসমূহ চাইচিতি সকলোকে বাহিৰত বৈ থকা টাটা চুমুখনলৈ যাবলৈ ইংগিত দিলে। পল্লৱী, অংকুৰ, পূৰ্ণিমা আৰু মানৱ আটায়ে গাড়ীত বহিল। লগে লগে টাটা চুমুখন গুৱাহাটী চহৰলৈ তীব্ৰগতিত আগবাঢ়িব ধৰিলে।

মানৱৰ সম্পূৰ্ণ নাম মানৱ কুমাৰ বৰুৱা। তেওঁ এজন উচ্চপদস্থ চাকৰিয়াল। উচ্চপদস্থ চাকৰিয়াল হিচাপে তেওঁৰ আৰ্থিক অৱস্থা বেচ টনকিয়াল। মানৱৰ দেউতাক বহুদিন আগতেই ঢুকাইছিল। এজনী বায়েক আৰু বুঢ়ী মাকেৰে সৈতে তিনিজনীয়া সৰু পৰিয়াল। বায়েকক বিয়া দিয়াৰ পিছত মাকজনী অকলশৰীয়া হয়। মাকৰ অনুৰোধত এটা সম্ভ্ৰান্ত পৰিয়ালৰ জীয়ৰী পল্লৱীক বিয়া কৰালে। বিয়াৰ পিছত মানৱে পল্লৱীক বৰ মৰম কৰিছিল। সিহঁত দুয়োৰে মাজত থকা মৰম আৰু ভালপোৱাই উজলাই দিছিল তেওঁলোকৰ সৰু পৰিয়ালটোক। যাৰ পোহৰত সিহঁতে দেখিছিল সুখৰ সপোন। এনেকৈয়ে আগবাঢ়িছিল সিহঁতৰ পৰিয়ালৰ জীৱন। কিন্তু সময়ৰ আকুল আহ্বানত সময়ৰ নিৰ্মম সত্যক স্বীকাৰ কৰি এদিন সকলোকে কন্দুৱাই ক্ৰমাৎ বুঢ়ী হৈ অহা মানৱৰ মাকে ইহ সংসাৰ ত্যাগ কৰিলে।

মাক ঢুকুৱাৰ পিছত পল্লৱী বৰ অকলশৰীয়া হ'ল। তাইৰ অকলশৰীয়া জীৱন যাপনত নিসংগ অনুভৱ কৰাত মানৱে ওচৰৰে দুখীয়া ছোৱালী এজনীক কাম কৰিবলৈ দৰ্মহা দি বন্দৱস্ত কৰি ঘৰলৈ লৈ আনিলে। ছোৱালীজনীৰ নাম পূৰ্ণিমা। ছোৱালীজনী দেখাত বৰ ধুনীয়া। কামে কাজেও ভাল। পল্লৱীয়ে পেটে পেটে বৰ ভাল পালে। মানৱ আৰু পল্লৱী দুয়ো তাইক বৰ মৰম কৰে। কিন্তু কি হ'ব "নিয়তিৰ লিখন নহয় খণ্ডন"। মানৱ আৰু পূৰ্ণিমাৰ লাহে লাহে সম্পৰ্ক গাঢ় হৈ উঠিল। পল্লৱী ইতিমধ্যে সন্তান সম্ভৱা হোৱাত বেছি লৰচৰ কৰিব নোৱৰা হ'ল। মাজে সময়ে মানৱ আৰু পূৰ্ণিমা বজাৰ কৰিবলৈ যায়। কেতিয়াবা দুয়ো ভালেখিনি সময় কটাই ৰাতি ঘৰলৈ আহে। ইতিমধ্যে পল্লৱীৰ মনত লাহে লাহে সন্দেহে ঠাই লয়।

মাজে মাজে পূৰ্ণিমাক লৈ দুয়োৰ মাজত তৰ্কযুদ্ধ হয়। প্ৰকৃততে মানৱ তেনে স্বভাৱৰ ব্যক্তি নহয়। সি মাজে মাজে পূৰ্ণিমাক পল্লৱীয়ে কৰা সন্দেহৰ কথা কয়। পূৰ্ণিমাই মাত্ৰ শুনিয়েই থয়, উত্তৰ নিদিয়ে। ইতিমধ্যে পল্লৱীয়ে ল'ৰা সন্তান এটিৰ জন্ম দিয়ে। তাৰ নাম থয় অংকুৰ। মৰম-চেনেহৰ মাজতে অংকুৰে ৩ বছৰত ভৰি দিলে কিন্তু পল্লৱীৰ হ'লে মনৰ ভাৱধাৰাৰ কোনো পৰিৱৰ্ত্তন নহ'ল। কথাতে কয় বোলে - "বনৰ বাঘে নাখায় মনৰ বাঘেহে খায়।" এই কথাৰ পল্লৱীৰ ক্ষেত্ৰত বাৰুকৈয়ে ঘটিল। লাহে লাহে তাই শুকাই ক্ষীণাই যাবলৈ ধৰিলে। খোৱা-বোৱাত মনোযোগ নাই। তাইৰ স্বাস্থ্যৰ যথেষ্ট অৱনতি ঘটিল। তাই কল্পনা কৰা সকলোবোৰ ভাঙি চুৰমাৰ হৈ গ'ল।

পল্লৱীৰ এনে অৱস্থা দেখি মানৱ বৰ চিন্তাত পৰিল। বহুত ডাঙৰ বেজ লগায়ো কোনো সুফল নাপালে। অৱশেষত মুম্বাইলৈ যোৱাৰ সিদ্ধান্তক্ৰমে চিকিৎসাৰ বাবে ওলাল। হস্পিতেলৰ ওচৰতে থকা হোটেল এখনত তেওঁলোকে ৰুম এটা ভাড়াত ল'লে। হোটেলত অংকুৰ আৰু পূৰ্ণিমা থাকে আনহাতে পল্লৱীক ভৰ্ত্তি কৰা হস্পিটেলত মানৱ থাকে। দুই তিনি দিনৰ পিছত পল্লৱীৰ অৱস্থা ক্ৰমাৎ বেয়াৰ ফাললৈ ঢাল খোৱাত অংকুৰ আৰু পূৰ্ণিমাকো মানৱে হস্পিটেললৈ লৈ আহিল। পল্লৱীয়ে অংকুৰক দেখি হুকহুকাই কান্দিলে আৰু ল'ৰাটিৰ গালে-মুখে চুমা এটা খাই ইহ সংসাৰৰ পৰা চিৰবিদায় ল'লে। তিনিওজনে মূৰ্তিৰ দৰে তাইলৈ ৰ' লাগি চাই থাকিল। ইতিমধ্যে পশ্চিমত সূৰ্য্যটি লুকাই পৰিল।■



## তুমি আহিবাচোন এবাৰ

দিপশিখা কটকী
স্নাতক প্ৰথম বাৰ্ষিক, কলা বিভাগ

তুমি আহিবাচোন এবাৰ
কোনোবা এটি দোকমোকালি পুৱাতে
পাতিম সুখ-দুখৰ কথা
জনাহঁ মই ভীষণ ব্যস্তহঁ
ঠিকনাবিহীন সপোনৰ পিছত দৌৰি দৌৰি
'দৰিদ্ৰতা' কি বুজি নাপাওঁতেই,
আদৰি ল'ব লগা হ'ল দৰিদ্ৰতাক।
'দুখৰ' অৰ্থ বুজি নাপাওঁতেই
বুজিব লগা হ'ল দুখৰ সংজ্ঞা।
তুমি আহিবাচোন এবাৰ, মোৰ দুখবোৰ ভগাই ল'বলৈ।
এই যে, ব্যস্ততাৰে ভৰা এই মহানগৰীত
যেতিয়া মন্ত্ৰী নেতাৰ পদূলিয়ে পদূলিয়ে ঘূৰি
ভাগৰুৱা মোৰ শৰীৰ,
কোনো অজানি দুখত এৰোাহি যে
মোৰ বাঁহপাতৰ দলিচাত।
তুমি আহিবাচোন এবাৰ দুখবোৰ ভগাই ল'বলৈ
ঘামত জুপুৰি হৈ যোৱা
মোৰ অশান্ত শৰীৰটো, যি এটোপ এটোপ কৈ
মোৰ চকুলো হৈছে।
ওখেন্দ পাতি থকা কলীয়া ডাৱৰে
যেতিয়া গাজে মোৰ উৰুখা পঁজাটিত,
তুমি আহিবাচোন এবাৰ দুখবোৰ ভগাই ল'বলৈ
তোমাৰ দুচকুৰ সেউজ উপত্যকাত
অলপ জিৰাব খোজো মই .........।
আলফুলে .......... গোপনে .......... নিৰলে,
পূৰ্ণিমাৰ দোভাগ ৰাতিত।।
তুমি আহিবাচোন এবাৰ দুখবোৰ ভগাই ল'বলৈ।।

## জোনাকৰ স্বৰলিপি

পলাশজ্যোতি শৰ্মা
স্নাতক তৃতীয় বৰ্ষ।

তোমাৰ কম্পিত দুই ওঁঠত
বোলে জোনাকৰ স্বৰলিপি
তথাপিও তুমি কিয়
স্নিগ্ধতাত আঙুলি ডুবাব
লগীয়া হয় লিখিবলৈ এটি
প্ৰেমৰ কবিতা .........

তাঁলৈ চোৱা, বুকুত
কলিজাটোৰ ঠিক কাষেৰে
চুৰি সোমোৱা ল'ৰাটো
ওঁঠত এক আনুচ্ছাৰিত শব্দ
তাৰ শুকান নিৰস চকুকেইটাও যেন
বহু সেউজী সপোনাৰ মৰিশালী
তাৰ দুগালত যেন এতিয়াও
অনুভৱ কৰিম, সাদৰী মাকৰ
এটি উষ্ম চুম্বনৰ উম
সিহঁতে জুয়ে পুৱা
গা ধুবলৈ আহে এই নদীত
তেজৰ দোকমোকালি পুৱা
মিখন নদীৰ কাষত বহি
আমি লিখিব বিচাৰিছিলোঁ
এটি নতুন কবিতা।

এতিয়া, এতিয়া তেজৰ
অন্ধকাৰ সুঁত বৈছে
তোমাৰ, মোৰ শিলৰ হৃদয়ত
তথাপিও পশ্চিমৰ এটি হেঙুলী ৰহণে
উষ্ম কৰিছেহি।
মোৰ পুৱতি নিশাৰ
বহ্নসিক্ত মন ............।

## বিষাদ

যোগানন্দ বৰগোঁহাই
স্নাতক প্ৰথম বৰ্ষ, গণিত বিভাগ

বিষাদৰ দাবানল
আজি উজ্বলি উঠিছে
বিতৃষ্ণাত মন বাউলি হৈ উৰা মাৰিছে
আৱেগৰ ৰাগি লাগি আজি
ঢলি পৰিছোঁ ..........
বিদ্ৰোহৰ ছাঁয়া আজি
মূৰ্ত হৈ উঠিছে
বাউলি বতাহৰ হুৰহুৰণি লাগি
বিষাদৰ দাবানল আৰু দপ্‌দপাইছে
মূৰ্ত হৈ উঠিছে আজি অনলশিখাবোৰ
আৰু জহি যাবৰ বেছি পৰ নাই।
কালিমা সানি উন্মাদ হোৱা নিশাবোৰ
আজি মোৰ পিছে পিছে ল'ৰে
ক্লান্ত হোৱা নাই সিহঁত।
সেই ভূতলগা নিশাবোৰ মনত পৰিলে
কোনোবাই পূৰ্ণিমা ৰাতিৰ
স্নিগ্ধ জোনৰ পোহৰ অনুভৱ কৰিব পাৰে জানো ?
পাৰে জানো শীতল শেৱালীৰ তলত
কোনোবাই প্ৰেমৰ সুবাস ল'ব ?
পাৰে জানো কোনোবাই
মুকুতা বুটলিব
সেই নিৰ্মল দুবৰি বনৰ।
এন্ধাৰৰ আঁৰে আঁৰে
পোহৰে ভুমুকি মাৰে
আৰু পূৰ্ণতা আনে
এটি নৰ সময়ৰ সোঁতে
তাতে যদি জ্বলি থাকে
আকউ একুৰা মাঘৰ জুই
দেও নপৰাকৈ জানো থাকিব পাৰি ?
পাৰি জানো ছাঁই নোহোৱাকৈ থাকিব ?
আৰু ছাঁই হ'লে জানো কিবা থাকিব ..........



## চিগাৰেট

পলাশজ্যোতি শৰ্মা
স্নাতক তৃতীয় বৰ্ষ।

জানা বন্ধু,
আজিযে মই প্ৰথমবাৰৰ কাৰণে কান্দিছো
বৰষুণত নিতিতাকৈ
অৱশ্যে সময়ো নাছিল
দুগালত শুকুৱা চকুলোৰ দাগযে
মই আঁতৰাবই পৰা নাই
মইতো কওঁয়েই বন্ধু,
আমিযে একো একোটা চিগাৰেট
হঠাতে শেষ হৈ যাওঁ
হাতখন পুৰিলেহে গম পায়
কাৰোতো ভাল নকৰো আমি
থকাৰ সময়ত ......
আমাৰ সংগত মাতাল হয় বহুজন
যেনেদৰে চিগাৰেটৰ ধুৱাঁৰ কুণ্ডলী উৰুৱাই
আত্মহাৰা হৈ থাকো, মই, তুমি
গধূলি, তিনিআলিৰ মূৰৰ হোটেলৰ বেঞ্চত
আমি শেষ হোৱাৰ পাচতহে ভাবে
ছেঃ কিয়নো খাইছিলো চিগাৰেটটো
যোৱাৰ আগতে মাথো দি থৈ গ'ল
কেইটামান দুৰাৰোগ্য বেমাৰ,
দেহত, মনত, শিৰাই উপশিৰাই বৈ আছে
প্ৰতিডাল ধমনীত শব্দ শুনো,
হৃদয়ৰ অনুতাপৰ
লাভ, লাভতো নাই,
তথাপিও কিয় জানো আমি নুবুজোঁ
আমিযে একো একোটা চিগাৰেট।
একো দিব নোৱাৰো,
হঠাতে শেষ
মাথো হৃদয়ৰ প্ৰতিটো স্পন্দত এৰি থৈ যাওঁ
কিছুমান দুৰাৰোগ্য স্মৃতি
মাথো স্মৃতি।।

# বৰ্ষামুখৰ ৰাতি

**কৰবী গগৈ**
স্নাতক দ্বিতীয় বৰ্ষ।

বৰ্ষামুখৰ গৰ্ভৱতী আকাশ
চিকমিক বিজুলীত কাজল কাজল মেঘ
মেঘৰ মাদল বাজে আকাশ দুছিৰা কৰি,
মেঘৰ মাদল বাজে বুকু দুছিৰা কৰি,
নামি আহে ৰুণুক জুনুক নূপুৰ
পিন্ধি প্ৰকৃতিৰ বুকুলৈ
ৰৰষুণহু ৰৰষুণহু
এই বৰষুণ যেন শাওণৰ বৰষুণ,
ৰুনুক জুনুক নূপুৰ পিন্ধি
শাওণ নামে, বৰষুণৰ সতে মোৰ পদূলিত
শাওণ নামে, মোৰ দুবৰি ভৰা চোতালত
নিশা দুপৰত, শাওণে কাৰ
ভাঙে কেঁচা ঘুমটি ?
কোনে বুকুত মুখ থৈ উচুপে
বাৰিষাৰ ৰাতি ?

# স্মৃতি

**পপী দুৱৰা**
স্নাতক দ্বিতীয় বৰ্ষ, উদ্ভিদ বিজ্ঞান বিভাগ।

দুচকুৰ পাহিত কিয় জানো নুফুলে আজি যৌৱনৰ ফুল
চল বৰষুণেও কিয় জানো তিয়াব নোৱাৰে মন আকাশ
তথাপিও আছে কিছু মৰহা ফুলৰ সুবাস, কিছু শেঁতা ৰং
যাক মাথোঁ কিতাপৰ ভাঁজে ভাঁজে সাঁচি ৰাখিছোঁ।
এই সুবাসে কেতিয়াবা অজানিতে আমনি কৰেহি
আনি দিয়ে মনলৈ উত্তেজনা আৰু উন্মাদনা
পিছুৱাই নিয়ে সময়ে ..........
উটুৱাই নিয়ে অতীতৰ সেই মিঠা স্মৃতিবোৰৰ বুকুলৈ
আকৌ যেন নামি আহে মনলৈ
প্ৰেমৰ স্নিগ্ধ জোনাক।
কিন্তু ..........
পলকতে এই স্মৃতি আঁতৰি যায় চকুৰ পৰা
আৰু পুনৰ সোমাই পৰে কিতাপৰ শুকান পাতৰ মাজত
হয়তো পুনৰ জীপাল হৈ উঠিবলৈ
'ভালপোৱাৰ মিঠা বৰষুণ জাকত.....'

# বৰ্তমান নে স্মৃতি ?

**পলাশজ্যোতি শৰ্মা**
স্নাতক তৃতীয় বৰ্ষ।



এটোপাল নিয়ৰত মোৰ
প্ৰতিচ্ছবি চাই আছিলো
ৰ'দৰ তাপত নিয়ৰ টোপাল শুকাই গ'ল ..........

ফুলশয্যাৰ নিশা
তোমাৰ দুচকুত দেখোন
হেঙুলী ৰহণ ..........

ওপৰলৈ চাইছোঁ,
গছৰ আগৰ সেউজী কুঁহিপাত
যাবলৈ লওঁতেই
হঠাতে গচকি দিলোঁ ..........।



# হিয়াৰ উত্তপ্ত জুই

জিতু গগৈ
স্নাতক দ্বিতীয় বৰ্ষ, দৰ্শন বিভাগ

বুকুৰ মাজত
একুৰা উত্তপ্ত জুই
কিবা যেন পোৱা নাই
কিবা যেন শেষ হৈ গৈছে
মোৰ দৰে হাজাৰ জনৰ
চকুৰ চাৰনিবোৰ
জুইৰ ফিৰিঙটি হৈ ওপৰ ধৰিছে
হাজাৰ জনতাৰ কান্দোনৰ মেল
এতিয়াও যে শেষ হোৱা নাইহ্ল
তেজপিয়াহঁতৰ ধ্বংস
এতিয়াও হোৱা নাই।
সীতা হৰণৰ আখৰা
চলিয়েই আছে
ৰাৱণ বধৰ আখৰা
কেনেকৈ শেষ হ'ব?
ধূৰ্ত শিয়ালে হোৱা দিলে
কুকুৰকেইটাই ভুকিবই
খাবলৈ নোপোৱা কুকুৰকেইটাই
লেকেটা চামৰা ডোখৰো যে
শিয়াল কেইটাই .........
কাঢ়ি নিয়াৰ কৌশল ৰচেহ্ল
মই, আমি, জনতাবোৰ
হৰিশ্চ হৈ থাকিলে জানো হ'বহ্ল
বিশ্বামিত্ৰ মুনিও যে আজি
বিশ্বামিত্ৰ হৈ থকা নাই ........
ধৰ্মৰাজ যুধিষ্ঠিৰেও দেখোন
যুদ্ধ কৰিছিল

অন্যায়ৰ বিৰুদ্ধে
আমিবা কিয় নকৰিম
আমাৰ হিয়াত জুই জ্বলিবই
ধান-খেৰৰ জুই নহয়
তুঁহ গুড়িৰ জুই
বজ্ৰ হুংকাৰেৰে নুমুৱাব খুজিলেও
জ্বলিয়েই থাকিব
যেতিয়ালৈকে শেষ নহয়
শত শত ৰাৱণপন্থীৰ
তেতিয়ালৈকে ..........



# সপোন

অৰ্পণা গগৈ
স্নাতক তৃতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ।

এখনি ৰঙীণ সপোনৰ বাগিচাত
ভৰি দিব বিচাৰোঁ মই
য'ত কোনো দিনেই অনুভৱ কৰিব নোৱাৰোঁ
হতাশাৰ ক'লা ডাৱৰ কিম্বা দুখৰ ছায়া।

মই বিচাৰোঁ অলেখ তৰাৰ ধেমালি আৰু
চিৰ জীৱন সুগন্ধিত কৰা
নানান ৰঙী স্বপ্নৰে সমাহিত এখনি অনুভৱী হিয়া
যিখনি হিয়াত কোনো দিনেই পৰিব নোৱাৰে
আউসীৰ কলুষিত শত প্ৰচ্ছায়া।


মই বিচাৰোঁ ঘৰমুৱা পখীৰ উৰুলীকৃত
এটি বসন্তৰ আবেলি আৰু
শীতৰ সেমেকাৰ মিঠা আমেজসনা এটি সন্ধ্যা
য'ত প্ৰতিটো দিনতে পলাশে, বকুল, তগৰৰ সুৱাসে
মনলৈ আনিব পাৰে শান্তিৰ মলয়া।

ৰচিব বিচাৰোঁ সেন্দুৰী নদীৰ
এটি সেউজীয়া গান
যি গানৰ সেউজী আভাই সহস্ৰজনৰ হিয়াত
বিচ্ছুৰিত কৰিব পাৰে মোৰেই প্ৰেমৰ সুৱাস।



# তুমি আহিবা হৃদয়লৈ

প্ৰদীপ বড়া
অসমীয়া বিভাগ



সাপেখাতীলৈ আহিবা নেকি ?
ভয় নাখাবা, আজি আৰু সেই ডাঁহী সাপ নাই
যি তোমাৰ বুকুৰ তেজেৰে মুহুদি কৰিব।

যদি আহাঁ আমাৰ গাঁৱতো এভুমুকি মাৰিবা
মোৰ ঠিকনা যদি নাজানা সুধিবা,
'চিলা উৰুৱাই ভাল পোৱা কবিজন' বাৰু ক'ত থাকে ?

ধুনীয়া পথাৰ,
গাঁৱখনৰ দৰে মানুহবোৰৰ মনবোৰো ধুনীয়া
এই গাওঁতে তুমি বিচৰা কবিজনক পাবা।
তুমি আহিবা,
মোৰ মনিকোঠালৈ অহা বুলি গম পালে
হাজাৰ হাজাৰ ধূলিকণাই তোমাৰ স'তে চিনাকি হ'ব
ৰঙা-নীলা এজাক আকলুৱা চৰায়ে তোমাক বিছি দিব
তুমি অকণো কষ্ট নোপোৱাঁ।
ধুনীয়া পথাৰলৈ আহিলে
সুবিশাল সেউজীয়াই তোমাক স্বাগতম জনাব।
তুমি নয়নভৰি চাবা
সেউজীয়াবোৰ আৰু বোকামাটিৰ মাজৰ হৃদয়ৰ মিতিৰালি।

'চিলা উৰুৱাই ভাল পোৱা কবিজন'
বিচাৰি অহা বুলি জানিলে
সদাব্যস্ত কুমটি জনীয়েও তোমাক ভুমুকিয়াই চাব।
তুমি আহিবা,
অন্তত মৌ-মাখিৰ সতে গান গাবলৈ।
তুমি আহিবা ফাগুনত,
ফাগুনৰ মলয়াই তোমাক পেৰিছৰ সাধু ক'ব।
সন্ধিয়াৰ ঘৰমুৱা গৰুজাকে তোমাৰ সতে
দৌৰৰ প্ৰতিযোগিতা পাতিব।
তুমি নাহাঁহিবা
তুমি হাঁহিলে, গোলাপৰ পাহি এটা
টপকৈ সৰি পৰিব।

ধুনীয়া পথাৰৰ বিশাল বুকুত, তুমি দেখিবা
বগৰী গছজোপাৰ ওপৰত
একান্ত মনে নাচি আছে এখন চিলা,
তুমি যদি মোৰ ঘৰটো বিচাৰি উলিয়াব নোৱাৰা
এই চিলাখনকে সুধিবা।

মোৰ সমস্ত কথা জানে চিলাই,
পথাৰখন পাৰহৈ এটা ভঙা জুপুৰি পাবা
আধুনিকতাৰ বিলাস নাপালেও তাত পাবা
এবুকু মৰম, মৰমৰ উম।

মোৰ বিষয়ে আৰু বেছিকৈ জানিব খুজিলে
চিলাখনকে সুধিবা
তোমাক চিলাখনে সকলো বিৰবি ক'ব
বিচাৰিব জানিলে চিলাখনতে মোক পাবা
কাৰণ চিলাই মোৰ প্ৰেয়সী।

# নতুনৰ আৱাহন

স্বৰ্ণমণি দিহিঙীয়া
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)


কুলিৰ মাতে আনে বসন্তৰ বতৰা
বনে বনে ফুলৰ শৰাই
পলাশ, মালতী, নাহৰ, গোলাপ
চম্পা বনৰ সুবাস
বসন্তৰ প্ৰেৰণাৰে
নৱবৰ্ষৰ জাননি
পাহৰণি-জাগৰণ
হয় প্ৰাণে প্ৰাণে
সোঁৱৰণি যদিওবা হয় ম্লান
বিহঙ্গৰ কণ্ঠত বাজে
নৱ চেতনাৰ গান
অপৰূপা প্ৰকৃতিৰ
চিৰ শাশ্বত কোলাত
বিনন্দীয়া সুৰ
ধুনীয়া জোনাকে আনে
তোমাৰ বতৰা
জোনাক সুৰভিৰে
নিদিবা নে ওপচাই
বিৰহী জীৱনত মোৰ
অন্ধকাৰ আঁতৰাই।

# সন্মতি দিব নোৱাৰিলোঁ

তিলক ডেকা

মই অসমীৰ সন্তান হৈ
পাহৰিব নোৱাৰিলো
আইৰ দেহত অবাৰিত
শোষণৰ কশাঘাত।

দুখৰ দিনত সুখৰ বাবে
আদৰ্শক বলি দিব নোৱাৰিলো,
হ'ব নোৱাৰিলো জাতিদ্ৰোহী।
সন্মতি দিব নোৱাৰিলো
দ্ৰৌপদীৰ বস্ত্ৰহৰণৰ দৰে
আইৰ পৰা এপদ-এপদকৈ
বস্ত্ৰ কাঢ়ি নিবলৈ।
তাতোকৈ ডাঙৰ কথা
মই এতিয়াও
এৰি পেলাব নোৱাৰিলো
আইৰ মুক্তিৰ সপোন।



# যোৰা ৰাতিৰ বৰষুণৰ কবিতা

বিন্টু চেতিয়া
স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিভাগ।

তুমি সাৰে আছিলানে বন্ধু ?
যোৰা ৰাতি শুনিছিলা নে
বৰষুণৰ কবিতা ?
এতিয়া ৰাতি পুৱাল
ভাৱনাৰ দুৱাৰ খুলি
পদূলিমুখত এতিয়া
বিদেশী সুৰুজৰ উঠা- নমা।
উস কি যন্ত্ৰণা
সূৰ্যাস্ত আৰু সেউজীয়া
এছাটি উষ্ম বতাহ
মুমূৰ্ষু মানৱতাৰ হালধীয়া সভ্যতাত
আকাশৰ নীলা জাকে যে এই মাত্ৰ
গ্ৰাস কৰিছে সেউজীয়াৰ সত্তা
সময়, ................ কিমান মৃত্যু ?
সংগোপনে লেপলেপীয়া পথাৰত
মৃত্যু, অপমৃত্যু, ইচ্ছামৃত্যু ইত্যাদি ইত্যাদি।
তথাপি উৰণীয়া ব্যস্ততা বন্ধু।
সম্পৰ্ক ............
বৰষুণ, নদী, সূৰ্যৰ।
মইও সাৰে আছিলো বন্ধু
জেপজেপীয়া যন্ত্ৰণাৰ তলত
সংশয়ৰ দুধৰ্ষ সময়ৰ নিশ্চয়তাত শুনিছিলোঁ,
আৰ্তনাদ ..........



প্ৰেম, বিশ্বাস, বন্ধুত্ব।
তুঁহ জুইকুৰা জ্বলিয়ে আছে
আহ কি বিড়ম্বনা
উকাখিনিত খাৰ বাৰুদৰ খোঁৰা।
গধূলিটো নো আৰু ৰাতি হ'বলৈ
কিমান পৰ ?
ৰাতিৰ বুকু তহে অস্তমিত সূৰ্যৰ
প্ৰস্ফুটিত উন্মেষ
বৰষুণৰ কবিতা
টোপাটোপ জীৱনৰ গান (সেউজীয়া,
পথাৰ, মানৱতা)
তুমি আকৌ শুনিবা বন্ধু,
বৰষুণৰ কবিতা।।

# সুদূৰৰ বালিমাহী

স্বৰ্ণামণি দিহিঙীয়া
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান শাখা)।

কোন দূৰ সুদূৰৰ পৰা
বালিমাহীয়ে মাতে সুললিত সুৰেৰে
কাৰ জানো প্ৰেম প্ৰেৰণাই
প্ৰাণখনি মোৰ
আকুলিত কৰে
অসীম নীলিমাৰ অশান্ত বুকুৰ
প্ৰান্তে-প্ৰান্তে
নৱ জাগৰণ আনে নৱ প্ৰভাতে
হে' চিৰ সুন্দৰ, নিদিবা নে মোৰ
প্ৰাণৰ মাজে
স্নিগ্ধ কান্তি তোমাৰেই
কৰুণা আভা অনন্তৰ .........।